




গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫২ ■ গুৱাহাটী ■ মঙলবাৰ, ২৭ ছেপ্টেম্বৰ, ২০২২, ১০ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 52 Dainandin Barta ■ Guwahati, Tuesday ■ 27 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only






## আজি পুনৰ উৰিব গুৱাহাটীৰ আকাশত

### সাক্ষী হ'ব ৰাজ্যপাল-মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ আকাশত কালি পুৱা উৰিল ৯খন ফাইটাৰ জেট বিমান। একেলগে চৰাইৰ দৰে উৰিছে এইসমূহ যুদ্ধ বিমান। ১৯৭১ চনত ভাৰত-বাংলাদেশৰ যুদ্ধৰ পঞ্চাশ বৰ্ষপূৰ্তি উপলক্ষে বায়ু সেনাৰ বাহিনীয়ে প্ৰদৰ্শন কৰিব এয়াৰ শ্ব'। আজি প্ৰদৰ্শন ■ ৮ পৃষ্ঠাত



মহানৱমীত ৬০টা ম'হ বলি-উচৰ্গাৰ বাবে সাজু বেলশৰৰ বিল্বেশ্বৰ দেৱালয়

**দুৰ্গা পূজা**

কুমাৰী পূজা সম্পন্ন

## কামাখ্যা মন্দিৰত উলহ-মালহেৰে আৰম্ভ নৱৰাত্ৰিৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ ছেপ্টেম্বৰ ঃ** সোমবাৰে নদিনীয়া নৱৰাত্ৰি উদ্‌যাপন আৰম্ভ হোৱাৰ লগে লগে শ শ ভক্তই কামাখ্যা দেৱীৰ ■ ৮ পৃষ্ঠাত

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ইটালীৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হ'বলৈ সাজু

## সোঁপন্থী নেত্ৰী জিঅৰ্জিয়া মেলোনি




**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ ছেপ্টেম্বৰ ঃ** দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ইটালীৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হ'বলৈ সাজু হৈছে জিঅৰ্জিয়া মেলোনি। শেহতীয়াকৈ ঘোষিত ফলাফলত সংসদৰ দুয়োখন সদনতে সোঁপন্থী গোটে সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হৈছে। ■ ৮ পৃষ্ঠাত

নগাঁও চহৰৰ নৃশংস হত্যাকাণ্ড

## স্বামীৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰী আছিল ঘাতক

### প্ৰতিষ্ঠানৰ পৰা উলিয়াই দিয়া ক্ষোভতে সংঘটিত কৰিলে হত্যাকাণ্ড ঃ আইন-শৃংখলাক লৈ উদ্বিগ্ন নগাঁৱৰ নাগৰিক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ হৰিজন কলনীত কালি সন্ধিয়া প্ৰায় ৭.১৫ বজাত ৰুমী দত্ত নামৰ এগৰাকী বোৱাৰীক ঘৰৰ ভিতৰতে ছুৰীৰে ডিঙি ৰেপি অতি নৃশংসভাৱে হত্যা কৰা ঘটনাৰ সন্দৰ্ভত নগাঁও আৰক্ষীয়ে অতি ক্ষিপ্ৰতাৰে অনুসন্ধান ■ ৮ পৃষ্ঠাত

চিন্তন বৈঠকৰ শেষৰ দিনা সাংবাদিকৰে মত বিনিময় কৰি পীযূষ হাজৰিকাই কয়— হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ গাদী হেৰুৱাব বুলি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কৰা মন্তব্যৰ বিৰুদ্ধে সৰৱ হৈ উঠিল মন্ত্ৰী পীযূষ হাজৰিকা

কাজিৰঙাত যোগাসনৰ পৰাই হ'ল আৰম্ভ চিন্তন বৈঠকৰ অন্তিম দিনৰ কাৰ্যসূচী

ভূপেন বৰাৰ নিচিনা হিমন্ত বিশ্ব শৰ্মাই হওক বা আমি কোনেও দলৰ পদবী দিম বুলি ধন লোৱা নাই ঃ মন্ত্ৰী হাজৰিকা

সংবাদ মাধ্যমেহে অসমত জীয়াই ৰাখিছে কংগ্ৰেছ, এআইইউডিএফক ঃ ৰঞ্জিত দাস



তেজপুৰত তান্ত্ৰিকৰ ঘৰত উদ্ধাৰ ১৫ লক্ষাধিক টকা

## ভণ্ড তান্ত্ৰিকৰ চোতাল খান্দিলেই ওলাই ৫০০ টকীয়া নোট

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** তন্ত্ৰমন্ত্ৰ যাদুৰে মানুহক প্ৰবঞ্চনা কৰি অহা তেজপুৰৰ এজন ভণ্ড তান্ত্ৰিকৰ ঘৰত উদ্ধাৰ হ'ল লাখ লাখ টকা। যাদু মন্ত্ৰৰে তাবিজ, জৰাফুকা আদিৰে মানুহৰ পৰা ১০-২০ টকা লোৱা তান্ত্ৰিকৰ ঘৰত ইমান টকা গোট খালে কেনেকৈ? ইয়াকে লৈ তেজপুৰৰ বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত আলিচিঙা ■ ৮ পৃষ্ঠাত



প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ অধ্যক্ষ, অৰ্থনীতিবিদ ড° বিবেক দেবৰয়— মাটি আৰু পানীক লৈ থকা প্ৰত্যাহ্বানসমূহৰ সমাধান সূত্ৰ উলিয়াব পাৰিলেহে অৰ্থনৈতিক উন্নয়ন সম্ভৱ

# ভূমি-পানীৰ পৰ্যাপ্ত ব্যৱহাৰে অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাট মুকলি কৰিব

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ২৬ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ কাজিৰঙাৰ বৰগছ ৰিজৰ্টত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চিন্তন শিবিৰৰ আজি সামৰণি পৰে। আজি অন্তিম দিনাও ৰাজ্য চৰকাৰৰ বহুকেইটা বিভাগে ■ ৮ পৃষ্ঠাত

নিশা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিব নোৱাৰি বুলি কোনো আইন নাই ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা



ভূ-গৰ্ভৰ পানীৰ ব্যৱহাৰৰ বাবে কৰ দিব লাগিব কেন্দ্ৰীয় চৰকাৰক

## ব্যয়বহুল হ'ব ভূ-গৰ্ভৰ পানী ব্যৱহাৰ

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক পানীৰ ওপৰত একাধিক কৰৰ আক্ৰমণৰ পৰা অসমৰ জনসাধাৰণক উদ্ধাৰ কৰিবলৈ 'এৰিডা'ৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ ছেপ্টেম্বৰ ঃ** পানীৰ নামত কেন্দ্ৰীয় চৰকাৰে জনতাৰ ওপৰত ৰামটাঙোন শোধোৱাৰ ব্যৱস্থা কৰিছে। চৰকাৰে পানীৰ ওপৰত থকা জনতাৰ অধিকাৰ কাঢ়ি নিব ■ ৮ পৃষ্ঠাত

## ৰেচনৰ দোকানতো সুৰা বিক্ৰী কৰাৰ অনুমতি বিচাৰি কেন্দ্ৰলৈ পত্ৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ ছেপ্টেম্বৰ ঃ** গাঁৱে গাঁৱে বিয়পিব মদ। এইবাৰ তেনে ইংগিতেই পোৱা গৈছে। শেহতীয়াকৈ ৰেচনৰ দোকানতো মদ বিক্ৰীৰ অনুমতি বিচাৰি কেন্দ্ৰলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। ৰেচন ■ ৮ পৃষ্ঠাত



ৰাজস্থানৰ ৰাজনৈতিক সংকট

## কংগ্ৰেছৰ সভাপতিৰ দৌৰৰ পৰা আঁতৰিল অশোক গেহলট

### ৰাজস্থান সংকটক লৈ অসন্তুষ্ট ছোনিয়া গান্ধী

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৬ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পিছত কংগ্ৰেছ দলৰ বাঘজৰী দখল কৰিবলৈ শীৰ্ষ ফেভোৰিট হিচাপে পৰিগণিত হোৱা ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক ■ ৮ পৃষ্ঠাত




জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা



## মাজুলী মহাবিদ্যালয় গ্ৰন্থাগাৰলৈ কৰ্মচাৰী পদ্মেশ্বৰ শইকীয়াৰ গ্ৰন্থদান




**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৬ ছেপ্টেম্বৰ ঃ** প্ৰতিষ্ঠাৰ গৌৰৱোজ্জ্বল ষাঠিটা বৰ্ষ অতিক্ৰম কৰা নদীদ্বীপ মাজুলীৰ উচ্চ শিক্ষাৰ প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ে ২০১৬ চনৰ ৮ অক্টোবৰৰ পৰা মহাবিদ্যালয়খনৰ পুথিভঁৰাললৈ গ্ৰন্থসংগ্ৰহৰ বাবে ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' কাৰ্যসূচীত অংশগ্ৰহণ কৰি দেশৰ বিভিন্ন প্ৰান্তৰ লোকে মহাবিদ্যালয়ৰ পুথিভঁৰাললৈ দানস্বৰূপে আগবঢ়োৱা গ্ৰন্থৰ সংখ্যা ইতিমধ্যে বাইছ হাজাৰৰ অধিক হৈছেগৈ। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মাজুলী মহাবিদ্যালয়ৰ কৰ্মচাৰী পদ্মেশ্বৰ শইকীয়া আৰু তেওঁৰ পুত্ৰ শইকীয়াই মহাবিদ্যালয়ৰ অতুল চন্দ্ৰ গোস্বামী গ্ৰন্থাগাৰলৈ গ্ৰন্থ ক্ৰয়ৰ উদ্দেশ্যে নগদ বিশ হাজাৰ টকা আগ বঢ়ায়। দাতা কৰ্মচাৰীগৰাকীৰ পৰা দান গ্ৰহণ আৰু তেওঁক কৃতজ্ঞতা জ্ঞাপনৰ উদ্দেশ্যে আজি মহাবিদ্যালয় সভাকক্ষত দিনৰ ১২ বজাৰ পৰা আয়োজিত এখন সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ হাতত দাতা পদ্মেশ্বৰ শইকীয়াই উক্ত ধনৰাশি প্ৰদান কৰে। সভাখনত সভাপতিত্ব কৰি অধ্যক্ষ ড° শইকীয়াই মহাবিদ্যালয়খনৰ প্ৰতি কৰ্মচাৰীগৰাকীয়ে প্ৰদৰ্শন কৰা মহানুভৱতা তথা বদান্যতাক বিশেষভাৱে শলাগ লয়। অধ্যক্ষগৰাকীয়ে কয়, পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠ দান হৈছে জ্ঞান আৰু সেই জ্ঞানৰ ভঁৰাল হৈছে গ্ৰন্থ। এতেকে, গ্ৰন্থ দান কৰাৰ যোগেদি মহাবিদ্যালয়খনৰ দৰিদ্ৰ শিক্ষাৰ্থীৰ উপকাৰ কৰাৰ কথা চিন্তা কৰি পদ্মেশ্বৰ শইকীয়াই এক অত্যন্ত আদৰ্শমূলক কৰ্ম সম্পন্ন কৰিলে। সভাত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অধ্যাপক অনিল চন্দ্ৰ হাজৰিকা, প্ৰশান্ত শইকীয়া, মহাবিদ্যালয় আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° দেৱভূষণ বৰা, অধ্যাপিকা গীতাৰাণী গোস্বামী, কৰ্মচাৰী গোটৰ উপদেষ্টা গোবিন বৰুৱা, সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক দীনকান্ত হাজৰিকা, উৎপল বৰুৱা প্ৰমুখ্যে উপস্থিত থকা লোকসকলে বিশিষ্ট ব্যক্তিজনৰ মহানুভৱতাক বিশেষভাৱে প্ৰশংসা কৰে।

## অসম-মেঘালয় সীমান্তৰ পশ্চিম গুৱাহাটীৰ মাটাইখাৰ-উমছুৰ-জিমিৰগাঁৱৰ মাজেৰে

# দিনৰ পোহৰতে দুখন নাম্বাৰপ্লেটযুক্ত চাৰিচকীয়া বাহনেৰে বাংলাদেশলৈ সৰবৰাহ হৈ আছে গৰু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসম আৰক্ষীয়ে ৰাজ্যজুৰি ড্ৰাগছৰ সমান্তৰালভাৱে আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় গো-মাফিয়াসকলৰ বিৰুদ্ধেও বিগত সময়ছোৱাত অভিযান চলাই আহিছে। কিন্তু ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযানত যিমান সফলতা আৰক্ষীয়ে লাভ কৰিছে তাৰ তুলনা গো-মাফিয়াসকলৰ বিৰুদ্ধে চলোৱা অভিযানত সিমান সফলতা লাভ কৰা নাই বুলি অভিযোগ উত্থাপিত হৈছে। আনটো বাদেই পশ্চিম গুৱাহাটী সমষ্টিৰ ৰাণী উন্নয়ন খণ্ড আৰু পলাশবাৰী থানাৰ অধীনৰ অসম-মেঘালয় সীমান্তৰ মাটাইখাৰ, উমছুৰ, জিমিৰগাঁও আদি অঞ্চলৰ বিভিন্ন পথেৰে দিনৰ পোহৰতে দুখন নাম্বাৰপ্লেটযুক্ত ডিআই বা পিক আপ ভানেৰে প্ৰায় নিয়মীয়াকৈ চোৰাংকৈ মেঘালয়লৈ গৰু সৰবৰাহ হৈ আছে। প্ৰাপ্ত খবৰ অনুসৰি, অঞ্চলটোৰ গাতে লগা মেঘালয়ৰ ৰিভয় জিলাৰ পাথাৰখামাৰ দিশে গৰু সৰবৰাহ কৰা প্ৰত্যক্ষ কৰি আহিছে বহুলোকে। অঞ্চলটোৰ একাংশ লোকে জানিবলৈ দিয়া মতে, মেঘালয়লৈ চোৰাংকৈ গৰু সৰবৰাহ কৰা আন্তঃৰাষ্ট্ৰীয় চক্ৰটোৰ নেতৃত্বত আছে তাৰ পৰা কিছু নিলগৰ বৰদুৱাৰ বাগানৰ শান্তিপুৰৰ তাজিম নামৰ এজন মাফিয়া। তেওঁৰ সৈতে গো-সৰবৰাহকাৰী দুষ্ট চক্ৰটোত আছে বিভিন্ন সমাজবিৰোধী কাৰ্যত জড়িত কে'বাজনো লোক। প্ৰাপ্ত খবৰ মতে, তুলনামূলকভাৱে নিৰাপদ পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত, কিন্তু আৰক্ষীৰ পহৰা ব্যৱস্থা নথকা পশ্চিম গুৱাহাটীৰ মাটাইখাৰ, উমছুৰ, জিমিৰগাঁও, ৰংচাই, পাটগাঁও, বাখলাপাৰা আদি সীমান্তৱৰ্তী অঞ্চলৰ বাট-পথসমূহ গৰু সৰবৰাহকাৰীসকলে ব্যৱহাৰ কৰি আহিছে। দলংসহ পথসমূহৰ উন্নয়ন সাধন হোৱাত এতিয়া গো-মাফিয়াসকলে সেই পথ ব্যৱহাৰ কৰি মেঘালয়ৰ ৰিভয় জিলাৰ একাংশ দুৰ্নীতিগ্ৰস্ত আৰক্ষীৰ সহযোগত সৰুপাহাম, জিৰাং, পাথাৰখামা হৈ বাংলাদেশলৈ কৌশলেৰে চোৰাংকৈ গৰু সৰবৰাহ কৰি আহিছে। জানিব পৰা মতে গো-মাফিয়া চক্ৰটোৱে মেঘালয় হৈ বাংলাদেশলৈ সৰবৰাহ কৰা গৰুসমূহ দক্ষিণ কামৰূপৰ গৰৈমাৰী, সোণতলী নগৰবেৰা, কালাতলীৰ উপৰিও বৰপেটা জিলাৰ বহৰি আদি অঞ্চলৰ পৰা সংগ্ৰহ কৰে। তাৰ পাছত চেগ বুজি ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে সহজে সন্দেহ নকৰা টাটা ডি আই বা বলেৰ' পিক আপ ভানেৰে ছয়গাঁৱৰ ভিতৰুৱা ঘোঁৰামাৰা নামৰ ঠাইলৈ আনে। জানিব পৰা মতে ভিতৰুৱা পথেৰে কুলসী, সতপুৰ, লোহাৰঘাট হৈ বৰদুৱাৰ বাগানৰ কাষৰীয়া নতুন চিমিনাত আব্দুল নামৰ এজন লোকৰ ঘৰত গৰুবোৰ এদিন বা দুদিন ৰাখে। তাৰ পাছত গাড়ীৰলিক, মাটাইখাৰ, উমছুৰ, জিমিৰগাঁও, পাটগাঁও, ৰংচাই, বাখলাপাৰা হৈ মেঘালয়ৰ ৰিভয় জিলাৰ সৰুপাহাম, জিৰাং, পাথাৰখামাত প্ৰৱেশ কৰে। প্ৰাপ্ত অভিযোগ অনুসৰি গৰুবোৰ মেঘালয়লৈ পাৰ কৰোৱা কাৰ্যত ধন আলী (নতুন চিমিনা), সন্তোষ কছাৰী ( বাখলাপাৰা), ৰজত ৰাভা (উমছুৰ), বিশ্ব ৰাভাকে (পকাপাম) ধৰি অঞ্চলটোৰ কে'বাজনো তথাকথিত নেতাই ধনৰ বিনিময়ত সহযোগ কৰি আহিছে বুলি অভিযোগ উত্থাপন হৈছে। অঞ্চলটোৰ সচেতন লোকসকলে



কৰা অভিযোগ অনুসৰি সপ্তাহটোৰ আটাইকেইদিনতে পুৱাৰ ভাগত সাত ষ আঠখন চাৰিচকীয়া বাহনৰে প্ৰতিখনত চাৰিৰ পৰা ছটা পৰ্যন্ত গৰু সৰবৰাহ হৈ আছে। কিন্তু মেঘালয়ৰ মাজেৰে বাংলাদেশলৈ গৰু সৰবৰাহ হৈ থকাৰ দৰে গুৰুত্বপূৰ্ণ আৰু অতি স্পৰ্শকাতৰ বিষয়টোত কামৰূপৰ পলাশবাৰী আৰক্ষী থানাই দেখুওৱা ৰহস্যজনক ভূমিকাই ৰাইজৰ মাজত বহুতো প্ৰশ্নৰ উদ্ৰেক কৰিছে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোত এই পৰ্যন্ত আৰক্ষীৰ কোনো পহৰা ব্যৱস্থা নাই। যাৰ বাবে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে মধ্যৱৰ্তী আৰু সকলো ফালৰ পৰা যোগাযোগৰ সুচল স্থান হিচাপে পৰিচিত মাটাইখাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ বা মাটিফুটা সত্ৰৰ সমীপত আৰক্ষী চকী স্থাপন কৰিবলৈ অসম চৰকাৰক দাবী জনাইছে। আনহাতে, এইক্ষেত্ৰত পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াৰ বিশেষ তৎপৰতা কামনা কৰিছে অঞ্চলটোৰ সচেতন লোকসকলে।

## সোণোৱাল সাহিত্য সভাৰ পূৰ্ণাংগ সোণোৱাল শব্দৰ অভিধান প্ৰণয়নৰ সিদ্ধান্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৬ ছেপ্টেম্বৰ ঃ** সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰকাশন সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক দেওবাৰে সভাৰ ডিব্ৰুগড়স্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। সভাৰ সভাপতি মোহন সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত গ্ৰন্থ প্ৰকাশন সমিতিৰ সচিব দিগন্ত হাজৰিকাই উদ্দেশ্য ব্যাখ্যা আৰু পৰিকল্পনা ব্যক্ত কৰে। বৈঠকত সভাৰ মুখ্য সম্পাদক মৃদুল সোণোৱাল, প্ৰকাশন সমিতিৰ সদস্য সুমন্ত বড়া, জোনটি সোণোৱাল, জয়া বড়া, তোষেশ্বৰ সোণোৱাল আদিয়ে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। বৈঠকত সোণোৱাল কছাৰী গীতি-সাহিত্য সমগ্ৰ, সোণোৱাল কছাৰী সংস্কৃতি (অসমীয়া আৰু ইংৰাজী), নিৰ্বাচিত বৰেণ্য ব্যক্তিৰ জীৱনীমূলক গ্ৰন্থ, সোণোৱাল সাধু সংগ্ৰহ, স্বগোষ্ঠীয় ভাষাত গল্প, কবিতা আৰু উপন্যাস, নিৰ্বাচিত গ্ৰন্থৰ ইংৰাজী অনুবাদ আৰু স্বগোষ্ঠীয় বিষয়ত লেখা ব্যক্তিগত গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে, সভাৰ ভাষা উপ-সমিতিৰ বৈঠকখনো একেদিনাই অনুষ্ঠিত হয়। উক্ত বৈঠকত সমিতিৰ সঞ্চালক গুণেশ্বৰ সোণোৱাল, সদস্য জ্যোস্না সোণোৱাল, ৰাজু সোণোৱাল সভাৰ উপদেষ্টা ড° সতীশ চন্দ্ৰ বড়া, সদস্য সুৰজ বড়া আদি বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। উক্ত বৈঠকত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ২০২০ৰ অধীনত প্ৰাক আৰু প্ৰাথমিক বিদ্যালয়ত অসম চৰকাৰে জনগোষ্ঠীয় ভাষাসমূহক অন্তৰ্ভুক্ত কৰাৰ বাবে সাহিত্য সভাসমূহক পাঠ্যপুথি প্ৰস্তুত কৰিবলৈ দিয়া নিৰ্দেশনাৰ ভিত্তিত সোণোৱাল জনগোষ্ঠীৰ ভাষাৰে পাঠ্যপুথি প্ৰস্তুত আৰু সোণোৱাল ভাষাৰ এখন পূৰ্ণাংগ অভিধান প্ৰণয়ন কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## বাক্সা জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন

# কোচ-ৰাজবংশীক জনজাতিকৰণ নকৰিলে ভয়ংকৰ আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব আক্ৰাছুৱে ঃ কপিলদেৱ সিংহ



**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৬ ছেপ্টেম্বৰ ঃ** বাক্সা জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত, নয়াবস্তি কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত কালি বাক্সা জিলাৰ নয়াবস্তিৰ বড়িকাদঙা ইন্দিৰা গান্ধী মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এখন প্ৰতিনিধি সভাত বাক্সা জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ নতুনকৈ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা কৰা হৈছে। সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক কপিলদেৱ সিংহই আজি এক প্ৰেছ বিবৃতিত এই কথা সদৰী কৰি কয় যে কপিলদেৱ সিংহৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাত বাক্সা জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ পুৰণি সমিতিখন ভংগ কৰি গান্ধীৰাম বৰ্মনক সভাপতি, নৱজ্যোতি কোচ আৰু দীপক দাসক যুটীয়া সাধাৰণ সম্পাদকৰূপে লৈ ৩১ জনীয়াকৈ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ বাক্সা জিলা সমিতিৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। প্ৰতিনিধি সভাত সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় যুটীয়া সাধাৰণ সম্পাদক কপিলদেৱ সিংহই তেওঁৰ ভাষণত কয় যে- ১৯৯০ চনতেই জন্ম গ্ৰহণ কৰাৰ পিছৰে পৰাই সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৱে কোচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰাপ্য অধিকাৰ বিচাৰি সংগ্ৰাম কৰি আহিছে। কিন্তু কোচ-ৰাজবংশীসকলৰ জনজাতিকৰণৰ লগতে পৃথক কমতাপুৰ ৰাজ্য গঠনৰ সমস্যাক লৈ আজিও কোনো এখন চৰকাৰে সমস্যাটো সমাধানৰ বাস্তৱ পদক্ষেপ লোৱা নাই। ২০১৪ বৰ্ষৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ সভাত বৰ্তমানৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ভাষণত বিজেপি চৰকাৰ গঠন হ'লে ছমাহৰ ভিতৰত কোচ-ৰাজবংশীসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ মুকলিকৈ প্ৰতিশ্ৰুতি দিছিল। নৰেন্দ্ৰ মোদীৰ ভাষণ অনুসৰি সহজ-সৰল কোচ-ৰাজবংশীসকলে নিৰ্বাচনত বিজেপিকেই ভোট প্ৰদান কৰিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে বিজেপিৰ নেতৃত্বত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰথমটো কাৰ্যকাল অতিক্ৰম কৰি দ্বিতীয়বাৰৰ বাবে কাৰ্যকাল চলি থকাৰ পিছতো কোচ-ৰাজবংশীসকলক জনজাতিৰ মৰ্যাদা নিদিলে, পৃথক কমতাপুৰ ৰাজ্য গঠনৰ সমস্যা সমাধানৰ কোনো বাস্তৱ পদক্ষেপ গ্ৰহণ নকৰিলে। উল্লেখ্য যে ২০২৪ বৰ্ষৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কোচ-ৰাজবংশীক জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য গঠনৰ সমস্যা সমাধান নকৰিলে আক্ৰাছুৱে ভয়ংকৰ আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলি বিবৃতিটোত সকীয়নি দিছে আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সাধাৰণ সম্পাদক কপিলদেৱ সিংহই।

## বৰচলাত শিশুৰ অধিকাৰ আৰু সামাজিক দায়বদ্ধতা সন্দৰ্ভত সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ বৰচলা থানাৰ অন্তৰ্গত ভৌৰাগুৰি এল পি স্কুলত হিউমেন ৰাইট ইণ্টাৰনেচনেল ৰাষ্ট্ৰীয় সংস্থাটোৰ ৰাষ্ট্ৰীয় এডভাইছৰ ড° বৰ্ণালী শৰ্মা বৰুৱাৰ নেতৃত্বত শিশুৰ অধিকাৰ আৰু সামাজিক দায়বদ্ধতাৰ ওপৰত এখন সজাগতা সভা অনুস্থিত হয়। সজাগতা সভাখনৰ মুখ্য বক্তা হিচাপে ড° বৰ্ণালী শৰ্মা বৰুৱাই কয় যে দেশৰ সকলো সমস্যাতকৈ অতি গুৰুত্বপূৰ্ণ সমস্যাটোৱেই হ'ল শিশুৰ অধিকাৰ ভংগৰ সমস্যা। বাল্যবিবাহ, শিশু সৰবৰাহ, শিশু শ্ৰমিক, শিশুৰ ওপৰত চলোৱা যৌন নিৰ্যাতনে শিশুৰ ভৱিষ্যৎ অসুৰক্ষিত কৰে, যিটো দেশৰ মানৱ সম্পদ গঢ়াৰ মূল হেঙাৰ বুলি বিভিন্ন উদাহৰণে ৰাইজক সজাগ কৰে। উল্লেখ্য যে যোৱা ১৭ জুলাইত এগৰাকী কিশোৰীক গাঁওখনৰ পৰা এজন অচিনাকি ৪০ বছৰীয়া ব্যক্তিয়ে পলুৱাই লৈ যায়। অচিনাকি যুৱকজনে লক ডাউনৰ পৰা গাঁৱৰ একাংশৰ সহযোগত তাত বাহৰ পাতি আছিল। ১৭ জুলাইত ৰমেশ ভৌমিক নামৰ লোকজনে ১৪ বছৰীয়া যুৱতীগৰাকীক পলুৱাই নি কাচাৰ জিলাৰ পৰা




কৰিমগঞ্জ হাইলাকান্দিত বিভিন্ন ঠাইত পলুৱাই নি লুকাই ৰাখে। এই ঘটনাৰ সবিশেষ পুলিচক অভিভাৱকে আৰক্ষীক জনাইছিল যদিও আৰক্ষীয়ে হাইলাকান্দিৰ পৰা কিশোৰীগৰাকীক উদ্ধাৰ কৰাত অপৰাগতা প্ৰকাশ কৰে। যোৱা ২৬ জুলাইত অভিভাৱকে শোণিতপুৰ জিলাৰ শিশু সুৰক্ষা সমিতিৰ ওচৰলৈ আহি কিশোৰীগৰাকীক উদ্ধাৰৰ বাবে আবেদন কৰে আৰু শিশু সুৰক্ষাৰ সমিতিৰ তৎপৰতাত কিশোৰীগৰাকীক হাইলাকান্দিৰ অতি বিপজ্জনক ঠাইৰ পৰা বৰচলাৰ আৰক্ষীৰয়ে উদ্ধাৰ কৰে। ড° বৰ্ণালী শৰ্মা বৰুৱাই তেনে শিশু সুৰক্ষাৰ ওপৰত কৰা সজাগতা সভাখনে প্ৰথম বুলি ৰাইজে ব্যক্ত কৰি কয় যে সজাগতাৰ অভাৱত শিশুসকল আজিও অসুৰক্ষিত। উক্ত সভাখন শোণিতপুৰৰ শিশু কল্যাণ সমিতিৰ সদস্য মঞ্জুলা ফুকন, বিজয় তিৰ্কী আৰু বৰচলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সুমন্ত বৰ্মন উপস্থিত থাকি বক্তব্য আগবঢায়।

## ডিব্ৰুগড়ত সৰ্বভাৰতীয় সংগীত-সংস্কৃতি পৰিষদৰ ৰাজ্যিক সমাৱৰ্তন-চিত্ৰকলা প্ৰদৰ্শনী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৬ ছেপ্টেম্বৰ ঃ** সৰ্বভাৰতীয় সংগীত-সংস্কৃতি পৰিষদৰ উদ্যোগত ডিব্ৰুগড়ৰ আমোলাপট্টি নাট্যমন্দিৰত দুদিনীয়া কাৰ্যসূচীৰে ২৪-২৫ ছেপ্টেম্বৰত আয়োজিত হয় অসম ৰাজ্যিক সমাৱৰ্তনৰ লগতে অসমৰ পুথিচিত্ৰৰ কৰ্মশালা আৰু চিত্ৰকলা প্ৰদৰ্শনী। অসমভিত্তিক চিত্ৰকলা প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই। পৰিষদৰ ৰাষ্ট্ৰীয় সহকাৰী সাধাৰণ সম্পাদক শান্তনু সেনগুপ্তৰ উপস্থিতিত ২৪ ছেপ্টেম্বৰত চিত্ৰকলা প্ৰদৰ্শনীত বিশিষ্ট চিত্ৰশিল্পী সুতপা চৌধুৰী (ডিব্ৰুগড়), আফতাৰ আলী (গুৱাহাটী), তপন মাহাত্ব (কাকপথাৰ), চিৰন্তন বৰঠাকুৰ (যোৰহাট), সংগীতা চুতীয়া (মৰাণ), প্ৰণৱ দিহিঙীয়া (ধেমাজি) আদিকে ধৰি অসমৰ বিভিন্ন জিলাৰ পৰা অৰ্ধশতাধিক শিল্পীয়ে অংশগ্ৰহণ কৰে। লগতে হেৰাই যাব ধৰা অসমৰ পৰম্পৰাগত পুথিচিত্ৰৰো প্ৰদৰ্শন কৰা হয় আৰু কৰ্মশালাত প্ৰশিক্ষক হিচাপে অসমৰ বিশিষ্ট পুথি চিত্ৰশিল্পী সুজিত দাসে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সত্ৰীয়া শৈলীৰ অসমীয়া পুথিচিত্ৰৰ প্ৰশিক্ষণ প্ৰদান কৰে। কাৰ্যসূচীৰ দ্বিতীয় দিনা অসম ৰাজ্যিক সমাৱৰ্তনত অনুষ্ঠানৰ শুভাৰম্ভ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। অনুষ্ঠানত প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়াক মানপত্ৰ, চেলেং, গামোচা, গ্ৰন্থ আৰু উপহাৰেৰে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়ালৈ ভিন্ন স্থানৰ পৰা অহা শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক কাৰ্যসূচীৰ মাজতে অসমৰ বিভিন্ন জিলাৰ পৰা অহা বিশাৰদ আৰু ৰত্নৰ ছাত্ৰ-ছাত্ৰীসকলক মান-পত্ৰ প্ৰদান কৰা হয়।

## ৬১বি বাহিনী এছ্এছবি ভৈৰৱকুণ্ডৰ দ্বাৰা বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৬ ছেপ্টেম্বৰ ঃ** সশস্ত্ৰ সীমা বল, চমুকৈ এছএছবিৰ দ্বাৰা দেওবাৰে ৰাৰংপং গাঁৱত এখন মানৱ তথা পশু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। গাঁওবাসীৰ বাবে বিনামূলীয়া চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰা হয় লোকসকলৰ মাজত। আনহাতে,




সীমান্তৱৰ্তী লোকসকলৰ পোহনীয়া পশুধনৰ বাবেও ঔষধ বিতৰণ কৰে। তদুপৰি চিকিৎসা শিবিৰৰ লগত সংগতি ৰাখি এখন গাঁওসভাও অনুষ্ঠিত কৰা হয়। স্বাস্থ্যৰ প্ৰতি সজাগতা তথা বিভিন্ন দিশত ওপৰত আলোচিত সভাখনত অতিথি ৰূপে উপস্থিত থাকে ব্ৰকলংচেং গাঁও আৰু ৰাৰংপং গাঁৱৰ গাঁওবুঢ়া, গাঁও পৰিষদৰ সদস্য তথা প্ৰধান গাঁওবুঢ়া। সুবিন্দৰ অম্বাৰত, উপ- কমাণ্ডেন্ট (কাৰ্যবাহী কমাণ্ডেন্ট ৬১বি বাহিনী), ডাঃ এছএম সিং মুখ্য পশু চিকিৎসক (২৩ বাহিনী), ডাঃ সঞ্জয় দাস, চিকিৎসা বিষয়া, ৬১বি বাহিনী তথা ৬১বি বাহিনীৰ অন্য কৰ্মীসকলো উপস্থিত থাকে। কাৰ্যবাহী কমাণ্ডেন্ট সুবিন্দৰ অম্বাৰতে গাঁওবাসী লোকসকলক এনেধৰণৰ চিভিক এক্সন কাৰ্যক্ৰমত যোগদান কৰিবলৈ উৎসাহিত কৰে লগতে এছ এছ বিৰ এনেধৰণৰ কাৰ্যবোৰ সফল কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ সকলোকে অনুৰোধ জনায়।

## অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰপেটাৰোড আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৬ ছেপ্টেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰপেটাৰোড আঞ্চলিক সমিতিখন গঠনৰ উদ্দেশ্যে এখন প্ৰতিনিধি সভা আজি বৰপেটাৰোড সাহিত্য সভা ভৱনত অনুষ্ঠিত হয়। পৰিষদৰ বৰপেটা জিলা সমিতিৰ মুখ্য আহ্বায়ক নৱজিৎ বায়নৰ সভাপতিত্বত এই



উপলক্ষে এখন সভা অনুষ্ঠিত হয়। সভাত কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক মৃণাল কুমাৰ বৰ্মন, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্যদ্বয় নগেন শালৈ, মুকুল দাস আৰু জিলা সমিতিৰ আহ্বায়ক গোপাল দাস, নিপল দাস আৰু বিপুল বড়ো উপস্থিত থাকে। সভাত ইন্দ্ৰজিৎ তালুকদাৰক সভাপতি আৰু বিপুল বড়োক সাধাৰণ সম্পাদক হিচাপে লৈ আগন্তুক ২০২২-২০২৪ কাৰ্যকালৰ বাবে বৰপেটাৰোড আঞ্চলিক সমিতিখন গঠন কৰি দিয়ে।

# ৪৫৭সংখ্যক ঐতিহাসিক টংলেশ্বৰী থান তথা পুৰণি টংলা সাৰ্বজনীন বুঢ়াথান আৰু শ্ৰীশ্ৰী দুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি

### বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান, ওজাপালি প্ৰদৰ্শন, আয়তীৰ নাম, স্মৰণিকা উন্মোচন কাৰ্যসূচী, মহাঅষ্টমীত তিনিটাকৈ হ'ব ম'হ বলিদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ শৈক্ষিক, বাণিজ্যিক, সাংস্কৃতিক আৰু বৌদ্ধিক নগৰ ৰূপে চিহ্নিত টংলা চহৰৰ সমীপৱৰ্তী টংলা গাঁৱত বিগত বছৰৰ দৰে এইবেলিও শাৰদীয় দুৰ্গোৎসৱ উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। ঐতিহাসিকভাৱে চিহ্নিত আৰু পৰিচিত টংলেশ্বৰী থান তথা পুৰণি টংলা সৰ্বজনীন বুঢ়া থান আৰু দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া ৪৫৭সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজা উৎসৱ পৰিচালনা কৰিবলৈ যুৱ সমাজকৰ্মী দিলীপ বড়োক সভাপতি, ৰমেশ ৰাভাক উপ-সভাপতি, খগেন চন্দ্ৰ ৰাভাক সাধাৰণ সম্পাদক, বিজয় কৃষ্ণ বেজবৰুৱাক সহকাৰী সাধাৰণ সম্পাদক, শান্তি বড়ো, শান্তিৰাম ৰাভা আৰু ৰাজীৱলোচন বড়োক উপদেষ্টা ৰূপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰাৰ উপৰিও কে'বাখনো উপ-সমিতি গঠন কৰিছে। উদ্‌যাপন সমিতিয়ে প্ৰায় ৪ বিঘা মাটিকালি সামৰি নিৰ্মাণ কৰা মন্দিৰ, ৰঙ্গমঞ্চ, দুৰ্গাপূজা স্থান, বুঢ়া থানৰ উপৰিও মুখ্য তোৰণ আদি সজাই-পৰাই তুলি ভক্তসকলৰ বাবে আকৰ্ষণীয় কৰি তুলিবলৈ উঠিপৰি লাগিছে। মন্দিৰৰ চৌহদ যিসকল দাতাৰ দ্বাৰা পকীবেৰ নিৰ্মাণ কৰিছিল সেই বেৰসমূহ ন-ৰূপত সজাই-পৰাই ৰঙীন কৰি তুলিছে। এক কথাত ক'বলৈ গ'লে মন্দিৰৰ চৌপাশ এতিয়া নান্দনিক হৈ পৰিছে। অহা ১ অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ চলিবলগীয়া শাৰদীয় দুৰ্গোৎসৱৰ প্ৰতিটো দিনতে ৰাখিছে আৰ্কষণীয় কাৰ্যসূচী। দুৰ্গা পূজাৰ প্ৰথম দিনটোৰ পুৱা পতাকা উত্তোলন কাৰ্যসূচীৰে সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজাৰ কাৰ্যসূচী শুভাৰম্ভ কৰিব উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ বড়োৱে। ইয়াৰ পাছতে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিব ৮.৩০ বজাত। সন্ধিয়া ৫.৩০ বজাত আয়তীৰ নাম, ৬ বজাত সমাজ সেৱক দৰ্পণ ৰাভাই বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰিব। ৬.২৩ বজাত শ্ৰীশ্ৰী শাৰদীয় দুৰ্গা দেৱীৰ কল্পাৰম্ভ, ষষ্ঠীৰ বিহিত পূজা, দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস। দ্বিতীয় দিনা অৰ্থাৎ ২ অক্টোবৰৰ সন্ধিয়া ৬ বজাত '৪৫৭সংখ্যক টংলেশ্বৰী থানৰ চমু ইতিবৃত্ত' শীৰ্ষক স্মৰণিকাৰ মুখ্য উন্মোচক হিচাপে আমন্ত্ৰণ কৰা হৈছে বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক। উন্মোচক হিচাপে খালিং দুৱাৰ পৰিষদৰ পাৰিষদ দিলীপ কুমাৰ বড়ো উপস্থিত থাকিব। একেদৰে মহাসপ্তমী, অষ্টমী, নৱমীত ওজাপালি অনুষ্ঠান, বোলছবি প্ৰদৰ্শন, নাম প্ৰসংগৰ উপৰি বিভিন্ন আকৰ্ষণীয় কাৰ্যসূচী থাকিব। আনহাতে মহাঅষ্টমীত প্ৰতিবছৰৰ দৰে এই বলিও দুটাকৈ দেৱীৰ যুগল চৰণত উচৰ্গা কৰি ম'হ বলি দিয়া হ'ব। হাজাৰ হাজাৰ ভক্তৰ উপস্থিতি আৰু ভিৰে কোনো কাৰণতে যাতে শান্তি-শৃংখলা ভংগ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি শতাধিক স্বেচ্ছাসেৱক সাজু কৰি তুলিছে উদ্‌যাপন সমিতিয়ে। অষ্টমী আৰু নৱমীত ভক্তসকলে তেওঁলোকৰ মনৰ বাঞ্ছা পূৰণাৰ্থে উচৰ্গা কৰা হাঁহ, পাৰ, ছাগলী আদি আগবঢ়াব পাৰিব। সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীৰ লগতে গুৱাহাটীৰ চয়নিকা দাস আৰু মনোৰঞ্জন ৰাভাই গীতৰ শৰাই আগবঢ়াব।

NEMCARE
Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৭ ছেপ্টেম্বৰ ■ ২০২২ ■ ১০ আহিন

# ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আৰু চৰকাৰৰ দায়িত্ব

অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিৰ বিষয়টো ৰাজ্যখনৰ চৰ্চিত বিষয় বুলিয়েই বিবেচিত। কাৰণ প্ৰতিটো নিৰ্বাচনৰ আগে আগে এই বিষয়টোৱে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কেৱল এটা নিৰ্বাচনী ইছ্যু হিচাপে গণ্য কৰি অহাটো ৰাজ্যবাসীয়ে বুজিবলৈ বাকী নাই। কিন্তু দুয়োখন চৰকাৰেই প্ৰতিটো নিৰ্বাচনৰ পূৰ্বে অসমৰ জনসাধাৰণক প্ৰতিশ্ৰুতিৰ বন্যাৰে বোৱাই আহিছে। অসমৰ বাহিৰে উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ, তামিলনাডু, কৰ্ণাটক আৰু ছত্তীশগড়ৰ পোন্ধৰটাকৈ জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা দিয়াৰ কথা প্ৰকাশ পালে যদিও অসমৰ নাম তালিকাত প্ৰকাশ নাপালে। অথচ সেইদিনাই অসম বিধানসভাত বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছিল। চৰকাৰ দুখনে এই বিষয়টোৰ ওপৰত গুৰুত্ব নিদিয়াৰ কথা ইতিমধ্যে ৰাইজে বুজিবলৈ বাকী নাই। কাৰণ অসম চৰকাৰে নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ গঠন কৰা মন্ত্ৰী গোটৰ প্ৰতিবেদন চূড়ান্ত নোহোৱাৰ কথা প্ৰকাশ পাইছে। এইক্ষেত্ৰত মন্ত্ৰী গোটে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা দিলে বৰ্তমানৰ জনজাতিৰ মৰ্যাদা লাভ কৰাসকলৰ কেনো ক্ষতি নহয়, তাক প্ৰতিবেদনত উল্লেখ কৰি কেন্দ্ৰলৈ পঠোৱাৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছিল। কাৰণ সংবিধানৰ গণ্ডীত এই ছয়গোষ্ঠীক বিচাৰ কৰাৰ দায়িত্বও মন্ত্ৰী গোটে অনুমোদনৰ দায়িত্ব। যিহেতু তাৰ ওপৰতে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ প্ৰক্ৰিয়াটো আগবঢ়াব। উল্লেখযোগ্য যে ২০১৯ চনত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এই মন্ত্ৰী গোট গঠন কৰা হৈছিল যদিও মন্ত্ৰী গোটৰ স্থিতিৰ কোনো ঘোষণা ৰাইজে জানিব পৰা নাই আৰু এই কথা যোৱা বিধানসভাত স্পষ্ট হৈছে যে চৰকাৰী পক্ষই বিষয়টোত গুৰুত্ব নিদি ২০১৪ চনৰ নিৰ্বাচনত ক্ষমতালৈ অহাৰ পিছত বিষয়টো একপ্ৰকাৰ পাহৰি পেলাইছিল। কিন্তু পিছৰ বিধানসভা আৰু সংসদৰ নিৰ্বাচনৰ সময়ত বিষয়টোৱে গুৰুত্ব পাইছিল আৰু ছয় জনগোষ্ঠীক আশ্বাসো প্ৰদান কৰা হৈছিল। অথচ কাৰ্যক্ষেত্ৰত একোৱেই আগবঢ়া নাছিল, বৰং চৰকাৰৰ সদিচ্ছাৰ অভাৱহে পৰিলক্ষিত হয়। কোনো এখন চৰকাৰেই বিষয়টোৰ সমস্যা সমাধানৰ কোনো চিন্তাই কৰা নাই, আনকি বিজেপি দলে কেৱল প্ৰতিশ্ৰুতি দিয়েই দায়িত্ব সাৰিলে। অথচ জনগোষ্ঠীকেইটাৰ প্ৰতিশ্ৰুতিৰ কোনো ব্যৱস্থাই নল'লে। আনহাতে, জনগোষ্ঠীকেইটা ভাঙিবলৈ চৰকাৰে বিভিন্ন কৌশল অৱলম্বন কৰিলে। আনকি জনগোষ্ঠীয় ঐক্য মঞ্চ ভাঙিবলৈ যত্ন নকৰাকৈ থকা নাই। তৎসত্ত্বেও জনগোষ্ঠীকেইটাই সংগ্ৰাম তীব্ৰতৰ কৰাৰ হুংকাৰ দিছে। পৰিস্থিতি অধিক গুৰুতৰ হোৱাৰ আগেয়ে সমস্যাটো সমাধানৰ বাবে চৰকাৰ আগবাঢ়ি আহিব লাগে। নহ'লে ৰাজনৈতিকভাৱে হ'লেও সমস্যাটো শেষ কৰিলেহে ভয়াৱহ পৰিণতিৰ পৰা ৰাজ্যখন ৰক্ষা পৰিব। তাৰ বাবে কিন্তু চৰকাৰ দুয়োখনেই জবাবদিহি হ'ব লাগিব।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# প্ৰসংগ ঃ মহাৰাষ্ট্ৰ আৰু বিহাৰৰ চৰকাৰ পতা আৰু ভঙাৰ ৰাজনীতি

মহাৰাষ্ট্ৰৰ সকলোতকৈ জ্যেষ্ঠ সক্ৰিয় ৰাজনৈতিক নেতা হৈছে পাৱাৰ। মহাৰাষ্ট্ৰত যোৱা বিধানসভা নিৰ্বাচনত কোনো এটা দলে একক সংখ্যাগৰিষ্ঠতা পাবলৈ সক্ষম হোৱা নাছিল। সেয়েহে কোনো এটা দলৰে অকলে চৰকাৰ গঠন কৰিব পৰা শক্তি নাছিল। সকলোৱে ভাবিছিল ৰাষ্ট্ৰীয় দল ভাৰতীয় জনতা পাৰ্টী আৰু মহাৰাষ্ট্ৰৰ উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনা দলে চৰকাৰ গঠন কৰিব। কিন্তু কথা ওলোটাহে হৈছিল। পাঁচবছৰীয়া কাৰ্যকালৰ মুখ্যমন্ত্ৰীৰ চকীখনক লৈ দুয়োটা দলৰ মাজত ৰাজনৈতিক সংঘাতে দেখা দিছিল। শিৱসেনাৰ চৰ্ত আছিল মুখ্যমন্ত্ৰীৰ পদবী ৫০-৫০ হ'ব লাগিব। ভাৰতীয় জনতা পাৰ্টী উক্ত বিষয়ত সন্মত নাছিল আৰু সংঘাতে চৰম পৰ্যায় পাইছিলগৈ। শেষত উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই কংগ্ৰেছ আৰু এন চি পিৰ সহায়ত চৰকাৰ গঠন কৰাৰ দৰে ঘটনা ঘটিছিল। যিটো সাধাৰণ জনতাৰ দৃষ্টিত ৰাজনীতিৰ অবৈধ সম্পৰ্ক বুলি ক'ব পাৰি। কাৰণ বিজেপি আৰু শিৱসেনাক ভোট দিয়া ভোটাৰসকল নিশ্চয় কংগ্ৰেছ আৰু এন চি পিবিৰোধী আছিল। তেওঁলোকে কেতিয়াও দুই বিপৰীত মেৰুত (আদৰ্শগত) অৱস্থান কৰা দল একত্ৰিত হৈ চৰকাৰ গঠন কৰাটো কামনা কৰা নাছিল। কিন্তু ৰাজনীতিৰ চানক্যৰূপে ইতিমধ্যে সমগ্ৰ ভাৰতবৰ্ষতে পৰিচয় লাভ কৰা বৰ্তমানৰ গৃহমন্ত্ৰী পদ অলংকৃত কৰা অমিত শ্বাহ ডাঙৰীয়াই জানো নিধিৰাম চৰ্দাৰ হৈ বহি থাকিব চতুৰ ৰাজনৈতিক নেতাই সদায় বিৰোধীৰ দুৰ্বলতা বিচাৰে। আনহাতে, তেতিয়াৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে ডাঙৰীয়াই অপৰিপক্কতাৰ পৰিচয় দিছিল। কেৱল মাত্ৰ চৰকাৰ চলাব লাগে বুলি ভাবি সম্পূৰ্ণ কংগ্ৰেছ আৰু এন চি পি দলৰ ওপৰত নিৰ্ভৰশীল হৈছিল। সেই সুবিধা গ্ৰহণ কৰিছিল সুযোগ সন্ধানী বিজেপি দলে। বিজেপি দলে মনে মনে একনাথ সিন্দেক মুখ্যমন্ত্ৰী পতাৰ যো-জা চলাইছিল আৰু বিজেপিৰ সাহসত (গোপনে) সিন্দেই দলত বিসম্বাদৰ সৃষ্টি কৰিছিল। আধাতকৈ বেছি বিধায়ক সিন্দেৰ গোটত আহিছিল আৰু থাকৰেৰ চৰকাৰ সংখ্যালঘুত পৰিণত হৈ মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰিব লগা হৈছিল। এই সম্পৰ্ক বেছি দিন নচলে বুলি অধিকাংশ ভাৰতবৰ্ষৰ নাগৰিকে জানিছিল, কাৰণ সম্পৰ্কটোৱেই সম্পূৰ্ণ বেলেগ হৈছিল। সকলো কামৰে এটা সীমা থাকে। ভাৰতীয় জনতা পাৰ্টীয়ে যে বহি নাথাকে সেয়া ভাৰতবৰ্ষৰ জনসাধাৰণে জানিছিল। সেয়ে পতা-ভঙাৰ খেলখন চলিয়ে আছে আৰু ৰাজনীতিত সকলো সম্ভৱ বুলি কোৱা কথাষাৰৰ সত্যতা প্ৰমাণ কৰি দেখুৱাই দিছে।

এইবাৰ আহিছো উত্তৰ-পূবৰ ৰাজনৈতিকভাৱে চৰ্চিত ৰাজ্য বিহাৰলৈ। ভাৰতীয় নাগৰিকে এতিয়া নাটকীয় পৰিৱৰ্তন দেখিবলৈ পালে বিহাৰত। বিহাৰত অষ্টমবাৰৰ বাবে মুখ্যমন্ত্ৰীৰূপে শপত লৈছে নীতিশ কুমাৰে। আনহাতে, উপ-মুখ্যমন্ত্ৰীৰূপে শপত লৈছে লালুৰ সুযোগ্য পুত্ৰ সন্তান তেজস্বী যাদৱে। বিহাৰত জে ডি ইউ, কংগ্ৰেছ আৰু আৰ জে ডিকে ধৰি সাতটা দলৰ সমৰ্থন তথা ১৬৪বিধায়কৰ সমৰ্থনেৰে পুনৰ শাসনৰ বাঘজৰী বিহাৰী বাবু নীতিশ কুমাৰে নিজৰ হাতলৈ লৈ গ'ল। চতুৰ ৰাজনীতিক হিচাপে পৰিচিত তথা দীৰ্ঘদিন এন ডি এৰ সহযোগী (মাজতে বিচ্ছিন্ন হৈছিল) হৈ থকাৰ পিছতো বিজেপিৰ পৰা একাষৰীয়াকৈ ওলাই গৈ বিৰোধী দলৰ সৈতে চৰকাৰ গঠন কৰাৰ কাৰণ কি? নিশ্চয় কাৰণ আছে। সংবাদ মাধ্যমত পোৱা মতে যোৱা কিছু দিন ধৰি নীতিশ কুমাৰ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ ওপৰত ক্ষোভিত আছিল। তেওঁ প্ৰধানমন্ত্ৰীৰ লগত বৈঠকতো অংশগ্ৰহণ কৰা নাছিল। তেওঁ ক্ষোভিত হোৱাৰ বহুতো কাৰণ আছে যদিও জে ডি ইউৰ নেতা আৰ চি পি সিঙক তেওঁৰ অজ্ঞাতে মন্ত্ৰীসভাত স্থান দিয়াটোকেই মূল কাৰণ বুলি কোৱা হৈছে। আৰ চি পি চিঙক মন্ত্ৰিত্ব প্ৰদানৰ জৰিয়তে নীতিশ কুমাৰক দুৰ্বল কৰাৰ এক কৌশল ৰচনা কৰা বুলি কোৱা হয়। সেয়েহে নীতিশ কুমাৰে আৰ চি পি সিঙক পুনৰবাৰ ৰাজ্যসভালৈ নিৰ্বাচিত কৰি পঠিয়াই নিদিলে। ফলস্বৰূপে সিঙে মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য হয়। ভাৰতৰ ৰাজনীতিত নীতিশ কুমাৰ নিকা ভাবমূৰ্তিৰ ব্যক্তি বুলি এক সুকীয়া স্থান আছে। তেওঁ সদায় বাচি খাবা জাগি শুবা নীতি গ্ৰহণ কৰে। উদ্ধৱ থাকৰেৰ ভয়ৰ ভূতটোৱে যেন তেওঁকো পিছ নেৰিলে। শেষত বিজেপিৰ পৰা আঁতৰি অহাটোৱে মংগল বুলি ভাবি তেওঁ আঁতৰি আহিল আৰু পূৰ্বৰ বিৰোধী দলৰ সৈতে চৰকাৰ গঠন কৰিলে। ৰাজনীতিত সকলো সম্ভৱ বুলি কোৱা কথাষাৰ পুনৰ সত্য প্ৰমাণিত কৰি দেখুৱালে। কিন্তু ৰাজনৈতিক দল বা ব্যক্তিয়ে নিজৰ স্বাৰ্থৰ কাৰণে যিয়ে নকৰক দেশৰ উন্নয়নে মূল লক্ষ্য হোৱা উচিত। বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰই চিৰদিনৰ বাবে ভাৰতবৰ্ষৰ বুকুত শক্তিশালী হৈ জয়গান গাওক তাৰে কামনা কৰিলোঁ।

**কমলেশ কাঞ্চন**
ফোন ঃ ৭০০২৪-২৩৭৯৯

## ধৰালৈ মা দুৰ্গা...

# সকলো সমস্যাৰে সমাধান হওক দেৱীৰ আশীৰ্বাদত

ভূপেন মহন্ত



'যা দেৱী স্বৰ্বভূতেষু
শক্তিৰূপেন সংস্থিতা
নমঃস্তস্যৈ নমঃস্তস্যৈ নমঃস্তস্যৈ
নমো নমঃ'

শৰতৰ আগমনৰ লগে লগে ধৰালৈ নামি আহিছে এক নান্দনিক পৰিৱেশ। ইয়াৰ লগে লগে মৰ্ত্যলৈ নামি আহিছে শক্তিৰ অধিষ্ঠাত্ৰী, মাতৃৰূপা দেৱী দুৰ্গা। মৰ্ত্যলোকত চলিছে এতিয়া দেৱী দুৰ্গাৰ আৰাধনা, পূজা-অৰ্চনাৰ বিশাল আয়োজন। ঢাকৰ শব্দত চৌ দিশে ৰজনজনাই উঠিছে ধৰা। দেৱী দুৰ্গাৰ পূজা-অৰ্চনা, বন্দনাক কেন্দ্ৰ কৰিয়েই হিন্দু লোকসকলৰ মাজত প্ৰচলিত বৃহত্তম ধৰ্মীয় আৰু সামাজিক উৎসৱ দুৰ্গা পূজা বা দুৰ্গোৎসৱ। আহিন মাহৰ শুক্লপক্ষত পালন কৰা হয় শাৰদীয় দুৰ্গা পূজা। বসন্ত কালতো দুৰ্গা পূজা অনুষ্ঠিত কৰা হয়। এই পূজাভাগক বাসন্তী পূজাৰূপে পালন কৰা হয়। ভাৰতবৰ্ষত সৰ্বত্ৰ দুৰ্গা পূজা অনুষ্ঠিত কৰা হয় যদিও পশ্চিমবংগ, ত্ৰিপুৰা, অসম, বিহাৰ, ঝাৰখণ্ড, ওড়িশা আদি ৰাজ্যত অতি ধূমধামেৰে দুৰ্গা পূজা পালন কৰা হয়। আহিন মাহৰ ষষ্ঠ দিনা অৰ্থাৎ ষষ্ঠীৰ পৰা এই পূজা আৰম্ভ হৈ দশমীত দেৱী বিসৰ্জনেৰে পূজাৰ সামৰণি মৰা হয়। পূজা যথাক্ৰমে দুৰ্গা ষষ্ঠী, মহাসপ্তমী, মহাঅষ্টমী, মহানৱমী আৰু বিজয়া দশমী হিচাপে পালন কৰা হয়। দুৰ্গা পূজা প্ৰথমে বসন্ত কালতহে প্ৰচলন আছিল। কিন্তু আখ্যান অনুসৰি ৰামচন্দ্ৰই মহা প্ৰতাপী ৰাৱণক বধ কৰিবৰ বাবে শৰৎ কালত দেৱী পূজাভাগ কৰিছিল। আৰু তেতিয়াৰে পৰা শৰৎ কালত শাৰদীয় দুৰ্গা পূজাৰ প্ৰচলন হৈ আহিছে। যি কি নহওক— বৰ্তনাম দুৰ্গা পূজাই আনন্দোৎসৱলৈহে ৰূপান্তৰিত হ'ব ধৰিছে। এতিয়া পূজাত ধৰ্মীয় অনুভূতিতকৈ জাকজমকতাইহে অধিক প্ৰাধান্য পাই আহিছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে অসমতো দুৰ্গা পূজাৰ বৃহৎ আয়োজন প্ৰতিবছৰে কৰি আহিছে। পূজাৰ নামত অকল আলোকসজ্জাৰ নামতে কোটি কোটি টকা অসমৰ পৰা বাহিৰলৈ গুচি গৈছে। পূজাৰ আন আন সম্ভাৰৰ কথা নক'লোৱেই যেনিবা। এয়া আমাৰ দৰে আৰ্থিক সমস্যাৰে জৰ্জৰিত ৰাজ্যখনৰ বাবে শুভ লক্ষণ নিশ্চয় নহয়। এতিয়া দুৰ্গা পূজা বুলি ক'লে লাউডস্পিকাৰত উচ্চস্বৰত হিন্দী গানৰ লহৰ, আলোকসজ্জাৰ প্ৰতিযোগিতা, কোনখন পূজাত কিমান বৃহৎ আকাৰৰ মা দুৰ্গাৰ মৃন্ময় মূৰ্তি স্থাপন কৰিব পাৰি, চান্দা-বৰঙণি দাবী আদি এইবোৰেহে যেন প্ৰথম স্থান পাবলৈ সক্ষম হৈছে। অৱশ্যে এতিয়াও কিছুসংখ্যক পূজা এনেবোৰ বাহ্যিকতাৰ পৰা বাহিৰত আছে অথবা ধৰ্মীয় পৰম্পৰা সঠিকভাৱে পালন কৰি আহিছে। বিগত দুটা বছৰধৰি বিশ্বজুৰি সৰ্বগ্ৰাসী ৰূপ লোৱা ক'ভিড মহামাৰীৰ ফলত দুৰ্গা পূজা একেবাৰ অনুষ্ঠুপীয়াকৈ পালন কৰা হৈছিল। আনহাতে, কোনো কোনো ঠাইত পূজা অনুষ্ঠিত কৰা হোৱাই নাছিল। কিন্তু বৰ্তমান সেই পৰিৱেশ নাই। ক'ভিড মহামৰীৰ পৰা দেশ এতিয়া মুক্ত। কিন্তু একেবাৰে শংকামুক্ত পৰিৱেশ এটাও বৰ্তমান হোৱাগৈ নাই। তথাপি ৰাইজ এতিয়া শংকামুক্ত। চৰকাৰী সাৱধানতাৰ নিৰ্দেশ থকাৰ পিছতো অতি উলহ-মালহেৰে এইবাৰ দুৰ্গা পূজা অনুষ্ঠিত কৰিবলৈ সাজু হৈছে সকলো ধৰ্মপ্ৰাণ ৰাইজ। অৱশ্যে পাৰভঙা উছাহ এইবাৰো পৰিলক্ষিত হোৱা নাই। ইয়াৰ কাৰণ বহুতো যদিও প্ৰধান কাৰণটোৱেই হ'ল সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি। ক'ভিডে এৰি থৈ যোৱা দুৰ্দশাত পৃষ্ঠ আজি জনসাধাৰণ। এতিয়াও অৰ্থনৈতিকভাৱে ৰাজহাড় পোন কৰি থিয় হ'ব পৰা নাই সাধাৰণ জনতা। মূল্যবৃদ্ধিৰ প্ৰকোপত বৰ্তমান সাধাৰণ জনতা বজাৰমুখী হ'বলৈকে সাহস গোটাব পৰা নাই। সেয়ে পূজালৈ মাত্ৰ কেইটামান ক্ষণ থকাৰ পিছতো উত্তৰ-পূবৰ ব্যৱসায়িক প্ৰাণ কেন্দ্ৰ ফাঁচী বজাৰত নাই পূৰ্বৰ উছাহপূৰ্ণ পৰিৱেশ। বিক্ৰেতা আছে কিন্তু ক্ৰেতাৰ অভাৱ। সকলো প্ৰতিকূল পৰিস্থিতিকো নেওচি মহিষ মৰ্দিনী, বিপদনাশিনী মা দুৰ্গাৰ আশিস ল'বলৈ উদ্বাউল হৈ পৰিছে বিভিন্ন স্তৰৰ ৰাইজ। কিন্তু এনেদৰে উদ্বাউল হৈ থকাৰ পিছতো, উখল-মাখল পৰিৱেশৰ পিছতো মানুহ আজি বজাৰমুখী হ'ব পৰা নাই। নাই বজাৰৰ পূৰ্বৰ সেই ৰমৰমীয়া পৰিৱেশ। পূজালৈ মাত্ৰ কেইটামান মুহূৰ্ত থকাৰ পিছতো পূজাৰ বজাৰ আজি মণ্ড। ক'ভিডকালীন সময়ৰ পিছত এইবাৰ আকৌ পূৰ্বৰ পৰিৱেশ ঘূৰি আহিব বুলি ভবা হৈছিল যদিও মহিষাশূৰৰ সন্ত্ৰাসতকৈয়ো ভয়ানক মূল্যবৃদ্ধি নামৰ দৈত্যটোৰ সন্ত্ৰাসৰ বাবেই পূৰ্বৰ সেই অৱস্থা এতিয়াও ঘূৰি অহা নাই। আজিও সাধাৰণ বিস্কুত এপেকেটৰ পৰা আৰম্ভ কৰি নিত্য-প্ৰয়োজনীয় সামগ্ৰী, কাপোৰ, প্ৰসাধন আদি সকলোতে মূল্যবৃদ্ধি নামৰ দৈত্যটোৰ অবাধ আধিপত্য।

আচৰিত কথা, বৰ্তমানো নিৰ্বিকাৰ চৰকাৰ-প্ৰশাসন। শাক-পাচলিৰ পৰা আৰম্ভ কৰি খাদ্য-সামগ্ৰীৰ উপৰি সকলো বস্তুৰে ঊৰ্ধ্বমুখী মূল্যবৃদ্ধিৰ পিছতো এবাৰো মুখ খোলা নাই প্ৰশাসনে। এই পূজাৰ বতৰতো মূল্যবৃদ্ধিৰ প্ৰতিবাদত আন্দোলন কৰিব লগা অৱস্থা। আনহাতে, বিদ্যুতৰ উচ্চ নিৰিখৰ বিলেও তাল-ফাল লগাই আছে বৰ্তমান ৰাজ্যখন। পূজাৰ বতৰৰ ধামখুমীয়াতে আমাৰো চৰকাৰলৈ অনুৰোধ— বৰ্তমানলৈ বহু ভাল কাম কৰি আহিছে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে সেয়া অনস্বীকাৰ্য। কিন্তু মূল্যবৃদ্ধি ৰোধ কৰাৰ দৰে ভাল কামটোও কৰি ৰাইজক সকাহ দিয়ক চৰকাৰে। ৰাইজে তেতিয়া আৰু ভাল পাব। সকলো ক্ষেত্ৰতে হেঁচি ৰখাৰ প্ৰৱণতা পৰিহাৰ কৰি সকলো কথাতে সমানে গুৰুত্ব আৰোপ কৰিলে, সকলোৰে অভাৱ-অভিযোগবোৰ মনোযোগেৰে শুনিলে সকলোৰে বাবে মংগলজনক হ'ব। পূজাৰ এই মহঙা দিনত কোনোবাই ৰাজভোগ কৰিব আৰু কোনোবাই লঘোণ থাকিব সেইটো বৰ পৰিতাপৰ কথা হ'ব। গতিকে কথাবোৰ ভালদৰে সকলোৱে চিন্তা কৰিলে সকলোৰে বাবেই ভাল হ'ব। মা দুৰ্গাৰ ওচৰত তাকেই প্ৰাৰ্থনা। কিছুমান সুবিধা, আঁচনি ঘোষণাৰে একাংশ লোকক হিতাধিকাৰী সজোৱাতকৈ মূল্যবৃদ্ধি আদিৰ দৰে বৃহৎ সমস্যাবোৰ সমাধান কৰিলে সমগ্ৰ অসমবাসীয়েই চৰকাৰৰ হিতাধিকাৰী হোৱাৰ সুযোগ পাব। তেনে কৰিলে জনতাৰো উপকাৰ হ'ব আৰু চৰকাৰৰো লাভ হ'ব। আজি মূল্যবৃদ্ধিৰ লগে লগে বিভিন্ন ক্ষেত্ৰত অত্যধিক কৰ-কাটলেও জনতাক জুৰুলা কৰিছে। এনেবোৰ সমস্যাত কক্‌বকাই থকা জনতাই সেইবোৰৰ পৰা নিবৃত্তি বিচাৰিছে। দেৱী মা দুৰ্গাৰ ওচৰত তাকেই কামনা সকলোৰে। ক'ভিড মহামাৰীৰ দৰে মূল্যবৃদ্ধিৰ ভয়ত যাতে সাধাৰণ জনতা পূজাৰ আনন্দৰ পৰা আঁতৰি থাকিব লগা নহয়, তাৰেই উপায় বিচাৰিছে ৰাইজে। শেষত দুৰ্গতিনাশিনী দেৱাৰ দুৰ্গাৰ আশিস লৈ কুশলে থাকক সকলো। হিংসা, কপটতা, কু-চিন্তা, বিদ্বেষ, কলুষতা সকলোৰে মনৰ পৰা দূৰ কৰক মা দুৰ্গাই।

ফোন ঃ ৭৮৯৬১-৩৭২৬৪

# প্ৰকৃতি সংৰক্ষণ আৰু ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব

■ ভাস্কৰজ্যোতি কুটুম

একবিংশ শতিকাত প্ৰকৃতি সংৰক্ষণক লৈ চিন্তনীয় বিষয় হৈ পৰিছে। কিয়নো প্ৰকৃতিৰ ধ্বংসলীলাৰ কাৰণে বৰ্তমান সময়ত পৃথিৱীত সঘনাই জলবায়ু পৰিৱৰ্তন হোৱা দেখিবলৈ পাইছোঁ। কিন্তু জীৱশ্ৰেষ্ঠ মানুহে প্ৰকৃতিৰ সংৰক্ষণৰ নামেৰে কেৱল গছপুলি ৰোপণৰ এক কাৰ্যসূচীতে সীমাবদ্ধ ৰখা দেখিবলৈ পাইছোঁ। যাৰ ফলত গছপুলি ৰোপণ এক ৰাজনৈতিক কাৰ্যসূচীলৈ ৰূপান্তৰিত হৈছে বুলি গণ্য কৰিব পাৰি। সেই কাৰণে গছপুলি ৰোপণ কাৰ্যসূচীবোৰ কেৱল কেইঘণ্টামানলৈহে সীমিত হৈ থাকে। যাৰ ফলত যিকোনো সভাই-সমিতিয়ে গ্ৰহণ কৰা গছপুলি ৰোপণ কাৰ্যসূচী কেৱলমাত্ৰ এটা কাৰ্যসূচী হিচাপে থাকি যোৱা পৰিলক্ষিত হৈছে। যদিহে যিকোনো সভাই-সমিতিয়ে গ্ৰহণ কৰা গছপুলি ৰোপণ কাৰ্যসূচী প্ৰকৃতে সফল হোৱা হ'লে বৰ্তমালৈ পৃথিৱীখন সম্পূৰ্ণৰূপে নহ'লেও প্ৰায় ৮০ শতাংশ সেউজীয়া হৈ উঠাটো নিশ্চিত আছিল। কিন্তু সাম্প্ৰতিক সময়ত যিকোনো সংস্থাবোৰে প্ৰকৃতি সংৰক্ষণৰ নামত লাখ লাখ টকা খৰচ কৰি কেৱল মাত্ৰ এখন মিটিঙৰ কাৰ্যসূচীতে সীমাবদ্ধ ৰাখি যোৱা দেখিবলৈ পাওঁ। যাৰ ফলত পৃথিৱীত জীৱকুল ধ্বংস হোৱাৰ উপক্ৰম হৈছে। কিন্তু পঞ্চ ইন্দ্ৰিয়জ্ঞানেৰে চিন্তা শক্তি থকা মানুহে এতিয়াও প্ৰকৃতি সংৰক্ষণৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা দেখিবলৈ পোৱা নাই। কিয়নো সাম্প্ৰতিক সময়ত জীৱশ্ৰেষ্ঠ মানুহে নিজৰ সুখ-সমৃদ্ধি বিলাসৰ বাবে প্ৰকৃতিক সময়ে সময়ে লুণ্ঠন কৰি আহিছে। কিন্তু প্ৰকৃতিৰ সকলো জীৱ আৰু উদ্ভিদৰ সৈতে মানুহৰ সম্বন্ধ নিবিড়। বৰ্তমানৰ মানুহে চিন্তা কৰি চাবলৈ সময়ৰ অভাৱ হোৱা দেখিবলৈ পাওঁ। তেওঁলোকে সময়ত পাহৰি যায় যে মানুহে প্ৰকৃতিৰ ওপৰত অত্যাচাৰ কৰাৰ অধিকাৰ নাই। কিন্তু মানুহৰ দৈনন্দিন সংখ্যা বৃদ্ধিৰ ফলস্বৰূপে প্ৰকৃতিৰ ওপৰত সৰ্বাধিক ক্ষতি অন্যায় সাধিছে। যাৰ ফলত প্ৰকৃতিৰ পৰা পাব লগা সুবিধাবোৰ পোৱাৰ সুবিধা চাবলৈ সকলোৰে সময়ৰ অভাৱ হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰগতিৰ সময়ত মানুহে প্ৰকৃতিৰ জৰুৰীৰ বিষয়ে অৱগত নহয়। সেয়ে সাম্প্ৰতিক সময়ত পৃথিৱীত দৈনন্দিন প্ৰকৃতি ধ্বংস দিশে গতি কৰিছে।

প্ৰকৃতিৰ সংৰক্ষণৰ ক্ষেত্ৰত সাম্প্ৰতিক সময়ত যুৱ-প্ৰজন্মৰ যথেষ্ট অৰিহণা যোগাব পাৰে। কিয়নো আজিৰ ছাত্ৰ-ছাত্ৰী কাইলৈৰ দেশৰ ভৱিষ্যৎ। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃতি সংৰক্ষণৰ প্ৰতি দায়বদ্ধ থাকিব লাগিব। তেওঁলোকে পঢ়ি থকা বিদ্যালয়খনৰ পৰা ঘৰৰ চৌপাশৰ পৰাই প্ৰকৃতি সংৰক্ষণৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। এজন ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ বিদ্যালয়ৰ চৌপাশত এজোপা গছ ৰোপণ কৰি তেওঁ নিৰ্দিষ্ট সময়লৈ প্ৰতিপালন কৰি গছজোপা ডাঙৰ-দীঘল কৰি বিদ্যালয়খনৰ পৰিৱেশৰ সৌন্দৰ্য কৰাৰ লগতে সকলোকে বিশুদ্ধ অক্সিজেন লোৱাত সহায় কৰিব পাৰে। তদুপৰি চৌপাশৰ সৌন্দৰ্যই সমগ্ৰ অঞ্চলতে বিদ্যালয়খনৰ মান বৃদ্ধি কৰে বুলি গণ্য কৰিব পাৰোঁ। এখন বিদ্যালয়ৰ পাঠদানৰ সমান্তৰালকৈ চৌপাশ চাফ-চিকুণ তথা সৌন্দৰ্য হোৱাটো অতিকৈ আৱশ্যক। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বিদ্যালয়ত নৱাগত আদৰণী সভা, শিক্ষক দিৱস, শিল্পী দিৱস, ৰাভা দিৱস আদিত গ্ৰহণ কৰা গছপুলি ৰোপণৰ দৰে মহত্ত্বপূৰ্ণ কাৰ্যসূচীক বাস্তৱ ৰূপ দি গছ জোপাক জীৱিত ৰাখিবলৈ যত্ন কৰিব লাগিব, তেতিয়া ভৱিষ্যৎ দিনত সেউজীয়া পৃথিৱী গঢ়াৰ লগে লগে [illegible]

মানৱ জাতিৰ এক চিন্তনীয় বিষয় 'প্ৰকৃতি'। সমগ্ৰ বিশ্বখনেই প্ৰকৃতিৰ অধীন। গতিকে সাম্প্ৰতিক সময়ত মানুহে জানি-বুজি কৰা ভুলৰ বাবে প্ৰকৃতিলৈ দুৰ্যোগ নামি অহা কথাটোৱে ভৱিষ্যৎ দিনত সমগ্ৰ মানৱ জাতিলৈকে কাল অমানিশা কঢ়িয়াই অনাৰ ইংগিত বহন কৰিছে। যিবোৰ নেতিবাচক কাৰ্যই প্ৰকৃতিৰ ভাৰসাম্যতালৈ ভাবুকি আনিছে, সেইবোৰ ছাত্ৰ-ছাত্ৰীসকলে সমাজত সজাগতা সৃষ্টি কৰিব লাগিব। য'ত আৰ্থ-সামাজিক, ৰাজনৈতিক আদিৰ দৰে কাৰকে প্ৰকৃতি ধ্বংস ক্ষেত্ৰখনত কাম কৰিছে, সেইবোৰ আমি চিনাক্ত কৰিব লাগিব। তেতিয়াহে মানসিকতাৰ পৰিৱৰ্তনেৰে সমগ্ৰ মানৱ জাতিয়ে প্ৰকৃতিৰ বাবে কৰ্তব্য আৰু দায়িত্বসমূহ সমাপন কৰিব পাৰিব। যদিহে আমি তেনেকুৱা কৰিব পাৰোঁ, তেতিয়া মানুহে নিশ্চিতভাৱে আনৰ চকুত ধূলি দি কাম কৰাৰ প্ৰৱণতা ত্যাগ কৰি নিষ্ঠাৰে প্ৰকৃতিক ভাল পাবলৈ শিকিব। তদুপৰি বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰগতিৰ সময়ত এজন ছাত্ৰ বা ছাত্ৰীয়ে পৃথিৱীৰ ভিন্ন কোণত ব্যক্তিবিশেষে বা ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰকৃতিৰ বাবে কৰি থকা ভাল কামবোৰক আৰ্হি হিচাপে গ্ৰহণ কৰি প্ৰকৃতি সংৰক্ষণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। কিয়নো আমাৰ সমাজৰ মানসিকতাৰ পৰিৱৰ্তন আৰু সচেতনতা অতি গুৰুত্বপূৰ্ণ বুলি ভাবো। তদুপৰি এজন ছাত্ৰ বা ছাত্ৰীয়ে প্ৰকৃতি অধ্যয়নৰ বিষয়টোৰ প্ৰতি মৰ্যাদা প্ৰদান কৰিব লাগিব। তেওঁলোকে অন্যান্য দিশৰ লগতে মানুহে ভালপোৱা সাধনসমূহ মাধ্যমেৰে ভিন্ন ভিন্ন কৌশলেৰে প্ৰকৃতি সংৰক্ষণৰ বাবে শিক্ষাৰ ক্ষেত্ৰৰ পৰাও শিক্ষা গ্ৰহণ কৰি প্ৰকৃতিৰ প্ৰতি আকৃষ্ট হ'বলৈ চেষ্টা কৰিব লাগিব। তেতিয়াহে ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৃথিৱীখন চিৰ সেউজীয়া হৈ ৰ'ব বুলি গণ্য কৰিব পাৰি।

প্ৰকৃতি মানৱ জাতিৰ প্ৰাণীৰ প্ৰাণ। প্ৰকৃতি জীৱনদায়িনী। প্ৰকৃতি ব্যক্তি জীৱনৰ সঞ্জীৱনীসুধা। গতিকে ইয়াৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব সহজেই অনুমেয়। কিয়নো প্ৰকৃতিক সুৰক্ষা প্ৰদান কৰিলেহে 'গছ থাকিলে মানুহ থাকিব'— এই জাতীয় উক্তিক কেৱল শ্লোগান হিচাপে ন'লৈ হৃদয়ত স্থান দিব লাগিব। হৃদয়ৰ স্পন্দনেৰে জীন নিয়াব পাৰিলে প্ৰকৃতিলৈ সুস্থিৰতা উভতি আহিব বুলি আমি আশা কৰিব পাৰোঁ। জৈৱ-বৈচিত্ৰ্যৰ প্ৰাথমিক জ্ঞানেৰে শিক্ষিত হৈ সকলো প্ৰাণীকে সম-অধিকাৰেৰে পৃথিৱীত জীয়াই থাকিবলৈ সুবিধা প্ৰদান কৰি মানৱ ধৰ্ম পালনেৰে আমি সভ্যতাৰ পৰিচয় দিব লাগিব। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে হাতে হাত ধৰি প্ৰকৃতৰ ওপৰত হোৱা অত্যাচাৰবোৰ ৰোধ কৰিবলৈ আগবাঢ়ি আহিব লাগিব, তেতিয়াহে হেঁপাহৰ সেউজীয়াবোৰ ভৱিষ্যৎ দিনলৈ সেউজীয়া হৈয়ে থাকিব।

ফোন ঃ ৬০০৫০-১২৫৮১



(২৭ ছেপ্টেম্বৰ বিশ্ব পৰ্যটন দিৱস উপলক্ষে)

# পৰ্যটনৰ বাবে পুনৰায় বিবেচনা

■ নৱ ডেকা

ঔৎসুক্য মানুহৰ সহজাত প্ৰবৃত্তি। নজনাটো জানিবলৈ আৰু নেদেখাকৈ চাবলৈ অৰ্থাৎ নাড়ী-নক্ষত্ৰক জানিবলৈ দুৰ্বাৰ আকাংক্ষা মানুহৰ মাজত সততে বিৰাজমান। কৌতূহলী তৃষ্ণা নিবাৰণ বাবে, অভিজ্ঞতাৰ ভঁৰাল চহকী কৰাৰ বাবে, জ্ঞানৰ বন্তিগছি উজলাই তোলাৰ বাবে হওক নতুবা ব্যৱসায় বাণিজ্যৰ লগতে নয়ন তৃপ্তিৰ বাবে মানুহে দেশ-দেশান্তৰ ভ্ৰমণ কৰে সাধাৰণতে মানুহে। এনেদৰে দেশ-বিদেশৰ বিভিন্ন দৰ্শনীয় ঠাইবোৰ ভ্ৰমি বা চাই ফুৰা কাৰ্যক সৰলাৰ্থত পৰ্যটন বুলি কোৱা হয়।

কোৱাত বাহুল্য যে পৰ্যটন হৈছে অন্বেষণৰ এক অধ্যয়ন। এই অধ্যয়নৰ যোগেদি প্ৰাচীন শিপাৰ লগত সংযোগ স্থাপন কৰাত সহায়ক হয়। পাঠ্যপুথিলব্ধ অধ্যয়নেৰে যি জ্ঞান অৰ্জন কৰা হয় ভ্ৰমণৰ জৰিয়তে তাক পূৰ্ণতা সাধন কৰিব পাৰা যায়। দৰাচলতে ই এক জীৱন্ত শিক্ষণ প্ৰক্ৰিয়া, য'ত এজন ভ্ৰমণকাৰীয়ে নিজকে সংস্কৃতি, ভাষা, পৰম্পৰা আৰু জীৱনশৈলীৰ মাজত পৰিচয় দিয়াৰ লগতে পাৰস্পৰিক বুজা-পৰা, সংহতি সাধন, সাংস্কৃতিক বিনিময়, বিশ্ব ভ্ৰাতৃত্ববোধ এনাজৰীডাল সুদৃঢ় হোৱাত প্ৰতুল অৰিহণা যোগায়। ভ্ৰমণৰ এনে নান্দনিক সৌন্দৰ্যৰ বাবে কিজানি পাঁচশ বছৰৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জীৱন্ত কালত দুবাৰকৈ ভাৰতবৰ্ষ ভ্ৰমণ কৰিছিল। একেদৰে বিশ্ব-বিশ্ৰুত পৰিব্ৰাজক হিউৱেন চাং, ফাহিয়ান, ভাস্কো-ডি-গামা, কলম্বাছ, কেপ্টেইন কুকৰ নাম উনুকিয়াব পাৰোঁ। সেয়েহে কোৱা হয় কিজানি- 'নানা দেশ ফুৰে যি নানা কথা শিকে সি'।

এইটো উল্লেখৰ নিষ্প্ৰয়োজন যে পৰ্যটন অকল শিক্ষা, আমোদ-প্ৰমোদ আৰু নয়ন তৃপ্তিৰ আহিলা হৈ আছে এনে নহয় ই বিশ্বৰ এক বিশাল উদ্যোগলৈ পৰ্যবসিত হৈছে। দেশৰ নিবনুৱা সংস্থাপন, যাতায়াত আৰু যোগাযোগৰ দ্ৰুত উন্নয়ন, উদ্যোগ খণ্ডৰ উন্নয়ন, ঐতিহ্যমণ্ডিত ঠাইসমূহৰ সংৰক্ষণ আৰু সংবৰ্ধন, বিভিন্ন ৰাষ্ট্ৰৰ মাজত সৌহাৰ্দ্যপূৰ্ণ বাতাৱৰণ, জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আদি কৰি অতি গুৰুত্বপূৰ্ণ সাকাৰাত্মক ক্ৰিয়া-কলাপে পৰ্যটনক এটা আকৰ্ষণীয় উদ্যোগ হিচাপে ভাবিবলৈ বাধ্য কৰিছে। গতিকে দেশ এখনৰ আৰ্থ-সামাজিক পৰিকাঠামো গঠনত অনবদ্য অৱদান আগবঢ়োৱাৰ অৱকাশ থকা পৰ্যটন উদ্যোগৰ বিকাশৰ গতি ত্বৰান্বিত কৰিবলৈ সেয়েহে উঠি-পৰি লাগিছে সমগ্ৰ বিশ্ব। এতিয়া বিশ্বৰ প্ৰায়ভাগ ৰাষ্ট্ৰই পৰ্যটকসকলক আকৰ্ষিত কৰিবলৈ বিশেষ তৎপৰতা প্ৰদৰ্শন কৰা দেখা গৈছে। পৰ্যটকৰ সুবিধাৰ বাবে বিভিন্ন আঁচনি অৱলম্বন কৰাৰ লগতে এই শিতানত বিনিয়োগৰ সৰহভাগ মূলধন পৰ্যটন উদ্যোগৰ সু-পৰিকল্পিত আন্তঃগাঁথনি, সা-সুবিধা, নিৰাপত্তা, পৰিবহণ, পৰ্যটনস্থলীৰ শ্ৰীবৃদ্ধিৰ নামত বিনিয়োগ কৰা পৰিলক্ষিত হৈছে। ভাৰতবৰ্ষতো ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে বিস্তাৰ কৰিছে ক্ৰমান্বয়ে মহাৰাষ্ট্ৰ, দিল্লী, গোৱা, কৰ্ণাটক, তামিলনাডু, গুজৰাট, কেৰালা, ছিকিম, পঞ্জাৱ, তেলেংগানা ইত্যাদিত। ভাৰতবৰ্ষ দৰে আমাৰ অসমতো দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিবলৈ ৰাজ্য চৰকাৰে বলীউডৰ মোহময়ী অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰাক 'ব্ৰেণ্ড এম্বেছাডৰ' হিচাপে দুবছৰৰ বাবে চুক্তিবদ্ধ কৰাইছে।

প্ৰণিধানযোগ্য যে পৰ্যটন উদ্যোগ খণ্ডটোৱে আগবঢ়াব পৰা অৱদানৰ বিষয়ে সজাগতা আৰু সচেতনতা বৃদ্ধি কৰাৰ মানসেৰে প্ৰত্যেক বছৰে ২৭ ছেপ্টেম্বৰৰ দিনটো বিশ্ব পৰ্যটন দিৱস হিচাপে পালন কৰি অহা হৈছে ১৯৮০ চনৰ পৰা একোটা নতুন বিষয়বস্তু নিৰ্বাচিত কৰি ৰাষ্ট্ৰসংঘৰ অধীনস্থ বিশ্ব পৰ্যটন সংস্থাৰ তত্ত্বাৱধানত। এইবাৰৰ বিশ্ব পৰ্যটন দিৱস- ২০২২ ৰ মূল বিষয়বস্তু হ'ল— পৰ্যটনৰ বাবে পুনৰ বিবেচনা (RETHINKING TOURISM) ক'ভিড-১৯ অতিমাৰীৰ সংহাৰী ৰূপে উন্নত আৰু উন্নয়নশীল সকলো দেশৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক মূল্য আৰু বহনক্ষম উন্নয়নৰ কেউটা দিশকে বেয়াকৈ ক্ষতিগ্ৰস্ত কৰি দেশৰ অৰ্থনৈতিক ক্ষেত্ৰখন বাৰুকৈয়ে মহটিয়াই পেলোৱাৰ পৰিপ্ৰেক্ষিতত পৰ্যটন ক্ষেত্ৰখনৰ পুনৰুজ্জীৱিতকৰণৰ কথা ন কৈ চিন্তা কৰিবলগীয়া বাতাৱৰণ সৃষ্টি হৈছে। পৰ্যটন ক্ষেত্ৰখন অধিক বহনক্ষম, সামগ্ৰিক আৰু স্থিতিস্থাপকশীল হৈ উঠাৰ সংকল্পবদ্ধ হৈ এইবাৰ আনুষ্ঠানিকভাৱে ইণ্ডোনেছিয়াৰ দ্বাৰা আয়োজিত বিশ্ব পৰ্যটন দিৱসত মূলতঃ পুনৰ চিন্তা-চৰ্চাৰ ওপৰত বিশেষভাৱে জোৰ দিয়া হৈছে।

বিশ্ব পৰ্যটন দিৱসৰ এইবাৰৰ মূল বিষয়বস্তু 'পৰ্যটনৰ বাবে পুনৰ বিবেচনা' মূলমন্ত্ৰত দীক্ষিত হৈ যদি প্ৰচুৰ সম্ভাৱনাময় অসমী আইৰ পৰ্যটন ক্ষেত্ৰৰ উত্তৰণত মনোনিৱেশ আকৰ্ষণ কৰিব পাৰোঁ তেতিয়া নিশ্চয় অসমখনো আন দহখন ৰাজ্যৰ ভিতৰত অন্তৰ্ভুক্ত হৈ উঠিব। প্ৰথমে ৰূপে-গুণে চহকী, যি ফালে চকু ফুৰাও সেইফালেই দৃষ্টি নিবদ্ধ হোৱা প্ৰকৃতিৰ ৰম্যভূমি অসমখনৰ পৰ্যটনস্থলীবোৰৰ আন্তঃগাঁথনি সবলীকৰণৰ বাবে পুনৰ চিন্তা-চৰ্চা কৰিব লাগিব। দ্বিতীয়তে, গভীৰ চিন্তাত নিমগ্ন হোৱাৰ অৱকাশ আছে পৰ্যটনৰ সুৰক্ষিত থকা-মেলা, স্বাস্থ্যকৰ খোৱা-লোৱা, সুচল পৰিবহণ আদিৰ সু-বন্দৱস্তৰ ওপৰত। তৃতীয়তে, মনোনিৱেশ কৰিব লাগিব পৰ্যটনক্ষেত্ৰৰ অতি স্পৰ্শকাতৰ বিষয় পৰ্যটকৰ বাবে নিৰাপত্তা। চতুৰ্থতে, পৰ্যটকসকলে সহজে বোধগম্য হোৱাকৈ সাৱলীল আৰু পৰ্যটকৰ ভাষাত দৰ্শনীয় ঠাইবোৰ বিস্তাৰিত বৰ্ণনা দিয়া টুৰিষ্ট গাইডক সহজলভ্য কৰিব লাগিব। পঞ্চমতে, সহজ আৰু সুবিধাজনক ভ্ৰমণৰ বাবে সু-সংগঠিত আৰু সু-পৰিকল্পিত ব্যৱস্থাপনাৰ সু-বন্দৱস্ত কৰিব লাগিব। একেবাৰে শেষত একাংশ থলুৱা অসাধু ব্যক্তিয়ে অচিনাকি ব্যক্তিক প্ৰত্যক্ষ কৰিলে প্ৰৱঞ্চনা কৰাৰ যি বিকৃত মানসিকতাৰ পৰিচয় বহন কৰি আহিছে তাক পৰিৱৰ্তন কৰাৰ ওপৰত বিশেষভাৱে জোৰ দিব লাগিব।

সদৌ শেষত অৱতাৰণা কৰিব বিচাৰিছোঁ যে মানৱ মনৰ চাৰিত্ৰিক বৈশিষ্ট্য এটা হ'ল ভ্ৰমণ আকুলতা। আনহাতে, এই চলমান জগতৰ লগত খাপ খাই চলিবলৈ যিকণ বাস্তৱৰ অভিজ্ঞতাৰে পুষ্ট আৰু তুষ্ট হ'বলৈ প্ৰয়োজন তাক কুন্দত- কটা ৰূপত তুলি ধৰিবলৈ প্ৰয়াস কৰে ভ্ৰমণে। গতিকে ভ্ৰমণৰ বিশালতা আৰু গুৰুত্বতা কিমান সুদূৰপ্ৰসাৰী হয় তাক মৰ্মে মৰ্মে উপলব্ধি কৰি পৰ্যটন খণ্ডৰ উদ্‌গতিৰ বাবে অশুভসূচক চিন্তা-চেতনা পৰিহাৰ কৰি পুনৰ সুস্থ চিন্তা-চৰ্চা কৰিলে পৰ্যটন ক্ষেত্ৰখনে গৌৰৱময় ধ্বজা উৰুৱাবলৈ সক্ষম নোহোৱাৰ কোনো কাৰণ নাথাকিব।

ফোন ঃ ৭৫৭৬৮-৯৫৯৭০

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩



# লাহদৈগড় আৰক্ষী চকীৰ চাৰিওদিশে কদৰ্যময় পৰিৱেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৬ ছেপ্টেম্বৰ** ঃ যোৰহাটৰ অতি গুৰুত্ব পূৰ্ণ তথা প্ৰতি মুহূৰ্ততে ৰাইজৰ সমাগম থকা লাহদৈগড় আৰক্ষী চকীৰ জৰাজীৰ্ণ অৱস্থাত কাম-কাজ চলাইথকা পৰিলক্ষিত হৈছে। যোৰহাট জিলাৰ অতি ব্যস্ততা পূৰ্ণ অঞ্চল লাহদৈগড় চাৰিআলিত অৱস্থিত এই আৰক্ষী চকীটো স্বাধীনতাৰ কালতে প্ৰতিষ্ঠা হোৱা যদিও আজি পৰ্যন্ত জৰাজীৰ্ণ ৰূপটো শেষ নহ'ল। আৰক্ষী চকীটো প্ৰথমে সোমাই যোৱা কোঠা দুটাৰ বাদে প্ৰায়বিলাক ঠাইত ঘৰৰ বেৰ খিৰিকী এৰাই যোৱাৰ উপৰিও বৰষুণ দিলে পানী পৰা দেখা যায়। আৰক্ষী চকীৰ গাতে লাগি থকা টিনৰ চালিৰ তলতে চিপাহী কনিষ্ঠবলসকল থাকিব লগা হয়। ইয়াৰ উপৰিও লেট্ৰিন, প্ৰস্ৰাৱাগাৰ অৱস্থা অতি পুতৌজনক, ভাত ৰন্ধা ঠাইখনৰ পৰিৱেশ অতি দুখ লগা, যি ঠাইত ভাত ৰান্ধি খাই সেই ঠাই এক কল্পনা কৰিব নোৱাৰা পৰিৱেশ, আৰক্ষী চকীৰ কোনো খোৱা পানীৰ ব্যৱস্থা নাই। থানাৰ কাষতে থকা মুক্ত পুখুৰী পানী খাই আৰু গা ধোৱে। এই পানী ফিল্টাৰ কৰি লয় বুলি জনায়। আনহাতে থানাৰ কোৱাৰ্টাৰকেইটাৰ অৱস্থা অতী জৰাজীৰ্ণ বুলিব পাৰি। কিয়নো কোনোটো কোৱাৰ্টাৰৰ অৱস্থা ভাল নহয়। জানিব পৰা মতে লাহদৈগড় আৰক্ষী চকীত টীয়ক থানাৰ অধিক গোচৰ পঞ্জীয়ন হয়। চাওঁখাট, হাতীগড় আৰু হোলোঙাপাৰ মৌজা সামৰি থকা আৰক্ষী চকীটোত জাজীমুখ এটা অংশ সামৰি আছে। চাৰিলেণ্ড যুক্ত পথ অধিগ্ৰহণৰ বাবে আৰক্ষী চকীটো প্ৰথম অংশত থকা চাৰিবেৰা, ঘৰ আদি চাৰিলেণ্ড যুক্ত পথত সোমাই পৰিছে। বৰ্ত্তমান চাৰিলেণ্ড যুক্ত পথৰ কাম কৰি আহি থাকিলে থানাত ৰাইজ ৰোৱা সুবিধা নাথাকিব। সেয়েহে লাহদৈগড় আৰক্ষী চকীৰ দৰে এখন পুৰনি থানা চৰকাৰে নতুনকৈ নিৰ্মাণ নকৰি এনেদৰে জৰাজীৰ্ণ ৰূপত পেলাই থোৱাটো অতি দুৰ্ভাগ্যজনক। সেইহে ৰাজনৈতিক দল প্ৰতিনিধি আৰু সমষ্টিৰ বিধায়ক গৰাকীয়ে ইয়াৰ এটা জৰুৰী পদক্ষেপ লোৱা দৰকাৰ। লগতে যোৰহাট জিলাৰ উচ্চ পদস্থ আৰক্ষী বিষয়া সকলে থানা খনৰ পৰিদৰ্শন কৰি তৎকালীনভাৱে সমস্যাসমূহ দুৰ কৰিববলৈ পদক্ষেপ গ্ৰহণ কৰক। স্থানীয় ৰাইজে এখন পূৰ্ণাঙ্গ আৰক্ষী থানা হোৱাটো বিচাৰিছে।

# নাজিৰাৰ স্বাস্থ্য খণ্ডত ভুৱা নিযুক্তি কেলেংকাৰিৰ অভিযোগ

## আৰটিআই তথ্যত সদৰী হ'ল এছআইইউ নম্বৰ নোহোৱাকৈয়ে নাজিৰাৰ উপ-কোষাগাৰৰ পৰা নিয়মীয়া দৰমহা লাভ কৰি অহাৰ তথ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৬ ছেপ্টেম্বৰ** ঃ ৰাজ্য চৰকাৰে অনিয়ম কেলেংকাৰিৰ ক্ষেত্ৰত কোনো কাৰণতে আপোচ কৰা নহ'ব বুলি নিকা ভাবমূৰ্তি দেখুৱাব বিচাৰিলেও প্ৰকৃততে পৰোক্ষভাৱে চৰকাৰে কেলেংকাৰি, দুৰ্নীতি, অনিয়মৰ সমৰ্থন কৰাহে পৰিলক্ষিত হৈছে। শিৱসাগৰ জিলাৰ লগতে নাজিৰা মহকুমাৰ স্বাস্থ্য খণ্ডত বিগত সময়ত সংঘটিত হোৱা বিয়াগোম নিযুক্তি কেলেংকাৰিৰ তথ্য সংবাদ মাধ্যমত সৱিস্তাৰে উদঙাই দিয়াৰ পিছতো বিভাগীয় কৰ্তৃপক্ষ অথবা চৰকাৰে বিষয়টোৰ সন্দৰ্ভত নীৰৱ ভূমিকা পালন কৰা বিষয়টোৱে ইয়াকে প্ৰতিপন্ন কৰিছে। চৰকাৰী নীতি অনুসৰি কৰ্তৃপক্ষৰ এছ আই ইউ নম্বৰ প্ৰাপ্ত কৰ্মচাৰীয়েহে কোষাগাৰৰ পৰা নিয়মীয়াকৈ দৰমহা লাভ কৰিব। নাজিৰাৰ স্বাস্থ্য খণ্ডত অবৈধভাৱে নিযুক্ত হোৱা একাংশ কৰ্মচাৰীয়ে কোনো ধৰণৰ এছ আই ইউ নম্বৰ নোহোৱাকৈ কেৱল ধনৰ বলত মহকুমা উপ কোষাগাৰৰ পৰা নিয়মীয়াকৈ দৰমহা লাভ কৰি আহিছে। বিভাগটোত চলি অহা দুৰ্নীতি অনিয়মৰ ৰোধৰ প্ৰতি কোনো আগ্ৰহ নাই সেইয়া ইতিমধ্যে প্ৰমাণিত হৈছে। এই দুৰ্নীতিত আমোলাৰ পৰা বিষয়ালৈকে জড়িত হোৱা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য, কেৱল বদলিৰ সূত্ৰে হাতে লিখা কাগজৰ টুকুৰা জমা দি নাজিৰা মহকুমাৰ স্বাস্থ্য খণ্ডত কৰ্মৰত ময়ুৰী বৰুৱা (নিম্ন বৰ্গৰ সহায়ক), অন্বেষা দুৱৰা (স্বাস্থ্য প্ৰশিক্ষক), আনিচুল মুৰচিদ (চিতাদাৰ), শান্তনু বৰগোহাঁই (চিতাদাৰ), প্ৰাঞ্জল বৰগোহাঁই (এনএমএ), নমিতা গোহাঁই, (চিতাদাৰ), যদু বৰগোহাঁই(চিতাদাৰ), নৃপেন গগৈ (গ্ৰাম্য স্বাস্থ্য পৰিদৰ্শক), ভৱেন ৰাজখোৱা (নিম্ন বৰ্গৰ সহায়ক) ৰমিন গগৈ (চিতাদাৰ) যামিনী মোহন গোহাঁই (গ্ৰাম্য স্বাস্থ্য পৰিদৰ্শক) আদিকে ধৰি ভালেকেইজন কেইজনে এছ আই ইউ নম্বৰ নোহোৱাকৈয়ে কেৱল বদলি অথবা বদলিহৈ অহা চৰকাৰী নিৰ্দেশ নোহোৱাকৈ শিৱসাগৰ আৰু নাজিৰা মহকুমাৰ উপ-কোষাগাৰৰ পৰা

## উচ্চ পৰ্যায়ৰ তদন্ত দাবী

নিয়মীয়াকৈ দৰমহা লাভ কৰি আহাৰ বিষয়ে ইতিমধ্যে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত পোৱা তথ্যত সদৰি হৈছে। তদুপৰি জিলা স্বাস্থ্য বিভাগত হেলথ এডুকেটৰ, এলডিএ, চতুৰ্থ বৰ্গ আদি বিভিন্ন পদত একাংশ কৰ্মচাৰীয়ে নিযুক্তিপত্ৰ অবিহনেই চাকৰি কৰি অহাৰ তথ্য সংবাদ মাধ্যমত ফাদিল হোৱাৰ পিছতো কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ। কেৱল উপৰোক্ত কৰ্মচাৰী কেইজনে নহয় খোদ শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্য্যালয়তে নিযুক্তিপত্ৰ অবিহনেই নিৰ্বিঘ্নে চাকৰি কৰি আছে কৰ্মচাৰীয়ে। আনকি কাৰ্য্যালয়টোত কৰ্মৰত দিবাকৰ চিৰিং নামৰ উচ্চ বৰ্গৰ প্ৰৱীণ কৰ্মচাৰীৰ নাম এই নিযুক্তি কেলেংকাৰীৰ সৈতে সাঙুৰ খাই পৰিছে। দিবাকৰ চিৰিঙৰ বাবেই পুত্ৰৰ লগতে ভৱেন ৰাজখোৱা নামৰ জোৱায়েকেও নিযুক্তি পত্ৰ নোহোৱাকৈয়ে বছৰ বছৰ ধৰি বিভাগটোত চাকৰি কৰি আহিছে বুলি এক বিশ্বস্ত সূত্ৰত প্ৰকাশ। শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ অধীনত গগৈ, চেতিয়া, হাজৰিকা, বৰুৱা, দত্ত, ভৰালী আদিয়ে চাকৰি কৰি আহিছে নিযুক্তিপত্ৰ অবিহনেই। এক আৰটিআই তথ্য অনুসৰি উপৰোক্ত লোকসকলক বিভিন্ন প্ৰান্তৰ পৰা শিৱসাগৰলৈ বদলি কৰা বুলি দেখুওৱা হৈছে যদিও প্ৰকৃততে এইসকল কৰ্মচাৰীৰ বিভাগীয় নিযুক্তিপত্ৰ নাই। নাজিৰাত কৰ্মৰত ময়ুৰী বৰুৱাক কাচাৰৰ পৰা নাজিৰাৰ বদলি হৈ অহা দেখুওৱা হৈছে যদিও বৰুৱাই কোমো কালেই কাচাৰত চাকৰি কৰাৰ নজিৰ নাই। তেনেদৰে গগৈ উপাধিৰ এগৰাকী মহিলা কৰ্মচাৰীক বদলি, শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্য্যালয়ত কৰ্মৰত বৰুৱা উপাধিৰ আন এগৰাকী মহিলাক বাগচা জিলাৰ পৰা শিৱসাগৰলৈ বদলি হৈ অহা, ভৰালী নামৰ আন এগৰাকী মহিলাক ডিব্ৰুগড়ৰ পৰা শিৱসাগৰলৈ বদলি, দত্ত উপাধিৰ আন গৰাকী মহিলাক মিউচুৱেল ট্ৰান্সফাৰ আদি দেখুৱাই পাকে প্ৰকাৰে ইয়াক বিভাগীয় প্ৰক্ৰিয়াৰ অংশ বুলি দেখুওৱা হৈছে যদিও উক্ত কৰ্মচাৰী সকলৰ কোনো ধৰণৰ বৈধ নিযুক্তিপত্ৰ নাই। আনফালে এইসকল কৰ্মচাৰীয়ে দৰমহা সময়মতেই লাভ কৰা বিষয়টোৱেও গভীৰ ৰহস্যৰ সৃষ্টি কৰি আহিছে আৰু এই বিষয়টোও তদন্তৰ প্ৰয়োজন আছে। কিয়নো নিযুক্তিপত্ৰ নোহোৱাকৈয়ে কেনেদৰে এইসকল কৰ্মচাৰীৰ দৰমহা সময়মতে হৈ আহিছে আৰু এইক্ষেত্ৰত কোষাগাৰ বিষয়াৰ ভূমিকাক লৈও এক সন্দেহৰ সৃষ্টি হৈছে। আনহাতে, উক্ত নিযুক্তি কেলংকাৰী সংঘটিত হোৱাৰ সময়ত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা স্বাস্থ্য বিভাগৰ দায়িত্বত থকা হেতুকে উক্ত দুৰ্নীতিৰ তদন্ত হলে বহু আমোলা বিষয়াৰ মুখা খোল খোৱাৰ সম্ভাৱনা আছে আৰু ই চৰকাৰখনক অস্বস্তিত পেলাব বাবেইএই কেলেংকাৰীৰ তথ্য সংবাদ মাধ্যমে উন্মোচিত কৰাৰ পিছত কোনো কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা নাই। এই ভুৱা নিযুক্তি সন্দৰ্ভত শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভূপেন কুমাৰ দাসক প্ৰশ্ন কৰাত বৰ্তমানলৈকে এই সন্দৰ্ভত উৰ্ধতম কৰ্তৃপক্ষৰ পৰা কোনো ধৰণৰ পত্ৰ পোৱা নাই বুলি জানিবলৈ দিয়ে। এই সমগ্ৰ কেলেংকাৰীৰ বিষয়ে উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী কৰিছে সচেতন মহলে। শিৱসাগৰ জিলাৰ বিভিন্ন স্বাস্থ্য খণ্ডত কৰ্মৰত এইসকল ভুৱা কৰ্মচাৰীৰ বিৰুদ্ধে এতিয়া ৰাজ্যৰ স্বাস্থ্য বিভাগে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।



### বদলাত আপৰ নেতা দীপাংকৰ কলিতাৰ বিস্ফোৰক মন্তব্য

# গুৱাহাটীত এনে এটা ৱাৰ্ড নাই য'ত বকোৰ বিধায়িকা নন্দিতা দাসৰ মাটি নাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৬ ছেপ্টেম্বৰ** ঃ কামৰূপৰ বকো সমষ্টিৰ ৪৫নং টুপামাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত বদলা ৰাঙ্গাপানী বজাৰত দেওবাৰে সন্ধিয়া আম আদমী পাৰ্টীৰ এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। বদলাপথাৰ গাঁৱৰ ছুৰমান আলী আহমেদৰ পৌৰোহিত্যত অনুষ্ঠিত যোগদান কাৰ্যসূচীত উপস্থিত থাকে আম আদমী পাৰ্টীৰ দক্ষিণ কামৰূপৰ সক্ৰিয় যুৱনেতা বিদ্যুৎ কলিতা, আম আদমী পাৰ্টীৰ কামৰূপ জিলা সমন্বয়ক শুক্লেশ্বৰ দাস, আম আদমী পাৰ্টীৰ বকো সমষ্টিৰ তত্বাৱধায়ক ৰিন্টু ৰাভা আৰু দীপাংকৰ কলিতা। উক্ত যোগদান কাৰ্যসূচীত অঞ্চলটোৰ শতাধিক লোকে বিভিন্ন ৰাজনৈতিক দল ত্যাগ কৰি আম আদমী পাৰ্টীত যোগদান কৰে। উক্ত যোগদান কাৰ্যসূচীত বকো সমষ্টিৰ তত্বাৱধায়ক দীপাংকৰ কলিতাই বিধায়িকা নন্দিতা দাসৰ বিৰুদ্ধে কে'বাটাও বিস্ফোৰক মন্তব্য কৰে। কলিতাই কয় গুৱাহাটীত এনেকুৱা এটা ৱাৰ্ড নাই য'ত বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাসৰ মাটি নাই, অসমৰ ১২৬গৰাকী বিধায়ক-বিধায়িকাৰ ভিতৰত বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস মাটিৰ ক্ষেত্ৰত নাম্বাৰ ৱান ধনী। ইয়াৰ উপৰিও যোগদান কাৰ্যসূচীৰ সভাপতি ছুৰমান আলী আহমেদে তেওঁৰ ভাষণত কয় যে আমাৰ বিধায়িকা নন্দিতা দাস বকো সমষ্টিত ব্যৱসায় কৰিবলৈ আহিছে, কাম বিচাৰি গ'লে দিব লাগে কমিচন, মই নিজে কাম বিচাৰি গৈছিলোঁ তেওঁক চাৰি শতাংশ কমিচন লাগে আৰু তাৰো দুই শতাংশ কমিচন আগধন হিচাপে বিধায়িকাক দিলেহে কাম দিব বুলি মোক কৈছিল বিধায়িকাগৰাকীয়ে। বৃহত্তৰ টুপামাৰী অঞ্চলসমূহত একো উন্নয়নমূলক কাম কৰা নাই বিধায়িকাগৰাকীয়ে। ইয়াৰ উপৰি বিজেপি চৰকাৰৰ বিৰুদ্ধেও কঠোৰ সমালোচনা কৰি সকলোকে আপত যোগদান কৰিবলৈ আহ্বান জনায়।

### ৰঙাপৰা সমষ্টিৰ ঝুমুইৰ প্ৰতিযোগিতাত ২৫টা দলৰ অংশগ্ৰহণ

# মুখৰ ঝুমুইৰ বাকৰি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ২৬ ছেপ্টেম্বৰ** ঃ গছে কুঁহিপাত মেলিছে, ন-ন ফুল কলিয়ে মিচিকিয়াই হাঁহিছে, প্ৰভাতী পখীৰ গানে মতলীয়া কৰিছে মন-আকাশ। শাৰদীয় দুৰ্গোৎসৱৰ প্ৰাকমুহূৰ্তত এনেহেন এক উদুলি-মুদুলি পৰিৱেশত ৰঙিয়াল দিনতেই কালি বৃহত্তৰ ৰঙাপৰা সমষ্টি অঞ্চল সামৰি বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰথম বাৰ্ষিক চাহ জনগোষ্ঠীয় ঝুমুইৰ নৃত্য প্ৰতিযোগিতা নগৰৰ গাতে লাগি থকা ঠাকুৰবাৰী গল্‌ফ খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণকমল তাঁতীৰ উদ্যোগত আৰু বিজেপি চাহ জনগোষ্ঠী মৰ্চা ৰঙাপৰা আৰু বালিপৰা মণ্ডলৰ যুটীয়া সহযোগত ঝুমুইৰ প্ৰতিযোগিতা কাৰ্যসূচীত চাহ জনগোষ্ঠীয় লোক-সংগীতৰ অনুষ্ঠান পৰিবেশন কৰা হয়। দিনৰ এটা মান বজাত আখাড়া বন্দনাৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰে বিধায়ক তাতীয়ে। জাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে একগোট হৈ উদ্‌যাপন কৰা এই মুকলি প্ৰতিযোগিতাত উপস্থিত থাকে ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাতী, শোণিতপুৰ জিলা বিজেপিৰ সভাপতি বাতাস ওৰাং, শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলি চোৰেন, উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, পৌৰ সভাৰ পৌৰপতি হৰিসাধন দাস,ৰঙাপৰা বিজেপি গ্ৰাম্য মণ্ডলৰ সভাপতি দিপক তেলি, সম্পাদক বিকি তাতী, নগৰ মণ্ডলৰ সভাপতি স্বপন ধৰকে ধৰি বহু গন্য মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। চাহ জনগোষ্ঠী যুৱ প্ৰজন্মৰ জীৱন কেৱল এটি কলি দুটি পাতৰ মাজতে আৱদ্ধ নাথাকি সৰ্বাঙ্গীন বিকাশ সাধন কৰাৰ লগতে সংস্কৃতি ভেটি সমৃদ্ধিশালী কৰাৰ লক্ষ্যৰে ৰঙাপৰা সমষ্টি ভিত্তিত এই বেলি প্ৰথম বাৰ্ষিক ঝুমইৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছে বুলি বিধায়ক কৃষ্ণ কমল তাঁতীয়ে প্ৰতিযোগিতা উদ্বোধনী ভাষনত উল্লেখ কৰে।আজিৰ যুগৰ কৃত্ৰিমতাৰে ভৰা সমাজ ব্যৱস্থা তথা আকাল-অনাটনৰ দিনতো যে জনসাধাৰণে নিজৰ শিপা এৰি দিব নোখোজে এয়াই তাৰ প্ৰমাণ বুলি তেওঁ উল্লেখ কৰে। ২৫টা দলে অংশগ্ৰহণ কৰা আৰু কালি মাজ নিশালৈ অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে হাড়চুৰা চাহ বাগিছাৰ (খ) দলে, দ্বিতীয় শ্ৰেষ্ঠ দল তৰাজুলি ঝিলিমিলি ঝুমুইৰ দল আৰু তৃতীয় শ্ৰেষ্ঠ দল ইঞ্জৰ যুৱ সংঘ ঝুমুইৰ দলে। প্ৰথম শ্ৰেষ্ঠ দলক ৫০,০০০ টকা আৰু ট্ৰফীৰে পুৰস্কৃত কৰা হয়, দ্বিতীয় শ্ৰেষ্ঠ দলক ট্ৰফী আৰু ৩০,০০০ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হয় আৰু তৃতীয় শ্ৰেষ্ঠ দলক ট্ৰফী আৰু ২০,০০০ টকাৰে পুৰস্কৃত কৰা হয়। দল কেইটাৰ ভিতৰত শ্ৰেষ্ঠ ঢুলীয়া হিচাপে আকাশ তৰা, শ্ৰেষ্ঠ নাচনী হিচাপে ইঞ্জৰ যুৱ সংঘৰ ৯নং নাচনী আৰু শ্ৰেষ্ঠ ৰচিকা হিচাপে প্ৰথম শ্ৰেষ্ঠ দলৰ ৰচিকাক নগদ দহ হেজাৰ টকা আৰু ট্ৰফীৰে পুৰস্কৃত কৰা হয়। ঝুমুইৰ প্ৰতিযোগিতা প্ৰায় তিনি সহস্ৰাধিক লোকৰ উপস্থিতিত ঠাকুৰবাৰী গ'ল্‌ফ ফিল্ডত এক উখল-মাখল পৰিৱেশে বিৰাজ কৰে।





# নগৰবেৰাৰ বদলা পথাৰ কলহী নৈত দিনে-নিশাই চলিছে অবৈধ বালি খনন

## বালি মাফিয়াৰ সৈতে বন বিভাগৰ গোপন বুজাবুজিৰ অভিযোগ, ব্যৱস্থা গ্ৰহণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৬ ছেপ্টেম্বৰ** ঃ কামৰূপৰ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত মালিবাৰী, বদলা পথাৰ, টিয়াপাৰা, জাওকাটা, ডেকাচাং আদি ঠাইৰ কলহী নদীত দীৰ্ঘদিনৰে পৰা একাংশ বালি মাফিয়াই অবৈধভাৱে বালি খনন কৰি ৰমৰমীয়া বেহা চলাই আছে। অভিযোগ মতে কলহী নৈৰ পৰা বালি মাফিয়াই দিনে নিশাই বালি খনন কাৰ্য চলোৱাত গাওঁবাসী আতংকিত হৈ পৰিছে। কলহী নদীত যন্ত্ৰচালিত মেচিন লগাই অবৈধভাৱে একাংশ বালি মাফিয়াই অহৰ্নিশে খনন কাৰ্য চলোৱাৰ পিছতো নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়া ৰহস্যজনকভাৱে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এটা দুটা নহয়, প্ৰতিদিনে প্ৰায় ৪০-৫০খন যন্ত্ৰচালিত ভুটভুটী নাৱেৰে অবৈধভাৱে বালি খনন কৰি ৰমৰমীয়া বেহা চলাই গৈছে একাংশ বালি মাফিয়াই। গাঁওখনৰ একাংশ সচেতন লোকে এনে অবৈধ বালি খনন বন্ধ কৰিববলৈ বালি মাফিয়াক অনুৰোধ কৰা সত্বেও ন্যূনতম গুৰুত্ব নিদিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিন হৈছে। উল্লেখ্য যে কলহী নদীৰ ভূ-গৰ্ভৰ পৰা অহৰ্নিশে বালি খনন কৰাৰ ফলত কৃষি ভূমিৰ লগতে দুয়োপাৰে বসবাস কৰা মানুহৰ ঘৰ দুৱাৰ প্ৰতি ভাবুকি নামি অহা পৰিলক্ষিত হৈছে। ৰাইজে অভিযোগ কৰা মতে কলহী নৈৰ পৰা উঠোৱা এক ভুটভুটী নাও বালি ১৪ৰ পৰা ১৫ হাজাৰ টকাত বিক্ৰী কৰি আছে বালি মাফিয়াই। সমগ্ৰ বালি মাফিয়া চক্ৰটোক লগত বন বিভাগৰ গোপন বুজাবুজি আছে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াৰ ছত্ৰছায়াত দীৰ্ঘদিনৰে পৰা কলহী নদীত একাংশ বালি মাফিয়াই অবৈধভাৱে বালি খনন কৰি ৰমৰমীয়া বেহা চলাই আছে বুলি স্থানীয় সচেতন ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। শীঘ্ৰে কলহী নদীত অবৈধ বালি খনন বন্ধ কৰিবলৈ বন বিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষক ৰাইজে দাবী জনাইছে।

# ২নং নলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন গঠন




**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৬ ছেপ্টেম্বৰ** ঃ ২৫ ছেপ্টেম্বৰত ওদালগুৰি জিলাৰ ধনশ্ৰীঘাটৰ কলবাৰীত ২নং নলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰাক্তন ছাত্ৰ সন্মিলন তথা বিদ্যাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। সভাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলক লৈ প্ৰাক্তন ছাত্ৰ সন্মিলন সমিতি এখন গঠন কৰা হয়। সভাপতি টংকেশ্বৰ গৌতম, উপ-সভাপতি ড° হৰিচৰণ দাস, হৰেন কোচ, সম্পাদক দীনেশ্বৰ বৰুৱা, সহঃ সম্পাদিকা অঞ্জু দেৱী, বিভূজিত সূত্ৰধাৰ, সাংগঠনিক সম্পাদক খৰ্গবাহাদুৰ ৰায় আদিক লৈ এখন ২১জনীয়া কাৰ্যকৰী সমিতি গঠন কৰা হয়। বিদ্যাঞ্জলি অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে ৪৯খন ফেন, ২৬খন চকী, পানী ফিল্টাৰ এটা বিদ্যালয়ত আগবঢ়াইছে। এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমিতি তথা ৰাইজৰ আশীৰ্বাদৰ লগতে দিহা-পৰামৰ্শৰ দ্বাৰা শিক্ষানুষ্ঠানখনৰ শৈক্ষিক দিশটোৰ লগতে উন্নয়নমূলক কামবোৰ সমাধান হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।



# ধুবুৰীত গাঁৱৰ ই-ৰিক্সা চালকসকলৰ হাহাকাৰ পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৬ ছেপ্টেম্বৰ** ঃ যি সময়ত শিক্ষিত যুৱক কলে চাকৰিৰ আশা এৰি স্বাৱলম্বিতাৰ পথ হিচাপে বাছি লৈছিল ই-ৰিক্সা, এই ৰিক্সা চলাই প্ৰতিজন চালকৰ ল'ৰা-ছোৱালীক লৈ কোনোমতে জীৱন নিৰ্বাহ কৰিছিল। বৰ্তমানে শ শ ই-ৰিক্সা চালকৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। দৰাচলতে ধুবুৰী চহৰত গাঁৱৰ ই ৰিক্সাসমূহক হেনো সোমাবলৈ দিয়া হোৱা নাই। তাৰ ফলত ৰাইজ যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হৈছে, দহ টকাৰ ঠাইত বিশ টকাকৈ ভাৰা ভৰিব লগা হৈছে সাধাৰণ ৰাইজৰ। আনহাতে, গাঁৱৰ টোটো চালকবোৰে চহৰৰ ভিতৰত সোমাব নোৱাৰাৰ বাবে সাধাৰণতে হোৱা দৈনিক আয়ৰ প্ৰায় ৫০শতাংশ কম আয় কৰি চলিব লগা হৈছে। ফলত ই-ৰিক্সাচালকসকলৰ প্ৰতিটো পৰিয়ালৰ মাজত নামি আহিছে কাল অমানিশা। দৰাচলতে একাংশ অতি দৰিদ্ৰ দুখীয়া টটো চালকে বেলেগৰ টটো তিনিশ টকাকৈ কিস্তিত লৈ প্ৰতিদিনে পাঁচশ টকাৰ পৰা ছশ টকা আয় কৰি ই- ৰিক্সাৰ মালিকক তিনিশ টকা কিস্তী দি কোনোমতে ল'ৰা-ছোৱালীক লৈ পৰিয়ালক পোহপাল দিছিল। কিন্তু বৰ্তমানে গাঁৱৰ টটো চহৰত সোমাবলৈ নিদিয়াত দুশ টকাৰ পৰা তিনিশ টকা ভাৰা উঠাই ই-ৰিক্সাৰ মালিকক তিনিশ টকা কিস্তি দি শূন্য হাতত ঘৰত গৈ নিজৰ কণ কণ ল'ৰা-ছোৱালীৰ ওচৰত চকুপানী টুকিবলগীয়া হৈছে। ল'ৰাই কয় দেউতা টিডচনৰ পইচা দে, ছোৱালীয়ে কয় দেউতা স্কুলৰ টিফিনত খোৱা পইচা দে, কিন্তু দেউতাই ক'ৰ পৰা পইচা দিব? তেতিয়াই যেন দেউতাকৰ মূৰৰ ওপৰত বজ্ৰ পৰে। এতিয়া এওঁলোকে কি কৰিব, ক'ত যাব চিন্তাত হতভম্ব হৈ পৰিছে গাঁৱৰ টটো চালকসকল। ইয়াৰোপৰি গাঁৱৰ টটো চহৰখনত সোমাবলৈ নিদিয়াত গাঁৱৰ পৰা অহা ছাত্ৰ- ছাত্ৰী, ৰোগী, চাকৰিজীৱী, সাধাৰণ যাত্ৰীসকলে দুবাৰ তিনিবাৰকৈ বাহন সলাই অধিক খৰচত অহা-যোৱা কৰিব লগা হৈছে। জিলা প্ৰশাসন আৰু ধুবুৰী মিউনিচিপ্যাল ব'ৰ্ডে কিহৰ ভিত্তিত এই নিয়ম প্ৰৱৰ্তন কৰিছে? আইনৰ কোন বিধি বা এক্ট মতে এনেধৰণৰ হঠকাৰি নিয়ম প্ৰৱৰ্তন কৰি জনসাধাৰণক হাৰাশাস্তি কৰি আছে নেকি ? সাধাৰণ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এয়া বৰ পৰিতাপৰ বিষয়। সেয়েহে টটো চালকসকলে যাতে ল'ৰা-ছোৱালীক লৈ জীয়াই থাকিব পাৰে তাৰ বাবে অতিশীঘ্ৰে সংশ্লিষ্ট প্ৰশাসনিক মুৰব্বীক ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা লোৱাৰ বাবে দাবী জনায় গাঁৱৰ ই-ৰিক্সা চালকসকলে।

# ৰাষ্ট্ৰীয় শিশু শ্ৰমিক প্ৰকল্পৰ অধীনত শিক্ষক প্ৰশিক্ষণ-সজাগতামূলক সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ ছেপ্টেম্বৰ** ঃ কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় শিশু শ্ৰমিক প্ৰকল্পৰ সৌজন্যত শনিবাৰে ক্ষেত্ৰী প্ৰেক্ষাগৃহত শিক্ষক প্ৰশিক্ষণৰ এক কাৰ্যসূচী তথা সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়। কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকাই এই প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰি কামৰূপ মহানগৰৰ ৰাষ্ট্ৰীয় শিশু শ্ৰমিক প্ৰকল্পৰ অধীনত বিশেষ প্ৰশিক্ষণ কেন্দ্ৰসমূহত শিক্ষক-শিক্ষয়িত্ৰীসকলে শিশু শ্ৰমিকসকলৰ উন্নয়নৰ বাবে গ্ৰহণ কৰি অহা বিভিন্ন ভূমিকাৰ কথা আলোচনা কৰে। অনুষ্ঠানত উপস্থিত থাকি সহকাৰী শ্ৰম আয়ুক্ত কনপাই দাস, ষ্টাৰ চিমেণ্ট লিমিটেডৰ মুখ্য ষ্ট্ৰেটেজী বিষয়া প্ৰদীপ পুৰুহিত আৰু সহকাৰী মহাপ্ৰবন্ধক সুকন্যা গোস্বামীয়ে শিশু শ্ৰমিক সন্দৰ্ভত নিজৰ বক্তব্য ৰাখে। আনহাতে, প্ৰশিক্ষণ প্ৰদান কৰে অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকা, সহকাৰী আয়ুক্ত ৰিমঝিম কোঁৱৰ, বিশিষ্ট লেখক ড° বিজয় কৃষ্ণ চেতিয়া আৰু ৰাষ্ট্ৰীয় শিশু শ্ৰমিক প্ৰকল্পৰ কামৰূপ মহানগৰ জিলাৰ প্ৰকল্প সঞ্চালক মৌচুমী মহন্তই। উক্ত অনুষ্ঠানত ৰাষ্ট্ৰীয় শিশু শ্ৰমিক প্ৰকল্পৰ অধীনস্থ প্ৰায় ৮০গৰাকী স্বেচ্ছামূলক শিক্ষক আৰু ১৩গৰাকী কাৰিকৰী প্ৰশিক্ষকে প্ৰশিক্ষণ গ্ৰহণ কৰে। ষ্টাৰ চিমেণ্ট লিমিটেডে উক্ত অনুষ্ঠানতে স্কুল বেগ, ছাতি, বহী ইত্যাদি বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰে।

# মণিপুৰৰ থলুৱা ৰেস্তোৰাঁ ব্ৰেণ্ড 'অকে চিকেন'ৰ শাখা মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৬ ছেপ্টেম্বৰ** ঃ মণিপুৰৰ জনপ্ৰিয় চিকেন ৰেচিপিৰ ব্ৰেণ্ড অকে চিকেন ৰেস্তোৰাঁৰ এটা শাখা আজি মহানগৰীৰ উলুবাৰীস্থিত জি এছ ৰোডৰ ফ্লাই অভাৰৰ তলত মুকলি কৰা হয়। ৰেস্তোৰাঁখন আনুষ্ঠানিকভাৱে মুকলি কৰে অসমীয়া চলচিত্ৰ জগতৰ জনপ্ৰিয় অভিনেতা যতীন বৰাই। উল্লেখ্য যে ১৯৬৩ চনতেই মণিপুৰৰ ইম্ফলত স্থাপন হোৱা জনপ্ৰিয় খাদ্য ব্ৰেণ্ডটোৰ মহানগৰীস্থিত এই ৰেস্তোৰাখন উদ্বোধন হোৱাৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত ই দ্বিতীয়খন ৰেস্তোৰাঁ ৰূপে পৰিগণিত হ'ল। অ'কে চিকেন ৰেস্তোৰাঁখনত প্ৰধানকৈ চিকেনৰ বিভিন্ন ৰেচিপি পোৱা যায়, যাৰ সোৱাদ থলুৱা যিকোনো ব্ৰেণ্ডৰ ভিতৰত একক আৰু অন্যতম। ৰেস্তোৰাঁখন মুকলি কৰি অভিনেতা যতীন বৰাই কয়-উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা খাদ্যৰ স্বাদ আৰু তৃপ্তি বিশ্বৰ ভিতৰতেই চহকী আৰু পৃথক। উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য খাদ্য ব্যঞ্জনৰ ভিতৰত মণিপুৰী খাদ্যৰ এক অনন্য অনুভূতি বিৰাজমান। সেয়েহে মণিপুৰৰ অতি পুৰণি থলুৱা খাদ্যৰ ব্ৰেণ্ড 'অ'কে চিকেনৰ' ৰেস্তোৰাঁ শাখাটো গুৱাহাটীৰ এই উলুবাৰী অঞ্চলত মুকলি হোৱা বাবে গুৱাহাটীবাসীৰ বাবেই ই এক আনন্দৰ খবৰ। আশাকৰো ব্ৰেণ্ডটোৱে অতি কম সময়ৰ ভিতৰতে উত্তৰ-পূবৰ সকলো শ্ৰেণীৰ লোকৰ মাজত অতি জনপ্ৰিয় হৈ পৰিব। প্ৰসংগত ৰেস্তোৰাঁখনৰ অন্যতম স্বত্বাধিকাৰ এন জি সোমনাথে মন্তব্য প্ৰদান কৰি কয় যে মূলতঃ ভকেল ফ'ৰ লোকেল শীৰ্ষক ধাৰণাতেই এই ৰেস্তোৰাঁখন মুকলি কৰা হৈছে আৰু ৰেস্তোৰাঁখনত ব্যৱহৃত সামগ্ৰীসমূহ থলুৱাভাৱেই থলুৱা খেতিয়কৰ পামৰ পৰা সংগ্ৰহ কৰা হয়। ইয়াত ব্যৱহৃত সকলো সামগ্ৰীয়েই সজীৱ আৰু সেইবাবেই ইয়াত কোনো শীতলীকৰণ দ্ৰব্য সামগ্ৰী ব্যৱহাৰ কৰা নহয়। তেওঁ লগতে গুৱাহাটীবাসীয়ে ইয়াক কম দিনৰ ভিতৰতে আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে।

# যা দেৱী সৰ্বভূতেষু...



■ ললিত নাথ

শৰৎ মানেই সেউজী ধৰণী, নীলা আকাশ শুভ্ৰ মেঘমল্লা, দূবৰিত নিয়ৰৰ মুকুতা। আহিন মাহত

শ্যামলী সাজেৰে সদ্যস্নাতা নাৰীৰ দৰে অপৰূপা হৈ উঠে প্ৰকৃতি। কঁহুৱাৰ শুভ্ৰতা, বিহংগৰ কাকলি, নৈ, জান, জুৰিৰ কুলু কুলু ধ্বনি, পাটগাভৰু পথাৰৰ শ্যামল ক্লান্তিয়ে মানৱ প্ৰাণলৈ নমাই আনে উছৱৰ এক মধু আলোড়ন। এনে এক সময়তে অসুৰক নিধন কৰি ভক্তক ৰক্ষা কৰিবলৈকে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দশভূজা দুৰ্গতি নাশিনী আই সিংহৰ পিঠিত উঠি মৰতলৈ নামি আহে। শক্তিৰ প্ৰতীক দুৰ্গা পূজা আৱহমান কালৰে পৰা সমগ্ৰ ভাৰততে পৰম্পৰাগতভাৱে চলি আহিছে। ধূপ-দীপ, ঢাক-ঢোল, শংখ ধ্বনি,পুৰোহিতৰ মন্ত্ৰধ্বনিৰে আকাশ-বতাহ মুখৰ হৈ পৰে।

শাস্ত্ৰৰ মতে আহিন মাহৰ শুক্লা ষষ্ঠী তিথি অথবা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গা পূজা পালন কৰা হয়। বসন্ত কালত অনুষ্ঠিত কৰা দুৰ্গা পূজাক বাসন্তী পূজা আৰু শৰৎ কালত অনুষ্ঠিত কৰা দুৰ্গা পূজাক শাৰদীয় দুৰ্গা পূজা বুলি জনা যায়। দুৰ্গা পূজা ষষ্ঠী তিথিৰ পৰা দশমী তিথিৰ প্ৰতিমা বিসৰ্জন দিয়ালৈকে মুঠ পাঁচ দিন চলে। এই পাঁচ দিনক ক্ৰমে— দুৰ্গাষষ্ঠী, দুৰ্গাসপ্তমী, মহাষ্টমী, মহানৱমী আৰু বিজয়াদশমী হিচাপে অভিহিত কৰা হয়। 'দুৰ্গা' শব্দৰ ব্যুৎপত্তিগত অৰ্থ কে'বাটাও আছে। শব্দ কল্পদ্ৰুমৰ ভিত্তিত 'দুৰ্গা' শব্দ গঠিত হোৱা পঞ্চবৰ্ণ (দুৰ্গাঞ্চদ্দউৰূগদআ) প্ৰত্যেকৰে একোটাকৈ অৰ্থ আছে। 'দ' মানে দৈত্য নাশক,'উ' মানে বিঘ্ননাশক,'ৰ' মান ৰোগনাশক,'গ' মানে পাপনাশক, আৰু 'আ' মানে ভয় আৰু শত্ৰু নাশক। মাৰ্কণ্ডেয় পুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, কালিকা পুৰাণ, উপনিষদ, শিৱ পুৰাণ, মৎস পুৰাণ, বৰাহ পুৰাণ, মহাভাগৱত পুৰাণ, দেৱী ভাগৱত, স্কন্ধ পুৰাণত দেৱীৰ দশাৱতাৰৰ অলৌলিকতাৰ কাহিনীসমূহৰ বিশদ বৰ্ণনা পোৱা যায়। বিশেষকৈ মাৰ্কণ্ডেয় পুৰাণৰ শ্ৰীশ্ৰীচণ্ডী গ্ৰন্থত মহিষমৰ্দিনীৰ ৰূপ আৰু মাহাত্ম্যৰ কথা বিস্তৃতভাৱে বৰ্ণিত হৈছে। শ্ৰীশ্ৰীচণ্ডী গ্ৰন্থৰ মতে আদ্যাশক্তি মহামায়া আই অফুৰন্ত শক্তিৰ আধাৰ। মহামায়া আই কল্যাণকাৰিণী, শক্তিদায়িনী, জীৱনদায়িনী

আৰু সংহাৰকাৰিণী ৰূপে পৰিচিত।

দেৱী পূজাৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মতামত পোৱা

যায় যদিও মূলতঃ অশুভ শক্তিক বিনাশ কৰি শুভ

শক্তিক প্ৰতিষ্ঠা কৰাই এই পূজাৰ মূল লক্ষ্য।

শ্ৰীশ্ৰীচণ্ডীত বৰ্ণনা কৰা দেৱী দুৰ্গাৰ কাহিনীবোৰৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় কাহিনীটো হৈছে মহিষাসুৰ বধৰ কাহিনী। এই কাহিনী অনুসৰি প্ৰাচীন কালত মহিষাসুৰ নামে এজন প্ৰবল প্ৰতাপী অপ্ৰতিৰোধ্য, অসীম শক্তিৰ এজন দৈতৰাজ আছিল। মহাপ্ৰতাপী মহিষাসুৰে স্বৰ্গ, মৰ্ত্য আৰু পাতালত অত্যাচাৰ, উৎপীড়ন, আতিশয্যৰে এক বিভীষিকাৰ সৃষ্টি কৰিছিল। মহিষাসুৰে এক শতিকাজোৰা দীঘলীয়া যুদ্ধত অৱতীৰ্ণ হৈ দেৱতাসকলক পৰাস্ত কৰি স্বৰ্গচ্যুত কৰি তিনিওলোকৰ স্বামী হৈ পৰিল। পৰাজিত দেৱতাসকল উপায়ান্তৰ হৈ প্ৰথমে প্ৰজাপতি ব্ৰহ্মাৰ কাষ চাপিছিল আৰু পিছত তেওঁলোকে শিৱ আৰু নাৰায়ণকো মহিষাসুৰৰ অত্যাচাৰৰ কথা বিৱৰি ক'লে। মহিষাসুৰৰ অত্যাচাৰৰ কাহিনী শুনি তেওঁলোকৰ দেহৰ পৰা তেজোৰাশি নিৰ্গত হ'ল। মহাদেৱ শিৱৰ তেজৰ পৰা মুখ, ব্ৰহ্মাৰ তেজৰ পৰা ভৰিৰ আঙুলি, অগ্নিৰ তেজৰ পৰা চকু, যমৰ তেজৰ পৰা কেশ, বিষ্ণুৰ তেজৰ পৰা বাহু, চন্দ্ৰৰ তেজৰ পৰা স্তনযুগল, পৃথিৱীৰ তেজৰ পৰা নিতম্ব, একে সময়তে, ইন্দ্ৰাদীয়ে আন দেৱতাসকলৰ তেজ একীভূত হৈ এক নাৰীমূৰ্তিলৈ সৃষ্টি হ'ল। দেৱী সৃষ্টি হোৱাৰ পিছত দশভূজা দেৱীৰ দহখন হাতত শিৱই ত্ৰিশূল, বিষ্ণুৱে চক্ৰ, ইন্দ্ৰই ব্ৰজ, বৰুণে শংখ, অগ্নিয়ে যাঠি, বায়ুৱে ধনু-কাঁড়, ব্ৰহ্মাই কমণ্ডুলু প্ৰদান কৰি দুৰাত্মা মহিষাসুৰক বধ কৰিবলৈ সু-সজ্জিত কৰি তোলে। দেৱতাসকলৰ স্তুতি-ভক্তিত সন্তুষ্ট হৈ জগত্তাৰিনী মহাশক্তি অসুৰমৰ্দিনী দুৰ্গা দেৱীয়ে উগ্ৰচণ্ডী ৰূপ ধৰি মহিষাসুৰ সমন্বিতে চণ্ড-মুণ্ড, ৰক্তবীজ, ধুম্ৰলোচন, শুম্ভ-নিশুম্ভ আদি অসুৰকো নিধন কৰিলে। মহিষাসুৰে যেতিয়া দুৰ্গা দেৱীৰ হাতত তেওঁৰ মৃত্যু নিশ্চিত বুলি জানিব পাৰিছিল, তেতিয়া তেওঁ দেৱী পূজাৰ অংশ পাবৰ কাৰণে মহামায়াক কাতৰ প্ৰাৰ্থনা কৰিছিল। মহিষাসুৰৰ প্ৰাৰ্থনাত তুষ্ট হৈ দেৱীয়ে তেওঁৰ চৰণৰ

তলত স্থান পাব বুলি প্ৰবোধ দিছিল। দুৰ্গাদেৱীৰ লগতে মহাদেৱ, লক্ষ্মীদেৱী, সৰস্বতীদেৱী, গণেশ আৰু কাৰ্তিকৰো পূজা কৰা হয়। দেৱী কৱচত উল্লেখ থকা মতে দেৱী দুৰ্গাৰ নটা ৰূপ পোৱা যায়। সেইকেইটা হৈছে- শৈলপুত্ৰী, ব্ৰহ্মাচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ড, স্কন্দমাতা, কাত্যায়িনী, কালৰাত্ৰি, মহাগৌৰী আৰু সিদ্ধিদাত্ৰী। দুৰ্গা পূজা প্ৰচলন সম্পৰ্কে শ্ৰীশ্ৰীচণ্ডী গ্ৰন্থত তিনিটা মুখ্য কাহিনী অৱতাৰণা কৰা হৈছে। সত্যযুগত সুৰথ নামৰ এজন প্ৰজাৱৎসল ৰজা আছিল। এজন সু-শাসক আৰু যোদ্ধা হিচাপে তেওঁৰ সুখ্যাতি বৈ বৈ গৈছিল। এবাৰ তেওঁ ম্লেচসকলৰ স'তে হোৱা এখন যুদ্ধত পৰাজয়বৰণ কৰি ধন-জন সকলো হেৰুৱাই ৰাজ্যৰ পৰাই

বিতাৰিত হৈ অৰণ্যলৈ গুচি গৈছিল। সেই অৰণ্যতে এদিন ৰজাই সুৰথ সমাধি নামৰ এজন বৈশ্যক লগ পাইছিল। ৰজা সুৰথ সমাধিৰ সকলো ধন-সম্পত্তি পত্নী আৰু পুত্ৰই কাঢ়ি লৈ তেওঁক ঘৰৰ পৰা বাহিৰ কৰি দিছিল। তথাপি ৰজাই সকলো সময়তে তেওঁলোকৰ কল্যাণৰ কথাই চিন্তা কৰি আছিল। সুৰথৰ মনত স্বাভাৱিকতে এটা প্ৰশ্ন উত্থাপিত হৈছিল যে যিসকলে তেওঁৰ সকলো কাঢ়ি ৰাজ্যৰ পৰা বাহিৰ কৰি দিছিল, সেইসকলৰ কল্যাণৰ কথা তেওঁ কেনেকৈ চিন্তা কৰিব পাৰে? সমিধান বিচাৰি দুয়োজন 'মেধম' মুনিৰ আশ্ৰমত উপস্থিত হ'ল। মুনিয়ে দুয়োজনৰ বিলাই-বিপত্তিৰ কথা শুনি তেওঁলোকক দশভূজা দুৰ্গতিনাশিনী মহামায়া আইক আৰাধনা কৰিবলৈ পৰামৰ্শ দিয়ে। ৰজা সুৰথে তিনি বছৰ ধৰি কঠোৰ তপস্যাত নিমগ্ন হ'ল আৰু অৱশেষত তেওঁ দেৱীৰ মৃণ্ময়ী মূৰ্তি সাজি বসন্ত কালত প্ৰথমবাৰৰ বাবে দুৰ্গা পূজা পাতি দেৱীৰ আশিস লাভ কৰি শত্ৰুক পৰাস্ত কৰি পুনৰ হৃত ৰাজ্য উদ্ধাৰ কৰিলে। ত্ৰেতা যুগত ৰামায়ণত ৰামে ৰাৱণক বধ কৰাৰ

উদ্দেশ্যে আদ্যাশক্তি দেৱীক শ্ৰীৰামচন্দ্ৰই

শৰত কালত পূজা কৰিছিল। শৰত কালত অনুষ্ঠিত হোৱাৰ বাবে এই পূজাক 'অকালবোধন' বুলিও জনা যায়। আন এটা আখ্যান মতে ব্ৰজৰ কুমাৰীসকলে পৰম পুৰুষ শ্ৰীকৃষ্ণক স্বামী হিচাপে পাবলৈ কালিন্দীৰ তীৰত বালিৰে কত্যায়নী দেৱীৰ প্ৰতিমূৰ্তি সাজি নানান উপচাৰেৰে দেৱীক উপাসনা কৰিছিল। দেৱীদুৰ্গা ঐশ্বৰ্য, শক্তি, শান্তি, খ্যাতি আদিৰ প্ৰতীক। সেয়েহে অতীজৰে পৰা সমগ্ৰ ভাৰতবৰ্ষত যুগে যুগে জগতজননী ৰূপে দুৰ্গা দেৱীক নানা ৰূপত পূজা কৰা হৈছিল। হিন্দু ধৰ্মৰ উৎসৱসমূহৰ ভিতৰত আটাইতকৈ আড়ম্বৰপূৰ্ণ উৎসৱ হ'ল দুৰ্গা পূজা। সম্প্ৰতি অকল ভাৰতবৰ্ষতে নহয়, বাংলাদেশ, নেপালৰ লগতে ভাৰতীয় উপ-মহাদেশ আৰু বিশ্বৰ আন বহুতো দেশত দুৰ্গা পূজা পালন কৰা হয়। ভাৰতৰ ৰাজ্য পশ্চিমবংগ, অসম, ত্ৰিপুৰা আৰু ঝাৰখণ্ডত জাকজমকতাৰে সৈতে দুৰ্গা পূজা উদ্‌যাপন কৰা হয়।

ভাৰতত ব্ৰিটিছবিৰোধী আন্দোলনৰ সময়ত সাৰ্বজনীন উপাসনা আৰম্ভ হৈছিল। মূলতঃ দেৱী দুৰ্গাৰ কথা মনত ৰাখি ভাৰত মাতা বা মাতৃভূমিৰ জাতীয়তাবাদী ধাৰণাটোৰে এক বিপ্লৱৰ ৰূপ লৈছিল। বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায়ে দেৱী দুৰ্গাৰ চিন্তাৰ পৰা 'বন্দে মাতৰম' গানটো ৰচনা কৰিছিল, যিটো ভাৰতৰ স্বাধীনতা আন্দোলনৰ এক গুৰুত্বপূৰ্ণ মন্ত্ৰ। আমাৰ অসমতো প্ৰাগ ঐতিহাসিক যুগৰ পৰাই দুৰ্গা পূজা প্ৰচলন থকাৰ বহু প্ৰমাণ পোৱা যায়। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত দুৰ্গা, কালী, লক্ষ্মী, সৰস্বতী আদি ৰূপত পূজা-অৰ্চনা কৰা হয়। কামৰূপত পাল বংশৰ ৰজাই তান্ত্ৰিক ধৰ্ম গ্ৰহণ কৰাৰ পিছৰে পৰা (৯৯০-১০১০) কামাখ্যা ধামত

বলি-বিধানৰ কেন্দ্ৰ হৈ পৰে। ১৫৬৫ খ্ৰীষ্টাব্দত কোচৰজা নৰনাৰায়ণে কামাখ্যা মন্দিৰ পুনৰ্নিৰ্মাণ কৰি দুৰ্গা দেৱীৰ পূজা আৰম্ভ কৰে। আহোম ৰাজত্ব কালত ৰুদ্ৰসিংহ আৰু ফুলেশ্বৰী কুঁৱৰীৰ পৃষ্ঠপোষকতাত শিৱসিংহই দেৱীপূজা কৰিছিল।

আহোম ৰজাত্বকালৰ পৰা চলি অহা সাজ-সজ্জা, বলি-বিধান, দোকান-বজাৰ আদিৰ পৰিৱৰ্তনে দুৰ্গা পূজাক এক আড়ম্বৰপূৰ্ণ উৎসৱলৈ

ৰূপান্তৰিত কৰিছে। বৰ্তমান সময়ত সৰ্বত্ৰ মানৱতাৰ

স্খলন হ'বলৈ ধৰিছে। সাম্প্ৰতিক সময়ৰ সমাজখনৰ পৰা অশুভ শক্তিক নাশ কৰি শুভ শক্তিক প্ৰতিষ্ঠা কৰিবলৈ দেৱী দুৰ্গাৰ ওচৰত সকলোৱে সংকল্প কৰিব লাগিব।

যা দেৱী সৰ্বভূতেষু মাতৃৰূপেন সংস্থিতা।
নমস্তস্যৈ- নমস্তস্যৈ-নমস্তস্যৈ নমো নমঃ।।

ফোন ঃ ৯৯৫৪১৩৯৪৯৩

# কৃষিজীৱী অসমীয়াৰ আৰাধ্য গৃহদেৱী মা-লক্ষ্মী

■ গীতাশ্ৰী বৰা

কৃষিজীৱী লোকসমাজত লক্ষ্মী দেৱী সকলো শস্যৰ অধিষ্ঠাত্ৰী দেৱী। বিশেষকৈ অসমীয়া সমাজত লক্ষ্মী দেৱীয়ে আমাক দিয়া ধান, আমাৰ বাবে সোণতকৈও মূল্যৱান। 'ধানেই ধন'। যাৰ নাই ধান, তাৰ নাই মান'। কৃষকে লক্ষ্মী দেৱীক আৰাধনা কৰে শস্য বৃদ্ধিৰ বাবে। শস্যসমূহ যাতে পোকে নষ্ট নকৰে, শস্যক্ষেত্ৰৰ উৰ্বৰতা বৃদ্ধিৰ বাবে, শস্যৰ শ্ৰীবৃদ্ধিৰ বাবে লক্ষ্মী দেৱী বা লখিমী আইক তুতি-মিনতি কৰা হয়। কেনেদৰে একোখনি গৃহত লক্ষ্মীদেৱী বাস কৰে তাৰ বাবে প্ৰতিগৰাকী গৃহণীয়ে দেৱীক আৰাধনা কৰে।

লখিমী আদৰাৰ নিয়ম কৃষিজীৱী ৰাইজৰ বাবে অকল লক্ষ্মী পূজাতে যে হয় এনে নহয়। কৃষিকৰ্মৰ লগত জড়িত কিছুমান উৎসৱ অনুষ্ঠানৰ উদ্দেশ্যই হৈছে 'লখিমী আইক' আৰাধনা কৰাৰ অনুষ্ঠান। হালজোৰা, ন-ভুঁই পতা, নাঙল উঠোৱা বা হাল সামৰা, ন-খোৱা, কাতি বিহুত পথাৰত চাকি-বন্তি জ্বলাই লখিমী আদৰা। আঘোণৰ পথাৰৰ পৰা লখিমী আদৰা আদি এইসমূহ লক্ষ্মী আইক তুতি-মিনতি কৰি বছৰজোৰা শস্য দিবৰ বাবে প্ৰাৰ্থনা কৰে। কি দিয়া পূজিম মাতৃ, কি আছে আমাৰ'...

দুখানি হাত মেলি আমি কাতৰ হৈ মাথোঁ লক্ষ্মী দেৱীক বিচাৰিবহে পাৰোঁ। কেনেদৰে পূজি দেৱীক সন্তুষ্ট কৰিম তাৰ বাবে আমি বিবুধিত পৰোঁ। ধন-সোণ দি পূজিবলৈও মা-লক্ষ্মীৰ নিজৰেই আছে। গতিকে দেৱী সুপ্ৰসন্ন হোৱাকে আমি বিচাৰোঁ। একোখন ঘৰ লক্ষ্মী দেৱীৰ কৃপাত চলে। লোকবিশ্বাস অনুসৰি লক্ষ্মী দেৱী একে ঠাইতে নাথাকে। লক্ষ্মী দেৱীয়ে দিও চাই, নিও চাই। একোখন ঘৰত লক্ষ্মী দেৱীয়ে বসতি কৰিবলৈ হ'লে আমাৰ কৰ্ম সদায় ভাল হ'ব লাগিব। আমাৰ বিশ্বাস যেতিয়া একোটা পৰিয়ালত লক্ষ্মী দেৱী বাস কৰে, সেই পৰিয়ালটোত সকলো ফালৰ পৰা উন্নতি হয়। কিন্তু যেতিয়া মানুহৰ মনত অহং ভাব আহে বা অহংকাৰ হয়, তেতিয়া সেই গৃহ লক্ষ্মী দেৱীয়ে ত্যাগ কৰে।

প্ৰতিগৰাকী নাৰীৰ এখন পৰিচিত গ্ৰন্থ হৈছে 'লক্ষ্মী চৰিত্ৰ'। এই গ্ৰন্থত পুৰুষৰ বিপৰীতে নাৰীৰ চৰিত্ৰৰ ওপৰত বেছিকৈ দৃষ্টিপাত কৰা হৈছে। কোনবোৰ গুণ থাকিলে একোগৰাকী নাৰীক লখিমী নাৰী বুলি ক'ব পাৰি তাৰ উল্লেখ আছে 'লক্ষ্মী চৰিত্ৰ' পুথিখনত। মৃদুভাষী তিৰোতাক লক্ষ্মী বুলি কৈছে। লগতে যি নাৰীৰ মুখত অনবৰতে এটি হাঁহি লাগি থাকে অৰ্থাৎ হাঁহিমুখীয়া নাৰী লক্ষ্মী। আমি বিনামূলীয়াকৈ দিয়া উপহাৰ হৈছে হাঁহি। দীঘল কেশ বা চুলি যাৰ থাকে তেওঁকে লক্ষ্মী নাৰী বুলি কৈছে। সেইগৰাকীয়েই লক্ষ্মী নাৰী যি ঘৰৰ সকলো দায়িত্ব নিজেই পালন কৰে। দয়া-ক্ষমা গুণ থকা নাৰীক লক্ষ্মী নাৰী বুলি কোৱা হয়। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ উপৰিও যি নাৰীয়ে সপ্তাহত এদিন হ'লেও বগা বস্ত্ৰ পৰিধান কৰে তেওঁকেই লক্ষ্মী নাৰী বুলি কোৱা হয়। আচলতে সকলো গুণ এগৰাকী নাৰীৰ মাজত নাথাকিবও পাৰে। কোনো কোনো নাৰীয়ে ৰগৰ কৰি কোৱা শুনো যে লক্ষ্মী চৰিত্ৰ পুথিত উল্লেখিত গুণসমূহ আমাৰ মাজত নেদেখো বাবে 'লক্ষ্মী চৰিত্ৰ' পাঠ কৰিবলৈ ভয় হয়। বৃহস্পতিবাৰে লক্ষ্মী দেৱীক পূজা কৰা হয়। বহু নাৰীয়ে নিৰামিষ বা অনাহাৰে থাকি লক্ষ্মী দেৱীক পূজা কৰে। লক্ষ্মী দেৱী কেনে ব্যক্তিৰ পৰা আঁতৰি থাকে বা কেনে নাৰীৰ ওচৰত নাথাকে সেই বিষয়ে বিস্তৃতভাৱে 'লক্ষ্মী চৰিত্ৰ' পুথিখনত আছে। এনেধৰণৰ কথাবোৰ আচলতে আমাৰ বাবে উপদেশৰ দৰে। সঞ্চিত ধনৰ সকলো ধন খৰচ কৰিব নালাগে, এনেদৰে খৰচ কৰা ব্যক্তিৰ কাষত লক্ষ্মী দেৱী নাথাকে। ঘৰখন সন্ধিয়া পোহৰ কৰি থ'ব লাগে। 'পৰিষ্কাৰ-পৰিচ্ছন্নতাই ঈশ্বৰপ্ৰাপ্তি'। গতিকে কিছুমান সৰু সৰু কথা থাকে ঘৰখনত বাহিৰৰ পৰা আহিলে জোতা-চেন্দেল বাহিৰতে থ'ব লাগে। ঘৰ এখনত শান্তিৰে বাস কৰা প্ৰয়োজন। যিহেতু ঘৰখন মন্দিৰসদৃশ। যিখন ঘৰত স্ত্ৰীক সন্মান জনাব নাজানে, বয়োজ্যেষ্ঠজনক মৰম-আদৰ নকৰে, শিশুক মৰম দিব নিবিচাৰে, তেনে গৃহত লক্ষ্মী আই নাথাকে। বিশ্বাসেই আদি মূল। আমি সদায় ধনাত্মক চিন্তা কৰিলে সকলো ফালৰ পৰা নিশ্চয় মংগল হ'ব। আমি কেনেকৈ লক্ষ্মী দেৱীক প্ৰসন্ন কৰি ৰাখোঁ, তেওঁৰ কৃপা আমাৰ ওপৰত সদায় থকাটো আমি সকলোৱে বিচাৰোঁ। সু-চৰিত্ৰৰ নাৰীৰ কাষত লক্ষ্মী দেৱী থাকে। গতিকে আনৰ অহিত চিন্তা নকৰি একান্ত ভাৱে মা-লক্ষ্মীক পূজো আহক।

ফোন ঃ ৯৩৬৫৪৫২৫৬৬

# শৰতৰ শুভ্ৰ ছবি

■ ৰাহুলজ্যোতি বৰা

প্ৰাণ-প্ৰাচুৰ্যৰে ভৰপূৰ, শেৱালিৰ সুবাস, দূবৰিত কুঁৱলীৰ আচ্ছাদন সানি প্ৰকৃতিৰ বুকুলৈ নামি অহা এক শান্ত, সমাহিত ঋতু, যাৰ নাম শৰৎ। নৱ নৱ সাজোন-কাচোনেৰে বিনন্দীয়া কৰি তোলে প্ৰকৃতিৰ বুকুত ফুলৰ মালা, সৌন্দৰ্যৰ মনোৰম মেলা । শৰৎ মানেই উৎসৱ, শৰৎ মানেই শেৱালি, শৰৎ মানেই আহিন, শৰৎ মানেই কঁহুৱা বিৰিণাৰ নাচোন, শৰৎ মানেই উদাৰ, সৃষ্টিৰ মাদকতাৰে পৰিপূৰ্ণ কৰি তোলে সকলোৰে মন। সেউজ বুলীয়া পথাৰে কঢ়িয়াই আনে আশাৰ বতৰা, বোৱাই আনে সুখৰ নিজৰা। ভাদ মাহৰ শেষ ভাগৰ পৰা আৰম্ভ হৈ সম্পূৰ্ণ আহিন মাহলৈকে এই শৰৎ ঋতু অনুভূত হয়। এই ঋতুতে জীপাল হৈ উঠে প্ৰকৃতিৰ বুকু। চৌদিশে শৰতৰ নতুন নিয়ৰে শুভ্ৰ শুভ্ৰ ছবি আঁকি সিক্ত কৰে দূবৰি বন। কোমল দূবৰিৰ সেউজীয়া দলিচাৰ ওপৰত শুকুলা পাখিৰ কুসুম বোলোৱা ঠাৰিৰ শেৱালি ফুলবোৰ শুভ্ৰ দলিচাৰ দৰে পৰি থাকে। তলসৰা শেৱালিৰ সুবাসে পুৱতি নিশাৰ মৃদু মলয়া বতাহত ভাহি অহা মতলীয়া কৰা কোমল সুগন্ধৰে বহু দূৰলৈ পৱিত্ৰ কৰি পেলাই পদূলিমুখ আৰু আগচোতাল। সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ গীততো আহিনৰ শেৱালিয়ে নিয়ৰৰ মুকুতাৰে স'তে শাৰদীয় সৌন্দৰ্যক প্ৰাণৱন্ত কৰি তোলে—সেই ছবিখন সুন্দৰকৈ দেখা পাওঁ–

'আমোল মোল শেৱালিৰ গোন্ধ



যাওঁ বুলি যাবই নোখোজে'

শৰতৰ আগমনত আগমন হয় শাৰদী ৰাণীৰ। শাৰদী ৰাণীৰ আগমনত প্ৰত্যেকৰে মনৰ বাগিচাত ফুলি উঠে আশাৰ পাপৰি। আচ্ছাদিত হৈ উঠে মন গহনৰ সীমনা। চঞ্চল হৈ উজলি উঠে হিয়াৰ মণিকোঠা, হেঁপাহৰ দুচকুৰ মণি। এই শৰততে লুইতৰ বালিচৰত হালি-জালি নাচি থকা কঁহুৱা বনৰ ফুলবোৰে মনবোৰ উৰুঙা কৰি উন্মনা কৰি তোলে। ডেকা-গাভৰুৰ জাকবোৰে এই শৰততে চঞ্চল হৈ স্বপ্নত বিভোৰ হৈ আহিনৰ পথাৰৰ মাজত ৰঙীন মনেৰে নাচি বাগি গীত গাই প্ৰকৃতিৰ সৌন্দৰ্য সোণত সুৱগা চৰায়।

ফোন ঃ ৯৯৫৪৯১১৫২৮

# পূজা-পাৰ্বণৰ প্ৰতি অনীহা আহিছে নেকি নতুন প্ৰজন্মৰ

■ প্ৰণৱ কুমাৰ চক্ৰৱৰ্তী

এতিয়া পূজাৰ বতৰ। সকলোৱে অধীৰ আগ্ৰহেৰে বৈ থকা সময়খিনি আহি পালে। সময়ৰ লগে লগে মানুহৰ ৰুচিবোধ কিছু সলনি হৈছে, যাৰ প্ৰভাৱ পূজা-পাৰ্বণতো আংশিকভাৱে পৰিছে। হিন্দু ধৰ্মাৱলম্বী লোকে ব্যক্তিগতভাৱেও নিজৰ ঘৰ বা চুবুৰিত বিভিন্ন দেৱ-দেৱীৰ পূজা, হোম-যজ্ঞ, নাম প্ৰসংগ আদি অতীজৰে পৰা অনুষ্ঠিত কৰি আহিছে। কিছু বছৰৰ পৰা গাঁৱৰ বয়োজ্যেষ্ঠসকলে প্ৰায়ে অভিযোগ কৰে যে নতুন চামৰ যুৱক-যুৱতীসকলে পূজা-পাৰ্বণৰ প্ৰতি বিশেষ আগ্ৰহ নেদেখুৱায়। পূজাত অংশগ্ৰহণ কৰিলেও যা-যোগাৰ কৰা বিষয়টোৰ পৰা সময়ৰ নাটনিৰ দোহাই দি আঁতৰি থাকে। তেওঁলোকে সন্দেহ প্ৰকাশ কৰে যে অনাগত দিনবোৰত হয়তো এনে বহু ৰাজহুৱা অনুষ্ঠান ক্ৰমান্বয়ে বন্ধ হৈ আহিব (অন্য ধৰ্মাৱলম্বী লোকৰ মাজত এই সমস্যা আছেনে নাই জ্ঞাত নহয় বাবে হিন্দু ধৰ্মকহে লেখনিটোত সাঙুৰি লৈছোঁ)। এই চিন্তা অমূলক নহয়। কিন্তু এই পৰিৱেশটো সৃষ্টি হোৱাত ক'ৰবাত আমিবোৰো হয়তো দোষী। আধুনিকতাৰ দোহাই দি আমি কিছুমান বস্তু বাদ দিলোঁ। আমি সৰুতে প্ৰতিঘৰতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে সন্ধিয়া প্ৰাৰ্থনা কৰা পৰিৱেশটো প্ৰায় নোহোৱা হ'ল। চহৰমুখী একক পৰিয়ালবোৰৰ মন্দিৰ বা নামঘৰৰ বাবে ঠাই নথকাত পুৱা গধূলি চাকি-বন্তি জ্বলালেও শিশু মনক প্ৰভাৱ পেলাব পৰা আধ্যাত্মিক পৰিৱেশ এটা বহু সময়ত গঢ় লৈ নুঠে। সেৱা এটা কৰিবলৈ আমি সৰুখিনিক কোৱাৰ প্ৰয়োজনবোধ নকৰোঁ বাবেই তেওঁলোকে বহু কথা নিশিকে। এইখিনিতে আৰু দুটামান কথা আছে। শিশু বা কিশোৰ-কিশোৰীসকল আজি ম'বাইলৰ দুনীয়াখনত বহু বেছি ব্যস্ত। তেওঁলোক ব্যস্ত হোৱা পৃথিৱীখনত আধ্যাত্মিক কথা-বতৰাৰ স্থান সীমিত। গতিকে অভিভাৱকসকল এই দিশত যত্নপৰ হ'বই লাগিব। দ্বিতীয় কথা এটা আমাৰ চকুত ধৰা দিছে, ধৰা হ'ল আপোনাৰ অঞ্চলত দুৰ্গা পূজা বা ৰাস পূজাৰ বিশাল আয়োজন হয়। আপোনাৰ হয়তো বহুদিন আগৰ পৰাই মন উগুলথুগুল হৈ আছিল। কি নতুন বস্তু দেখা পাব, পূজাৰ মূৰ্তি কেনে হৈছে ইত্যাদি কথাই পূজাথলীলৈ গৈ নোপোৱালৈ মন-মগজু আৱৰি আছিল। এতিয়া পূজাৰ প্ৰথম দিনাই কোনোবা নহয় কোনোবা ইউটিউবাৰে পূজাৰ সবিশেষ সামাজিক মাধ্যমত আমাৰ বাবে মুকলি কৰি দিবই। ঘৰত বহিয়ে গোটেইখিনি দেখাৰ পাছত পূজাথলীলৈ যোৱাৰ ইচ্ছা কিছু কমি যোৱাটো একো আচৰিত নহয়। পূজা-পাৰ্বণজাতীয় বিষয়বোৰত নতুন চামক প্ৰত্যক্ষভাৱে জড়িত কৰোৱাৰ গুৰুদায়িত্ব কিন্তু আমাৰেই, অন্যথা অনাগত দিনবোৰত অৰাজকতা বৃদ্ধি পোৱাৰ আশংকা নুই কৰিব নোৱাৰি। ধৰ্মৰ প্ৰতি অনাস্থাই কৰ্মফলৰ প্ৰতি থকা ভয় বা বিশ্বাস নোহোৱা কৰিব আৰু বেয়া কাম কৰিবলৈ কোনেও কুণ্ঠাবোধ নকৰা হ'ব। আমাৰ শৈশৱ-কৈশোৰ কালছোৱাত বন্ধৰ দিনবোৰত পৰিয়ালৰ লগত ফুৰিব যোৱাৰ মূল স্থানবোৰ আছিল প্ৰধানত তীৰ্থস্থান। এতিয়া যুগৰ পৰিৱৰ্তনে আমাক ফুৰিবলৈ বিভিন্ন সুবিধা দিছে, পৰ্যটনস্থলো যথেষ্ট। তথাপিও কিশোৰ-কিশোৰীসকলক আমি সময়ে সময়ে তীৰ্থস্থানলৈ লগত লৈ যাব লাগে আৰু সম্ভৱহ'লে সেই স্থানৰ বুৰঞ্জী আৰু তীৰ্থস্থানৰ মাহাত্ম্য সম্পৰ্কে সাম্যক জ্ঞান দিয়াৰ প্ৰয়াস কৰিব লাগে। কিছু গঠনমূলক চিন্তা-চৰ্চা আৰু আধ্যাত্মিক কথা-বতৰাবোৰত প্ৰয়োজনাধিক যুক্তিৰ আশ্ৰয় নলৈ নতুন প্ৰজন্মক জীৱনত শুদ্ধ পথেৰে আগবাঢ়ি যোৱাৰ স্বাৰ্থত আমি তেওঁলোকক পূজা-পাৰ্বণ, নাম-প্ৰসঙ্গৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াস কৰিব লাগিব। লগতে এই কথাও শিকাব লাগিব যাতে নিজৰ কোনো কৰ্মৰ জৰিয়তে অন্য ধৰ্মৰ প্ৰতি অন্যায় কৰা নহয়। ভাৰতীয় সংস্কৃতি, দৰ্শন আৰু ধৰ্মনিৰপেক্ষতাৰ শিক্ষা আজিৰ যুগত অতিকৈ প্ৰয়োজন।

ফোন ঃ ৯৮৬৪১৪৯৬৬৪



# আহিনৰ নিয়ৰ-শেৱালি সৰা চোতালখনত



## আজি কৃষকৰ হুমুনিয়াহ

■ ভূপেন কুমাৰ দাস

আহিনৰ আহ্বান শাৰদীয় ৰাণী গাঁওখনলৈ আহিব লাগে। আগতেও আহিছিল; আজিও আহিছে। কিন্তু ছয় ঋতুৰ পাৰ্থক্য ক'ত? আহিনৰ গ্ৰীষ্ম প্ৰৱাহে দহিছে শাৰদী, শেৱালিক। নিয়ৰ- কুঁৱলী আজি অদৃশ্য। জলবায়ুৰ এই পৰিৱৰ্তন ইতিবাচক নহয়। কৃষকৰ চোতালত গোলকীয় উত্তাপ বাঢ়িছে। কৃষকৰ হুমুনিয়াহ। পৰিৱৰ্তন-প্ৰগতিৰ নামত দিশহাৰা অসমৰ সতীৰ্থ কৃষক বন্ধুসকল। আহিনৰ চোতালখনত আজি কৃষকৰ তপত হুমুনিয়াহ। টোপে টোপে সৰিছে চকুলো। অসমৰ কৃষকৰ চোতালত আজি এটা বিৰাট শূন্য। সৌন্দৰ্যহীন হৈ পৰিছে কৃষকৰ নঙলামুখ। সন্ধিয়াৰ তুলসী তলত চাকি নজ্বলে। নিয়ৰৰ স্পৰ্শহীন শেৱালিৰ দেহ। নিয়ৰ শূন্য আহিনৰ গাঁও আৰু কৃষকৰ শূন্য চোতাল। নিয়ৰে সেমেকা তাহানিৰ চোতালখনত আজি কৃত্ৰিম বানত ভাহি অহা পেলনীয়া পলিথিন-প্লাষ্টিক সামগ্ৰীৰ আৱৰ্জনা। একৈশ শতিকাৰ প্ৰথম দশকটোৰ শেষৰ বছৰটোলৈকে গাঁও অঞ্চলত সাধাৰণতে কৃত্ৰিম বানৰ উদ্ভৱ হোৱা নাছিল। কৃত্ৰিম বানত কৃষকে সৰ্বস্ব হেৰুৱালে। বস্তিবাৰী, পাচলিবাৰী, শস্য পথাৰ সকলোখিনি বিনষ্ট হ'ল। আজি প্ৰায় এটা দশক ধৰি গাঁও অঞ্চলত উদ্ভৱ হোৱা নতুন কৃত্ৰিম বান কৃষকৰ বাবে গধুৰ আৰু জ্বলন্ত সমস্যা হিচাপে থিয় দিছে। গাঁওখনতে আহিন লুকাই থাকে। গাঁওখনৰো জীৱন বুলি এটা সুন্দৰ জীৱন থাকে। এই জীৱনটো বহুমুখী আৰু জৈৱ-বৈচিত্ৰ্যৰে পৰিপূৰ্ণ উৎপাদনমুখী। দ্বিমত নাই।

গাঁওখনৰ ভৌগোলিক এলেকাধীন পথাৰ, বিল, খাৱৈ, কালভাৰ্ট, জলাশয়সমূহ একপ্ৰকাৰ পানী সংস্থাপন উৎস-ক্ষেত্ৰ। Water reserver. একো-একোটা পৰিস্থিতিতন্ত্ৰ। শেহতীয়াভাৱে গ্ৰামাঞ্চলৰ প্ৰাচীন ৰাজহুৱা পুখুৰীটোও ৰক্ষা নপৰিল। এচাম তথাকথিত ধাৰ্মিকে নতুন নতুন মন্দিৰ, মছজিদ, সত্ৰ-নামঘৰ নিৰ্মাণ কৰি পূৰ্বৰ জলভাণ্ডাৰ বিনষ্ট কৰিলে। এই জলভাণ্ডাৰবোৰে সময়ে সময়ে অঞ্চলটোৰ বৰষুণৰ অতিৰিক্ত পানীভাগ ধৰি ৰাখে। একপ্ৰকাৰ কৃত্ৰিম বান প্ৰতিৰোধক সহায়ক। এতিয়া এজাক বৰষুণতে গাঁৱতো কৃত্ৰিম বানৰ সৃষ্টি হয়। তাহানিৰ ভাদ-আহিনমহীয়া স্বাভাৱিক বানপানী কৃষক সমাজৰ বাবে আপদ নাছিল, সম্পদহে আছিল। কৃষকৰ পাচলিবাৰী, শস্য পথাৰলৈ পলস কঢ়িয়াই আনিছিল। আজিৰ কৃত্ৰিম বানত চহৰীয়া সভ্য মানুহৰ নলা-নৰ্দমাৰ পৰা কৃষকৰ খেতি পথাৰলৈ ভাহি আহে অচিন ৰোগৰ জীৱাণু আৰু পলিথিন-প্লাষ্টিকৰ সমাহাৰ। প্ৰদূষণৰ কবলত কৃষকৰ শস্য পথাৰ। নিয়ৰবিহীন শৰৎ কালৰ আগমন। আহিনত শেৱালিয়ে কৃষকৰ নঙলামুখত হাঁহিব বিচাৰিলেও প্ৰাণ খুলি হাঁহিব পৰা নাই। আহিনৰ চোতালত সৰ্বহাৰা কৃষকৰ চকুলো সৰিছে। কৃষি কৰ্ম-সংস্কৃতি হেৰুৱাই কৃষকৰ শিশু কন্যা-যুৱতী মহানগৰীত বনকৰা ছোৱালী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। কাৰোবাৰ বাবে ভোগবাদৰ সংজ্ঞা। কৃষিপ্ৰধান ৰাজ্যৰ চৰিত্ৰৰ স্খলন হৈছে। তৃষ্ণাতুৰ পথাৰত জলসিঞ্চনৰ ব্যৱস্থা নাই। আনহাতে, পূৰ্বতকৈ অসমত জলভাণ্ডাৰ আৰু বৰষুণৰ পৰিমাণ হ্ৰাস পাইছে। ফলত ভূ-গৰ্ভৰ জলস্তৰ শুকান হৈ পৰিছে। এখন ৰাজ্যৰ আৰ্থ-সামাজিক দিশতো ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিছে। অস্বাভাৱিক জলবায়ুৰ পৰিৱৰ্তন আৰু নিয়ৰ কুঁৱলীৰ পৰিমাণ আৰু অনুপস্থিতিয়ে তাৰে ইংগিত বহন কৰিছে। আহিনমহীয়া শস্য-পথাৰ আৰু পাচলিবাৰীত নিয়ৰৰ স্পৰ্শ দৰবৰ দৰে। নিয়ৰ-কুঁৱলী পাচলিবাৰীখনৰ বাবে স্বাস্থ্যসন্মত আৰু ইতিবাচক দিশ। কবিৰ ভাষাত নিয়ৰৰ টোপালবোৰ মুকুতাসদৃশ। আহিনৰ নিয়ৰ সৰা দূবৰি বন, পাচলিবাৰী, শেৱালিৰ দেহ কিমানখিনি স্বচ্ছ হৈ পৰে; গাঁৱৰ জীৱনটোহে সেই কথা উপলব্ধি কৰিব পাৰে। কৃষক আৰু পৰিৱেশ বিজ্ঞানৰ ভাষাত নিয়ৰ হ'ল পৰিৱেশৰ এক স্বচ্ছ অৱস্থা। প্ৰকৃতিৰ অলংকাৰ। মাজুলীৰ মিচিং গাঁওবোৰত আহিনৰ বতৰত গুৰু দুজনাৰ প্ৰতি শ্ৰৱণ-কীৰ্তন কৰেনে নাই, সেই কথা নামনিৰ পৰা কিছু ঠিৰাং কৰা টান। মাজুলীৰ সত্ৰাধিকাৰসকলৰ আজি ধৰ্মৰ খুঁতি লৰিছে। তেওঁলোকৰ শ্ৰৱণ-কীৰ্তনৰ মাজতো ৰজাৰ উপস্থিতি লৈ ব্যস্ত। যিবোৰ জ্বলন্ত সমস্যা এদিন উদাৰ সত্ৰৰ মজিয়াতে সমাধান হৈছিল। ধন্য ধন্য মাজুলীবাসী। ধন্য ধন্য সত্ৰাধিকাৰ। মাজুলীৰ কৃষকৰো একে অৱস্থা। সত্ৰনগৰীৰ বুকুত সৰি পৰিছে পঞ্জীভূত বেদনা আৰু চকুলো। কৃষকৰ চোতালৰ সমীপত থকা পাচলিবাৰী, গোহালি আৰু মৰমলগা ধান-খেৰৰ পুঁজি তথা তাৰ নিচেই ওচৰত থকা বগৰী গছজোপাৰ ভৱিষ্যত দিনলৈকে তাৰ অস্তিত্ব থাকিব নে? চোতালৰ তুলসী আৰু তুলসীৰ তলত থকা থাপনাখনৰ কাষৰ ভঁড়ালগৃহ, ধানৰ টোপা আৰু তেওঁলোকৰ চিনাকি খেতিপথাৰৰ আশে-পাশে থকা কঠীয়াতলী, সৰিয়হতলী, কবিতলী, আলুতলী এইবোৰ যেন এতিয়া অপ্ৰাসংগিক হৈ পৰিছে। পুঁজিপতিসকলৰ শ্বপিং মল জীয়াই থাকিবলৈ হ'লেও কৃষকৰ চোতালখন বাছি থাকিব লাগিব। কৃষকৰ সমৃদ্ধিশালী চোতালখনেই তেওঁলোকৰ বাবে অৰ্থনীতি আৰু আধ্যাত্মিক শক্তি। কাৰণ সকলো লোকাচাৰ আৰু সংস্কৃতিৰ আধাৰ কৃষি।

তুলসী তলৰ থাপনাৰ ওচৰত থকা কীৰ্তন নামঘোষা পুথি। সন্ধিয়াৰ মাটিৰ চাকিৰ পোহৰ। আহিনৰ নিয়ৰ সৰা কৃষকৰ পদূলি। সেমেকি থকা কৃষকৰ চোতালখন আজি যেন সৌন্দৰ্যহীন। অস্বচ্ছ পৰিৱেশ। কৃষকৰ চোতাল আৰু নঙলামুখত আজি যেন একো সমল নাই। আধুনিকতা আৰু পৰিৱৰ্তনৰ অস্বচ্ছ কলা ছায়া। দুখ-বেজাৰ। আহিনত গীষ্ম প্ৰবাহ নামিছে। উৎপাদন প্ৰক্ৰিয়াত জটিলতা বাঢ়িছে। বিল, খেতিপথাৰ, পাচলিবাৰী, গো-ৰিজাৰ্ভত ৰজা-মন্ত্ৰী, আমোলা-বিষয়াৰ বৰ বৰ অট্টালিকা। চলিত দশকটোৰ ভিতৰতে গ্ৰাম্য অৰ্থনীতিৰ বিপৰ্যয় নামিছে। খাদ্যৰ অভাৱত গো-মাতাই প্লাষ্টিক- পলিথিন ভক্ষণ কৰিবলগীয়া অৱস্থা হৈছে। প্ৰকৃততে এটা চহকী গ্ৰামাঞ্চলত ভৌগোলিক সীমাৰ পৰিধিত কমেও ২৩ শতাংশ সেউজীয়া সমল থাকিব লাগে। আজিৰ তাৰিখত ১৩ শতাংশতকৈ কম আছে। পথাৰ আৰু সেউজীয়া সাধাৰণতে পৰিস্থিতিতন্ত্ৰৰে অংশস্বৰূপ। পথাৰ হত্যা সাধাৰণতে তালিবানী শিশু হত্যাৰ নিচিনা নিন্দনীয়। গ্ৰামাঞ্চলৰ কৃষকৰ আহিনমহীয়া চোতালখনৰ ধান খেৰৰ পুঁজিটোত লাগি থকা জাতিলাউৰ চাঙীখন প্ৰগতি আৰু পৰিৱৰ্তন আহিলেও হেৰাই যাব নালাগিব। সেয়াই প্ৰকৃত প্ৰগতি। যাক আমি বহনক্ষম উন্নয়ন আৰু প্ৰগতি বুলি কম। অস্থিৰ পৰিৱৰ্তনৰ নামত বিগত দিনত গ্ৰাম্য অৰ্থনীতিৰ আন্তঃগাঁথনিৰ বিপণ্ণ হ'ল। পথাৰ আৰু সেউজীয়াৰ বিকল্প নাই। চিৰকাল আমাৰ জীৱন আৰু কল্পনা শক্তিক উৰ্বৰ কৰি ৰাখে। সেউজীয়াৰ পৰিসমাপ্তি মানেই আমাৰো যৱনিকা। সময় সমাগত। কৃষকৰ আহিন মহীয়া চোতালত আজি কেৱল হুমুনিয়াহ। নিয়ৰ-কুঁৱলীবিহীন শাৰদীয় বতৰ।

ফোন ঃ ৯৭০৬২ ৭৩৩০৭



## মুকুল ৰোহতগীয়ে এটৰ্নী জেনেৰেল হিচাপে পুনৰ নলয় দায়িত্ব

**নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** জ্যেষ্ঠ অধিবক্তা মুকুল ৰোহতগীয়ে কেন্দ্ৰীয় চৰকাৰৰ শীৰ্ষ অধিবক্তা ভাৰতৰ এটৰ্নী জেনেৰেল হিচাপে পুনৰ দায়িত্ব গ্ৰহণৰ বাবে কেন্দ্ৰই আগবঢ়োৱা প্ৰস্তাৱ অস্বীকাৰ কৰিছে।ইয়াৰ পূৰ্বৰ



কাৰ্যকালত ৰোহতগীয়ে ২০১৭ চনৰ জুন মাহত এটৰ্নী জেনেৰেলৰ পদ ত্যাগ কৰিছিল। ৰোহতগীৰ পাছতে কে কে বেণুগোপাল এই পদত অধিষ্ঠিত হৈছিল। বৰ্তমানেও কাৰ্যনিৰ্বাহ কৰি থকা কে কে বেণুগোপালে অহা ৩০ ছেপ্টেম্বৰত পদত্যাগ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে। বেণুগোপালৰ স্থানত ৰোহতগী পুনৰ এই পদত অধিষ্ঠিত হ'ব বুলি শেহতীয়াকৈ চৰ্চা চলিছিল। প্ৰবীণ অধিবক্তাগৰাকীক ভাৰতৰ এটৰ্নী জেনেৰেল হিচাপে পুনৰ নিযুক্তি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰস্তাৱ আগবঢ়াইছিল। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে আগবঢ়োৱা প্ৰস্তাৱৰ সঁহাৰি জনাই ৰোহতগীয়েও যোৱা সপ্তাহত ভাৰতৰ এটৰ্নী জেনেৰেলৰ কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ সন্মত হৈছে বুলি বাতৰি প্ৰকাশ পাইছিল। উল্লেখ্য যে ইয়াৰ পূৰ্বে ৰোহতগীয়ে ২০১৪ চনৰ পৰা ২০১৭ চনলৈ ভাৰতৰ এটৰ্নী জেনেৰেল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। মুকুল ৰোহতগীক ১৯৯৩ চনত জ্যেষ্ঠ পৰামৰ্শদাতা হিচাপে মনোনীত কৰা হৈছিল আৰু পিছত ১৯৯৯ চনত অতিৰিক্ত ছলিচিটৰ জেনেৰেল হিচাপে নিযুক্ত কৰা হৈছিল। তেওঁ ২০০২ চনৰ গুজৰাটৰ গোধৰা কাণ্ডৰ গোচৰত উচ্চতম ন্যায়ালয়ত চৰকাৰক প্ৰতিনিধিত্ব কৰিছিল।

## হিমাচলত দ খাৰৈত সোমাল যাত্ৰীবাহী বাছ, সাত পৰ্যটকৰ মৃত্যু

**নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** দেওবাৰে নিশা হিমাচল প্ৰদেশৰ কুল্লু জিলাত সংঘটিত হয় এক ভয়াৱহ পথ দুৰ্ঘটনা। এখন যাত্ৰীবাহী টেম্পো ট্ৰেভেলাৰ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা দ খাৰৈত বাগৰি পৰাৰ ফলত সাতগৰাকী পৰ্যটকৰ মৃত্যু হোৱাৰ লগতে দহগৰাকী পৰ্যটক আহত হৈছে। কুল্লুৰৰ আৰক্ষী অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়া মতে কুল্লুৰ বাঞ্জাৰ উপত্যকাৰ ঘিয়াগী অঞ্চলত নিশা প্ৰায় ৮:৩০ বজাত পৰ্যটক কঢ়িয়াই নিয়া বাহনখন পথৰ পৰা খাৰৈত বাগৰি পৰে।এই ভয়াৱহ দুৰ্ঘটনাটোত ৭ গৰাকী লোক থিতাতে নিহত হোৱাৰ বিপৰীতে ৰজ্ঞ গৰাকী আহত হয়। আহতসকলৰে কেইজনমানৰ



অৱস্থা গুৰুতৰ বুলি তেওঁ লগতে উল্লেখ কৰে।ইফালে পাঁচগৰাকী আহত ব্যক্তিক কুল্লুৰ জোনেল চিকিৎসালয়লৈ তাৎক্ষণিকভাৱে প্ৰেৰণ কৰাৰ বিপৰীতে আন ৫ গৰাকীক বাঞ্জাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় বুলি তেওঁ লগতে জানিবলৈ দিয়ে।দুৰ্ঘটনাটোত নিহত তথা আহত হোৱা পৰ্যটকসকল ৰাজস্থান, মধ্য প্ৰদেশ, হাৰিয়ানা আৰু দিল্লীকে ধৰি বিভিন্ন ৰাজ্যৰ আছিল আৰু তেওঁলোকৰ পৰিচয় ইতিমধ্যে চিনাক্ত কৰা হৈছে বুলি জানিব পৰা গৈছে।

## উত্তৰ প্ৰদেশত খাৰৈত সোমাল ট্ৰলীসহ ট্ৰেক্টৰ, নিহত ১০, আহত দুকুৰিতকৈ অধিক

**লক্ষ্নৌ, ২৬ ছেপ্টেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ ৰাজধানী লক্ষ্নৌৰ সমীপত এক ভয়ানক পথ দুৰ্ঘটনা সংঘটিত হৈছে। প্ৰাপ্ত তথ্য মতে দুৰ্গা দেৱীৰ মন্দিৰ দৰ্শনৰ বাবে উন্নাও গাঁও অভিমুখে এগল স্থানীয় ৰাইজ ৰাওনা হৈছিল। তেওঁলোকে ট্ৰেক্টৰ আৰু ট্ৰলীত উঠি যাতায়াত কৰিছিল। কিন্তু ট্ৰেক্টৰ আৰু ট্ৰলীখন পথৰ কাষত থকা দ খাৰৈত সোমাই পৰে। চালকে নিয়ন্ত্ৰণ হেৰুৱাই এনেদৰে দুৰ্ঘটনা সংঘটিত কৰোৱাব লগা হ'ল বুলি প্ৰকাশ পাইছে। ইফালে



খাৰৈত সোমোৱাৰ পিছত যাত্ৰীসকলৰ দুকুৰিতকৈ অধিক গুৰুতৰভাৱে জখম হোৱা বুলি প্ৰকাশ পাইছে। ইয়াৰে দহজন লোক নিহত বুলি কোৱা হৈছে। জিলা দণ্ডাধীশ সূৰ্যপল গাঙোৱাৰে এই কথা প্ৰকাশ কৰিছে। নিহতসকলৰ ভিতৰত দুটা শিশু আৰু আঠগৰাকী মহিলা আছে। এই ঘটনাই ৰাজ্যখনত শোকৰ ছাঁ পেলাইছে। প্ৰতিজন মৃতকৰ নিকট আত্মীয়লৈ চাৰি লাখ টকাৰ ক্ষতিপূৰণ ঘোষণা কৰিছে উত্তৰ প্ৰদেশ চৰকাৰে। ইফালে আহতসকলৰ এজনৰ অৱস্থা অতিশয় সংকটজনক বুলি প্ৰকাশ পাইছে। তেওঁক কিং জৰ্জ মেডিকেল ইউনিভাৰচিটিলৈ স্থানান্তৰ কৰা হৈছে উন্নত চিকিৎসাৰ বাবে। অন্যান্যসকলক স্থানীয় স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হৈছে। ইফালে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীয়ে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। দ খাৰৈটোত পানীৰে পৰিপূৰ্ণ হৈ থকাৰ বাবেই হতাহতৰ সংখ্যা বৃদ্ধি পাইছে। কি কাৰণত এনে এক ভয়ানক দুৰ্ঘটনা সংঘটিত হ'বলৈ পালে সেই বিষয়টো তদন্ত কৰি থকা হৈছে বুলি জিলা দণ্ডাধীশে ব্যক্ত কৰিছে। উক্ত পথটো বিপদশংকুল হোৱাৰ উপৰিও অতিশয় ঠেক আছিল বুলি কোৱা হৈছে। গতিকে এই পথেৰে ট্ৰেক্টৰসহ এনেদৰে যাতায়াত নকৰিবলৈ স্থানীয় লোকে আৰোহীসকলক আহ্বান জনাইছিল বুলি স্থানীয় ৰাইজে অৱগত কৰিছে। কিন্তু চালকজনে এই পৰামৰ্শ অগ্ৰাহ্য কৰি বিপদসংকুল পথেৰে ট্ৰলীসহ ট্ৰেক্টৰখন আগুৱাই লৈ গৈছিল। ফলত এই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হ'বলৈ পালে।



*মহালয়া উপলক্ষে দেওবাৰে বাংলাদেশৰ কৰটোৱা নদীত স্নান কৰিবলৈ গৈ নাও দুৰ্ঘটনাত ডেৰ কুৰিতকৈ অধিক লোকৰ মৃত্যুৰ সন্দেহ কৰা হৈছে, অব্যাহত আছে উদ্ধাৰ অভিযান*

## সুৰা পান কৰোৱাই মহিলাক দলবদ্ধ ধৰ্ষণ, উত্তৰ প্ৰদেশত চাঞ্চল্য

**লক্ষ্নৌ, ২৬ ছেপ্টেম্বৰ ঃ** ক্ৰমাৎ নাৰী সুৰক্ষাৰ বধ্যভূমিত পৰিণত হৈছে উত্তৰ প্ৰদেশ। ৰাজ্যখনত মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ আমোলত মহিলা সুৰক্ষা নিশ্চিত হোৱা বুলি শাসকীয় বিজেপিয়ে ঢাক-ঢোল কোবাই আহিলেও এই মিথ্যাচাৰিতা উদঙাই প্ৰায় প্ৰতিদিনেই সংঘটিত হৈছে নাৰীৰ বিৰুদ্ধে বৰ্বৰ উৎপীড়নৰ ঘটনা। শেহতীয়াকৈ পুনৰ উত্তৰ প্ৰদেশত আন এক ধৰ্ষণকাণ্ড পোহৰলৈ আহিছে। ৰাজ্যখনৰ বাৰাবাঁকীৰ অন্তৰ্গত এখন গাঁৱত এগৰাকী মহিলাক সুৰা পান কৰিবলৈ বাধ্য কৰি চাৰি দুৰ্বৃত্তই ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, মহিলাগৰাকীক কিছুদিন পূৰ্বে এগৰাকী ব্যক্তিয়ে গাঁৱৰে এটা পুখুৰীৰ কাষলৈ মাতি নিয়ে। পূৰ্ব পৰিকল্পিতভাৱে পুখুৰীটোৰ পাৰত সেই সময়ত আন তিনিগৰাকী ব্যক্তি উপস্থিত আছিল। ইয়াৰ পিছতে চাৰিও দুৰ্বৃত্তই মহিলাগৰাকীক সুৰা পান কৰিবলৈ বাধ্য কৰে আৰু সুৰা পানৰ পাছতে মহিলাগৰাকীক উপৰ্যুপুৰি ধৰ্ষণ কৰে।জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পূৰ্ণেন্দু সিঙে ঘটনা সন্দৰ্ভত জানিবলৈ দিয়া মতে মহিলাগৰাকীয়ে শনিবাৰে তেওঁৰ স্বামীৰ সৈতে আৰক্ষীৰ কাষ চাপে আৰু এক অভিযোগ দাখিল কৰিছিল। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে এখন এজাহাৰ পঞ্জীয়ন কৰে। ইতিমধ্যে ঘটনাৰ মূল অভিযুক্ত দেৱী দীন নামৰ ব্যক্তিগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু আন অভিযুক্ত কেইবাগৰাকীৰ সন্ধান চলাই থকা হৈছে বুলি আৰক্ষী বিষয়া গৰাকীয়ে জানিবলৈ দিয়ে।

## ৰাছিয়াৰ বিদ্যালয়ত সোমাই অচিনাক্ত দুৰ্বৃত্তৰ গুলীচালনা ঃ শিক্ষক-ছাত্ৰসহ ১৩জন নিহত

**মস্কো, ২৬ ছেপ্টেম্বৰ ঃ** ৰাছিয়াৰ এখন বিদ্যালয়ত অচিনাক্ত বন্দুকধাৰীৰ নিৰ্বিচাৰ গুলীচালনাত কমেও ৰ্ব জন নিহত হৈছে। সোমবাৰে মধ্য ৰাছিয়াত সংঘটিত ঘটনাটোত কমেও ২০ জন আহত হয়। মৃতসকলৰ ভিতৰত কেইটিমান শিশুও আছে বুলি জানিব পৰা গৈছে।ৰাছিয়াৰ তদন্ত সমিতিয়ে এক বিবৃতিত কয় যে মস্কোৰ পৰা ৯৬০ কিলোমিটাৰ দূৰৰ উদমূৰ্তিয়া অঞ্চলৰ ইজভেস্কৰ বিদ্যালয়ত নিৰ্বিচাৰ গুলীচালনাৰ ঘটনা সংঘটিত হয়। মৃতসকলৰ ভিতৰত দুজন শিক্ষক, পাঁচজন শিক্ষাৰ্থী আৰু দুজন সুৰক্ষা কৰ্মী আছে।ৰাছিয়াৰ গৃহ মন্ত্ৰালয়ে এক বিবৃতিত গুলীচালনাৰ কথা নিশ্চিত কৰিছে। আঞ্চলিক গভৰ্ণৰ আলেকজেণ্ডাৰ ব্ৰেচলভে কয় যে হতাহতসকলৰ ভিতৰত শিশুও আছে। ইজভেস্কৰ বিদ্যালয়ে ৬ ৰ পৰা ১৭ বছৰ বয়সৰ শিক্ষাৰ্থীসকলক পঢ়ুৱায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ



বিদ্যালয়সমূহত এনে ঘটনা সঘনাই সংঘটিত হয় যদিও ৰাছিয়াৰ বিদ্যালয়সমূহত গুলীচালনাৰ ঘটনা খুব কম। শেহতীয়া এই ঘটনাত কৰ্তৃপক্ষই আক্ৰমণকাৰীৰ পৰিচয় বা আক্ৰমণৰ কাৰণ জনাব পৰা নাই। শেহতীয়া খবৰ অনুসৰি ঘটনাৰ পিছত বন্দুকধাৰীজনে নিজকে গুলীয়াই নিহত কৰে।

## পি এফ আইক নিষিদ্ধ কৰিবলৈ সাজু হৈছে গৃহ মন্ত্ৰণালয়

### বিশ্বজুৰি ইছলামিক সন্ত্ৰাসবাদ বিয়পাই দিয়াৰ অভিযোগ

**নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** ইছলামিক মৌলবাদ আৰু সন্ত্ৰাসবাদ বিয়পাই দিয়া ভাৰতৰ ইছলামিক সংগঠন পপুলাৰ ফ্ৰণ্ট অব ইণ্ডিয়া চমুকৈ পি এফ আই নামৰ সংগঠনটো অচিৰেই কেন্দ্ৰীয় চৰকাৰে নিষিদ্ধ কৰিব। ইতিমধ্যে বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধী আইন-১৯৬৭ অনুসৰি এই সংগঠনটো নিষিদ্ধ কৰিবলৈ চৰকাৰ সাজু হোৱা বুলি প্ৰকাশ পাইছে। যোৱা ২২ ছেপ্টেম্বৰত দেশৰ ১৫ খন ৰাজ্যত চিবিআই, নিয়া আদিৰ দ্বাৰা একে সময়তে তালাচী চলোৱা হৈছিল। ৯৩টা স্থানত চলোৱা তালাচীৰ অন্তত ১০৬ জনক গ্ৰেপ্তাৰ কৰা হৈছে। ভাৰতত থকা পি এফ আইৰ কৰ্মকৰ্তাসকলে পাকিস্তানৰ জইছ-ই-মহম্মদ, লস্কৰ-ই-তৈবা আদিৰ সৈতে



সংযোগ ৰখা কৰি আহিছে। পাকিস্তানৰ মুছলমান সংগঠনসমূহৰ গোপন কাৰ্যসূচী ভাৰতত ৰূপায়ণ কৰিবলৈ পি এফ আইৰ কৰ্মকৰ্তাসকলে গোপনে অভিযান অব্যাহত ৰখা বুলি কোৱা হৈছে। ২০৪৭ চনত ভাৰতক ইছলামিক দেশলৈ ৰূপান্তৰিত কৰাৰ অভিসন্ধি আগত ৰাখি এনেদৰে মৌলবাদ বিয়পাই দিয়া বুলি প্ৰকাশ পাইছে।

## জম্মু-কাশ্মীৰত পুনৰ সেনা-আৰক্ষীৰ এনকাউণ্টাৰ

### দুই সন্ত্ৰাসবাদী নিহত

**শ্ৰীনগৰ, ২৬ ছেপ্টেম্বৰ ঃ** সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ক্ৰমাৎ প্ৰতিকূল হৈ পৰিছে জম্মু-কাশ্মীৰৰ পৰিস্থিতি। উপত্যকাটোত নিৰন্তৰভাৱে সন্ত্ৰাসবাদ নিৰ্মূলৰ বাবে কঠোৰ হৈ পৰিছে সেনা-আৰক্ষীয়ে। বিগত সময়চোৱাত সেনা-আৰক্ষীৰ অভিযানত কেইবাগৰাকীও সন্ত্ৰাসবাদী সদস্য নিহত হৈছে সীমান্তৱৰ্তী উপত্যকাটোত। এনে এক অভিযানত দেওবাৰে পুনৰ ৰণত পৰিছে আন দুগৰাকী সন্ত্ৰাসবাদী সদস্য। কাশ্মীৰ আৰক্ষীয়ে দেওবাৰে নিশা প্ৰকাশ কৰা এক বিবৃতি অনুসৰি কালি জম্মু-কাশ্মীৰৰ কুপৱাৰা জিলাৰ মাচিল চেক্টৰত নিয়ন্ত্ৰণ ৰেখাৰ ওচৰত নিৰাপত্তাৰক্ষীৰ অভিযানত দুগৰাকী সন্ত্ৰাসবাদী নিহত





হয়।শ্ৰীনগৰস্থিত প্ৰতিৰক্ষা বিভাগৰ এগৰাকী জনসম্পৰ্ক বিষয়াই উল্লেখ কৰা মতে মাচিল খণ্ডত সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশৰ সম্ভাব্য প্ৰচেষ্টাৰ বিষয়ে আৰক্ষী আৰু অন্যান্য চোৰাংচোৱা সংস্থাৰ পৰা তথ্য পোৱা গৈছিল। এই তথ্যৰ ওপৰত ভিত্তি কৰি অঞ্চলটোত নিয়োজিত প্ৰতিৰক্ষা বাহিনীয়ে সতৰ্কতামূলক ব্যৱস্থা অৱলম্বন কৰে আৰু সেনা-আৰক্ষীৰ যুটীয়া অভিযান আৰম্ভ কৰে।পুৱা প্ৰায় ৭:৩০ বজাত অভিযানকাৰী দলটোৱে মাচিলৰ টেক্ৰি নাৰৰ ওচৰত এলঅ'চি পাৰ হোৱা দুগৰাকী সশস্ত্ৰ অনুপ্ৰৱেশকাৰীক লক্ষ্য কৰে আৰু ইয়াৰ পাছতে দুয়োপক্ষৰ মাজত হোৱা সংঘৰ্ষত সন্ত্ৰাসবাদী দুগৰাকীৰ মৃত্যু হয় বুলি জনসম্পৰ্ক বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।তেওঁ লগতে নিহত সন্ত্ৰাসবাদী দুগৰাকীৰ পৰা দুটা একে ছন্ত্ৰজ্ঞৰাইফল, ছয়টা একে মেগজিন, ৫৩ টা একে ৪৭ ৰাউণ্ড গুলী, চাৰিটা হেণ্ড গ্ৰেনেড, দুটা পিষ্টল, দুটা পিষ্টল মেগজিন, ৩৫ পিষ্টল ৰাউণ্ড গুলীৰ লগতে কিছু পাকিস্তানী মুদ্ৰা উদ্ধাৰ হয় বুলি সংবাদ মাধ্যমৰ আগত অৱগত কৰে।

## গোলাম নবী আজাদে গঠন কৰিলে ডেম'ক্ৰেটিক আজাদ পাৰ্টী

**শ্ৰীনগৰ, ২৬ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ ত্যাগ কৰি জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাম নবী আজাদে তেওঁৰ দলৰ নাম ঘোষণা কৰিলে। এই নতুন দলটোৰ নাম ৰখা হৈছে ডেম'ক্ৰেটিক আজাদ পাৰ্টী। উল্লেখ্য যে আজাদে কেইবাদিনো ধৰি চৰ্চাত আছিল আজাদ। যোৱা আগষ্টত তেওঁ পুৰণি দল কংগ্ৰেছ এৰিছিল। তেওঁ ছোনিয়া গান্ধীলৈ এখন পত্ৰ লিখি তেওঁৰ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছিল। পত্ৰখনত আজাদে ৰাহুলৰ পিনে আঙুলি টোৱাই ছিল। তেওঁ অভিযোগ কৰিছিল যে জ্যেষ্ঠসকলে দলত মৰ্যাদা লাভ কৰা নাই। দল ত্যাগ কৰাৰ পিছত তেওঁ স্পষ্ট কৰি দিছিল যে তেওঁ এইবাৰ জম্মু-কাশ্মীৰৰ বাবে এটা নতুন দল গঠন কৰিব। আৰু তাতেই সকলোৰে দৃষ্টি আছিল। অৱশেষত অপেক্ষাৰ সমাপ্তি ঘটাই আজাদে এইবাৰ তেওঁৰ দলৰ নাম ঘোষণা কৰিলে। গুলাম নবী আজাদৰ নতুন দলটোৰ নাম হৈছে 'ডেম'ক্ৰেটিক আজাদ পাৰ্টি'। আজাদে কয় যে দলটোৰ নাম বাছনি কৰিবলৈ এক হাজাৰৰো অধিক নাম প্ৰস্তাৱ কৰা হৈছিল। একে সময়তে তেওঁ কয় যে তেওঁ নতুন দলটোৰ নাম গণতান্ত্ৰিক হোৱাটো বিচাৰিছিল। তাৰ পিছত তেওঁ নতুন নাম ঘোষণা কৰিলে। এই মুহূৰ্তত ৰাজস্থানত কংগ্ৰেছৰ স্থিতিক লৈ যথেষ্ট চৰ্চা চলিছে। তাৰ মাজতে আজাদৰ নতুন দলৰ নাম ঘোষণাই ৰাজনৈতিক মহলত নতুন চৰ্চাৰ বাট মুকলি কৰিছে।



## ৰাজস্থানৰ সংকট মোচনৰ বাবে ময়দানত নামিল কমলনাথ

**নতুন দিল্লী, ২৬ ছেপ্টেম্বৰ ঃ** ৰাজস্থানৰ কংগ্ৰেছ বিধায়কৰ মাজত দেখা দিয়া অস্থিৰতা আৰু অনিশ্চয়তাৰ অৱসান ঘটাবলৈ প্ৰচেষ্টা আৰম্ভ কৰিছে মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথে। প্ৰাপ্ত তথ্য মতে সোমবাৰে কমল নাথে কংগ্ৰেছৰ অধ্যক্ষ ছোনিয়া গান্ধীক সাক্ষাৎ কৰিছে। ৰাজ্যখনৰ ৯২ গৰাকী কংগ্ৰেছ বিধায়কে পদত্যাগৰ ভাবুকি দিছে। তেওঁলোকে দাবী কৰে যে অশোক গেহলটে মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈ থাকিব লাগে। কিছুদিনৰ পূৰ্বে ৰাহুল গান্ধীয়ে ব্যক্ত কৰিছিল এইবুলি যে এক ব্যক্তি এক পদ নীতি অনুসৰি অশোক গেহলটে কংগ্ৰেছৰ সৰ্বভাৰতীয় সভাপতি পদত অধিষ্ঠিত হ'লে মুখ্যমন্ত্ৰীৰ পদ নিশ্চিতভাৱে ত্যাগ কৰিব লাগিব। ৰাহুল গান্ধীৰ এই মন্তব্যৰ পিছতে ৰাজস্থানত শচীন পাইলটে মুখ্যমন্ত্ৰীৰ আসনত বহিব বুলি চৰ্চিত হৈছে। এসময়ত বিসম্বাদ কৰি উপ-মুখ্যমন্ত্ৰীৰ পদ হেৰুৱাব লগা হৈছিল। বৰ্তমানেও শচীন পাইলটৰ সমৰ্থনত ২১ গৰাকী বিধায়ক আছে। এই বিধায়ককেইজনে শচীন পাইলটক মুখ্যমন্ত্ৰীৰ আসনত বহুৱাবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মঙলবাৰে এইক্ষেত্ৰত কংগ্ৰেছৰ এখন বিধায়িনী দলৰ বৈঠক আহ্বান কৰা বুলি প্ৰকাশ পাইছে। এই বৈঠকৰ পূৰ্বে দলৰ বিধায়কসকলক বুজাই-বঢ়াই সৈমান কৰাবলৈ কেন্দ্ৰীয় নেতৃত্ব তৎপৰ হৈ পৰিছে।



## পাকিস্তানী সেনাৰ হেলিকপ্টাৰ ভূপতিত হ'ল বেলুচিস্তানত, ৬ জোৱানৰ মৃত্যু

**ইছলামাবাদ, ২৬ ছেপ্টেম্বৰ ঃ** চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানত সেনাই ব্যৱহাৰ কৰা এখন হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত হৈছে। ফলত দুই বিষয়াসহ ৬ সেনা জোৱানৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। প্ৰাপ্ত তথ্য মতে দেওবাৰে বিয়লিৰ ভাগত এই শোকাৱহ দুৰ্ঘটনা সংঘটিত হৈছিল। বেলুচিস্তানৰ হাৰমাই অঞ্চলৰ খোষ্ট নামৰ পাহাৰীয়া অঞ্চলত নিয়মীয়া



প্ৰশিক্ষণৰ সময়ত এই দুৰ্ঘটনা সংঘটিত হৈছিল। কি কাৰণত সেনাই অনুশীলন কৰা এখন হেলিকপ্টাৰ এনেদৰে দুৰ্ঘটনাত পতিত হ'ল সেই বিষয়ে বৰ্তমানলৈ কোনো তথ্য আহৰণ কৰা হোৱা নাই। ইফালে দুৰ্ঘটনাৰ তদন্ত কৰিবলৈ পাক সেনা বিভাগে নিৰ্দেশ দিয়া বুলি কোৱা হৈছে। মেজৰ মহম্মদ মুনিব আফজল, মেজৰ খোৰাম ছাহজাদ, চুবেদাৰ আব্দুল ৰাহিদ, চিপাহী মহম্মদ ইমৰাণ, চিপাহী ছুৰেইব আৰু নায়ক জলিল নিহত হৈছে এই দুৰ্ঘটনাৰ ফলত। উল্লেখ্য যে আগষ্ট মাহৰ প্ৰথম সপ্তাহতে পাকিস্তান সেনাই ব্যৱহাৰ কৰা অন্য এখন হেলিকপ্টাৰ ভূপতিত হৈছিল। উক্ত হেলিকপ্টাৰত থকা এগৰাকী শীৰ্ষ পাকিস্তানী সেনা বিষয়া, পাঁচজন জ্যেষ্ঠ সেনা নিহত হৈছিল। বেলুচিস্তান প্ৰদেশত বানপানীৰ ফলত আৱদ্ধ হৈ থকা লোকসকলক খাদ্য সামগ্ৰী যোগান ধৰিবলৈ যোৱাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হৈছিল। ইফালে দেওবাৰে সংঘটিত হোৱা দুৰ্ঘটনাৰ কাৰণ হিচাপে ডাৱৰীয়া আৰু মেঘে আৱৰি থকা আকাশৰ বাবেই সংঘটিত হোৱা বুলি প্ৰকাশ পাইছে। এজন শীৰ্ষ সেনা বিষয়া ব্ৰিগেডিয়াৰ আমজাদ হানিফে এই কথা প্ৰকাশ কৰিছে। অৱশ্যে বৰ্তমানলৈকে মৃতদেহৰ উদ্ধাৰ অভিযান অব্যাহত আছে আৰু ইয়াৰ পিছতে মৃত্যুৰ প্ৰকৃত সত্যাসত্য নিৰূপণ হ'ব বুলি ধাৰণা কৰা হৈছে।

## থাইলেণ্ডত বিলাসী বাসভৱন আছে পাৰ্থ-অৰ্পিতাৰ





### এনফ'ৰ্চমেণ্টৰ তদন্তত ওলাইছে সীমাহীন সম্পত্তিৰ তথ্য

**কলকাতা, ২৬ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰীৰ জৰিয়তে শ শ কোটি টকা আহৰণ কৰা তৃণমূল কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ সহযোগী অৰ্পিতা মুখাৰ্জীয়ে কেবল দেশৰ ভিতৰতে সম্পদৰ পাহাৰ আহৰণ কৰা নাই। এই গৰাকী দুৰ্নীতিগ্ৰস্ত নেতাই আনকি থাইলেণ্ডটো বিলাসী বাসগৃহ ক্ৰয় কৰিছিল। এনফোৰ্চমেণ্ট বিভাগে যোৱা এমাহতকৈ অধিক কাল ধাৰাবাহিকভাৱে তদন্ত চলোৱাৰ পিছত নিতৌ নতুন সম্পত্তিৰ তথ্য আহৰণ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে পাৰ্থ চেটাৰ্জী আৰু অৰ্পিতা মুখাৰ্জীৰ নামত থকা ১০৩ কোটি টকাতকৈ অধিক মূল্যৰ সা-সম্পদ, ফ্লেট, ভূমি, নগদ ধন আদি জব্দ কৰা হৈছে। তদন্তকাৰী সংস্থাটোৱে পাঁচ কোটি টকা মূল্যৰ সোণৰ গহণা, ৪৯.৮০ কোটি নগদ ধন আৰু ৰাজ্যখনৰ চল্লিছটা স্থানত থকা সা-সম্পদ জব্দ কৰিছে। এই সম্পত্তিসমূহৰ মূল্য ৪৩.৩৩ কোটি হ'ব বুলি কোৱা হৈছে। ইফালে অৰ্পিতা আৰু পাৰ্থৰ নামত ৩৫টা বেংক একাউণ্ট লাভ কৰিবলৈ সক্ষম হৈছে। এই একাউণ্টসমূহত ৭.৮৯ কোটি টকা জমা আছিল। চলিত বৰ্ষৰ ২২ জুলাই তাৰিখে এনফোৰ্চমেণ্ট বিভাগে অৰ্পিতা আৰু পাৰ্থ চেটাৰ্জীক গ্ৰেপ্তাৰ কৰিছিল। তালিগঞ্জত থকা অৰ্পিতাৰ এটা ফ্লেটৰ পৰা ৪০ কোটিতকৈ অধিক নগদ ধন উদ্ধাৰ কৰা হৈছিল। ইফালে অন্য এটা ফ্লেটৰ ভিতৰতো বহু পৰিমাণে নগদ ধন, সোণৰ অলংকাৰ, গুৰুত্বপূৰ্ণ নথি-পত্ৰ আদি মজুত আছিল। এনফোৰ্চমেণ্ট বিভাগে উক্ত সামগ্ৰীখিনিও জব্দ কৰা বুলি প্ৰকাশ পাইছে।



*দেশত ডিজিটেল মাধ্যমেৰে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ খাদ্য-সামগ্ৰী গ্ৰাহকক উপলব্ধ কৰোৱাৰ পদক্ষেপ লোৱাৰ ফলত কৰ্মহীন আৰু উপাৰ্জনহীন হৈ পৰাৰ আশংকাত সুলভ মূল্যৰ ব্যৱসায়ীসকলে ৰেচনৰ বিপণী বন্ধ নকৰিবলৈ কেন্দ্ৰীয় খাদ্যমন্ত্ৰী পীযূষ গোৱেলৰ উপৰি বিত্ত সচিব, ৰাজহ সচিব, গ্ৰাহক সুৰক্ষা পৰিক্ৰমা মন্ত্ৰণালয় আদিলৈ লিখিতভাৱে পত্ৰ প্ৰেৰণ কৰিছে*

# কামৰূপ জিলাৰ গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰৰ অস্ত্ৰোপচাৰ কক্ষ মুকলি জিলা উপায়ুক্ত কীৰ্তি জল্লীৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৬ ছেপ্টেম্বৰ** কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীয়ে আজি গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰৰ অস্ত্ৰোপচাৰ কক্ষ আনুষ্ঠানিকভাৱে মুকলি কৰি জনসাধাৰণৰ সেৱাত উৎসৰ্গিত কৰে। উল্লেখ্য যে আজি মুকলি কৰা এই অস্ত্ৰোপচাৰ কক্ষত বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণে এতিয়াৰে পৰা পুৰুষ আৰু মহিলা উভয়ৰে বন্ধ্যাকৰণৰ সুবিধা লাভ কৰিব। জিলা উপায়ুক্তগৰাকীয়ে লগতে গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি কৰ্তব্যৰত চিকিৎসক তথা ৰোগীসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকে পাই থকা চিকিৎসা তথা সা-সুবিধাৰ বুজ লয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলা উপায়ুক্তগৰাকীয়ে আজি মুকলি কৰা অস্ত্ৰোপচাৰ কক্ষই স্থানীয় জনসাধাৰণক বিশেষভাৱে উপকৃত কৰিব বুলি কয়। সুখী পৰিয়ালৰ প্ৰাথমিক চৰ্ত পৰিয়াল পৰিকল্পনা বুলি মন্তব্য কৰি সমাজ তথা দেশৰ বিকাশৰ বাবে উপযুক্ত পৰিয়াল পৰিকল্পনা অত্যন্ত জৰুৰী বুলি তেওঁ কয়। প্ৰাতিষ্ঠানিক প্ৰসৱে নৱজাতক তথা মাতৃক সুৰক্ষিত কৰে বুলি উল্লেখ কৰি জনাসাধাৰণক ধাইৰ সহায়ত ঘৰতে প্ৰসৱ কৰাৰ দৰে বিপজ্জনক প্ৰথাৰ পৰা বিৰত থকাৰ বাবে তেওঁ আহ্বান জনায়। এই প্ৰসংগত তেওঁ কয় যে ধাইৰ দ্বাৰা ঘৰতে কৰা প্ৰসৱে মাতৃ আৰু সন্তানৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনে। তেওঁ লগতে ধাই বৃত্তিৰ লগত জড়িত মহিলাৰ খবৰ লাভ কৰিলে স্বাস্থ্য বিভাগ তথা প্ৰশাসনক তৎকালে অৱগত কৰি আইনগত ব্যৱস্থা লোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। আজিৰ এই অস্ত্ৰোপচাৰ কক্ষ মুকলি অনুষ্ঠানত গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া, কামৰূপ জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালককে ধৰি স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে বুলি জানিব পৰা গৈছে।




# ৰাষ্ট্ৰপতিৰ হাতৰ পৰা বঁটা গ্ৰহণ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰী নয়না শইকীয়াৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৬ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ হাতেৰে ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ কৰি আজি গৃহভূমিত উপস্থিত হয় নয়না শইকীয়া। National Service Schemeৰ প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে ২৪ ছেপ্টেম্বৰত নতুন দিল্লীৰ ৰাষ্ট্ৰীয় ভৱনত ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰী নয়না শইকীয়ালৈ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ পুৰস্কাৰ-২০২০-২১ বঁটা প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি গৃহভূমিত উপস্থিত হোৱা নয়নাই ডিব্ৰুগড় বিমানবন্দৰত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি নিজৰ অনুভৱত উৎফুল্ল হৈ পৰে। প্ৰতি বছৰে দেশৰ ৰাষ্ট্ৰপতিয়ে এন এছএছৰ প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে শ্ৰেষ্ঠ স্বেচ্ছাসেৱকক বাছনি কৰি পুৰস্কাৰেৰে সন্মানিত কৰি আহিছে। এই বৰ্ষত অসমৰ দুগৰাকী এনএছএছৰ স্বেচ্ছাসেৱকে এই ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। এই বঁটাত আছে মানপত্ৰ, ৰূপৰ পদক আৰু এক লাখ টকাৰ চেক। ডিগবৈ টিংৰাইৰ ত্ৰিদীপ শইকীয়া আৰু সুৰভি শইকীয়াৰ কন্যা নয়না শইকীয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ইংৰাজী বিভাগৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী। বিশ্ববিদ্যালয়ৰ অমলপ্ৰভা দাস ছাত্ৰী নিৱাসৰ আৱাসী নয়না ডিগবৈ মহাবিদ্যালয়ৰ এন এছ এছৰ স্বেচ্ছাসেৱক আছিল। ইফালে নয়নাৰ কৃতিত্বত উৎফুল্ল হৈ পৰিছে ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিগবৈ মহাবিদ্যালয়ৰ শিক্ষক ছাত্ৰ-ছাত্ৰীসকল।

# অসমীয়াত অনুপ্ৰাস অলংকাৰত কবিতা লিখি 'অসম বুক অৱ ৰেকৰ্ড'



## ৰহাৰ নৱপ্ৰজন্মৰ কবিয়ে পালে স্বীকৃতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৬ ছেপ্টেম্বৰ ঃ** ৰহাৰ আমতলাৰ নৱ প্ৰজন্মৰ কবি জয়ামণি বৰুৱাই অসমীয়াত অনুপ্ৰাস অলংকাৰ ছন্দত কবিতা লিখি 'Assam Book of Records' সন্মান লাভ কৰিছে। শিক্ষা বিভাগৰ সহকাৰী শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত জয়ামণি বৰুৱাই সৰুৰে পৰা কবিতা লিখিছিল। পাছলৈ এটা শব্দকেই প্ৰতিটো বাক্যৰ আৰম্ভণিৰ বৰ্ণ হিচাপে প্ৰয়োগ কৰি অসমীয়াৰ অনুপ্ৰাস অলংকাৰ ছন্দত কবিতা লিখিবলৈ আৰম্ভ কৰে। এতিয়ালৈকে ১৪টাৰো অধিক কবিতা লিখাৰ বাবেই এই স্বীকৃতি পোৱাত নৱপ্ৰজন্মৰ কবিগৰাকী আনন্দিত হোৱাৰ লগতে বহুলোকে কবিগৰাকীক শুভেচ্ছা জনাইছে।




# নলবাৰীৰ প্ৰথমগৰাকী মহিলা ক্ৰিকেটাৰ ৰাজ্যিক দলত




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ২৬ ছেপ্টেম্বৰ ঃ** নলবাৰী ক্ৰীড়া সন্থাৰ প্ৰথমগৰাকী মহিলা ক্ৰিকেটাৰ হিচাপে জ্ঞানশ্ৰীয়ে ১৯ বছৰ অনূৰ্ধ্বৰ অসম ক্ৰিকেট দলত স্থান লাভ কৰি জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। নলবাৰী জিলাৰ অন্তৰ্গত দঙ্গুৰাপাৰা গাঁৱত ঘৰ জ্ঞানশ্ৰী বৰ্মনৰ। দেউতাকৰ নাম উমেশ বৰ্মন আৰু মাকৰ নাম মণিকা বৰ্মন। দেউতাকে খেতি-বাতি কৰি কিবাকৈ ঘৰখন পোহপাল দি আছে। তেওঁলোকৰ পৰিয়ালৰ পৰা এগৰাকী ক্ৰিকেটাৰ হোৱাটো একপ্ৰকাৰ অসম্ভৱ কথা। কিন্তু নিজৰ সাহস আৰু একাগ্ৰতাৰ বলতে তেওঁ অসম্ভৱকো সম্ভৱ কৰি দেখুৱাইছে। মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত পঢ়ি থকা জ্ঞানশ্ৰীয়ে পঢ়া আৰু খেলা অতি সুন্দৰভাৱে কৰি গৈছে। ২০১৭ চনত তেওঁৰ প্ৰতিভাৰ উমান পাইয়ে গৰ্ডন ক্ৰিকেট একাডেমী, নলবাৰীৰ প্ৰশিক্ষক মহেশ্বৰ হালৈ, দিব্যজ্যোতি শৰ্মা, সঞ্জয় ঠাকুৰ, মিহিৰ দত্তই তেওঁক একাডেমীলৈ লৈ আনি বিনামূলীয়াকৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰি দিয়ে। যাৰ ফলস্বৰূপে তেওঁ ২০২০ আৰু ২০২১ বৰ্ষত নলবাৰী জিলা দলক প্ৰতিনিধিত্ব কৰি ১৯ বছৰ অনূৰ্ধ্বৰ অসম দলত অতিৰিক্ত খেলুৱৈ হিচাপে স্থান লাভ কৰি প্ৰতিভাৱান খেলুৱৈ হিচাপে চিনাকি দিবলৈ সক্ষম হৈছিল। তেওঁৰ যুঁজাৰু মানসিকতাৰ বাবে ২০২২ চনত অসম দলত স্থান লাভ কৰি জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। নলবাৰী জিলাৰ পৰা অসম দলত স্থান পোৱা প্ৰথম মহিলা ক্ৰিকেটাৰগৰাকীৰ এই সফলতাৰ বাবে নলবাৰী ক্ৰীড়া সন্থাৰ সভাপতি তথা অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, উপ-সভাপতি হেমেন্দ্ৰ মহন্ত, মনোজ কুমাৰ চৌধুৰী, সাধাৰণ সম্পাদক বুবুল তালুকদাৰ, ক্ৰিকেট সম্পাদক বিশ্বজিৎ বৰুৱা, গৰ্ডন ক্ৰিকেট একাডেমীৰ বিষয়ববীয়াই জ্ঞানশ্ৰী বৰ্মনলৈ আন্তৰিক শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰিছে।

## টেকনো ইণ্ডিয়া ইউনিভাৰ্ছিটী পশ্চিমবংগ ফ্ৰেম আৰু লজি আন্তৰ্জাতিক ছাত্ৰ চলচ্চিত্ৰ মহোৎসৱ

# সৰভোগৰ সুৰভি বিজয়ী



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৬ ছেপ্টেম্বৰ ঃ** ঐতিহাসিক বৰনগৰৰ নামঘৰ প্ৰডাকচনৰ পৰা নিৰ্মিত 'সুৰভি' নামৰ চুটি ছবিখন ১০ আৰু ১১ ছেপ্টেম্বৰত দুদিনীয়াকৈ ডুবাইত অনুষ্ঠিত The Great Indian Film Festivalত প্ৰদৰ্শন হৈছিল, এই Film Festival ত সমগ্ৰ বিশ্বৰ পৰা অংশগ্ৰহণ কৰা চুটি ছবিসমূহক চেৰ পেলাই সৰভোগৰ নামঘৰ প্ৰডাকচনৰ নিৰ্মিত সুৰভিয়ে শ্ৰেষ্ঠ চিনেমাৰ সন্মান দখল কৰিবলৈ সক্ষম হয়। এই চুটি ছবিখনৰ প্ৰযোজক ৰেজাউল কৰিম আহমেদ, পৰিচালক ঋতুপৰ্ণ ঠাকুৰীয়া, অভিনেতা-অভিনেত্ৰীসকল ক্ৰমে-ৰেজাউল কৰিম আহমেদ, বিনীতা দাস, হৃদী কাশ্যপ, বিজয় বৰ্মন আৰু ৰেইলী,Creative Advisor বিজু দাস, কেমেৰা আৰু সম্পাদনা বিজু দাস, মিউজিক দীপজ্যোতি দাস, ৰেকৰ্ডিষ্ট ময়ূৰ প্ৰিয়াংশু আৰু পলাশ গোস্বামী, প্ৰডাকচন ৰমেন কুমাৰ দাস আৰু ছিদ্দিক আহমেদ। সুৰভিৰ সফলতাত নামঘৰ প্ৰডাকচনৰ লগতে ঐতিহাসিক বৰনগৰীয়া ৰাইজ উৎফুল্ল। ইয়াৰ লগত সুৰভি চুটি ছবিখনে-টেকনো ইণ্ডিয়া ইউনিভাৰ্ছিটী পশ্চিমবংগ ফ্ৰেম আৰু লজি আন্তৰ্জাতিক ছাত্ৰ চলচ্চিত্ৰ মহোৎসৱত সৰভোগৰ সুৰভি বিজয়ী হয়। ইয়াৰ পূৰ্বে অসম ৰাজ্যিক এইডছ কন্ট্ৰোল ছ'চাইটি এইচআইভি-এইডছৰ ওপৰত চুটি ছবি নিৰ্মাণ প্ৰতিযোগিতাত বিজয়ী, অসম ইঞ্জিনীয়াৰিং কলেজ পাইৰোকিনাসিস চুটি ছবি নিৰ্মাণ প্ৰতিযোগিতাত বিজয়ী, Screeningৰ বাবে গুৱাহাটী আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ অফিচিয়েল নিৰ্বাচন, ডুবাইত অনুষ্ঠিত The Great Indian Film Festivalত শ্ৰেষ্ঠ চুটি ছবিৰ সন্মান।

# নলবাৰীৰ মালিকুছিস্থিত শ্ৰীশ্ৰী শ্যামৰায় সত্ৰৰ দৌল বাকৰিত সুউচ্চ দৌলমণ্ডপৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৬ ছেপ্টেম্বৰ ঃ** দুজন মহান দাতাৰ মহানুভৱতাৰ বাবে নলবাৰী চহৰৰ ১৭নং ৱাৰ্ডৰ মালিকুছি শ্ৰীশ্ৰী শ্যামৰায় সত্ৰৰ দৌল বাকৰিত সুউচ্চ দৌলমণ্ডপৰ আধাৰশিলা স্থাপন কৰা হয়। জিলাখনৰ অজিত শৰ্মা আৰু তেওঁৰ সহধৰ্মিণী নীলিমা দেৱীৰ বৰঙণিৰে নিৰ্মাণ হ'বলৈ ওলোৱা এটা সুউচ্চ দৌল মণ্ডপৰ আধাৰশিলা আজি স্থাপন কৰা হয়। দুই শতাধিক ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতিত শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ পৰিচালনা সমিতিৰ উপদেষ্টাবৃন্দ, সভাপতি, সম্পাদক আৰু সমূহ সদস্যই দুয়োগৰাকী দাতাক ধন্যবাদ জনাই ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি